ত্ৰিপুৰা বুৰঞ্জী।

TRIPURA BURANJI.

সম্পাদক

ৰায়বাহাদুৰ

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা।

hed by the Government of Assam in the Department
of Historical and Antiquarian Studies.

Digitized by Panjab Digital Library | www.panjabdigilib.org

Digitized by Panjab Digital Library | www.panjabdigilib.org

KING RUDRA SINGHA, 1696-1714 A.D.,
RECEIVING THE HOMAGE OF THE RAJAS OF CACHAR AND JAYANTIA.



FROM SANKHACHURA-BADH MS., 1726 A.D.

শ্ৰীশ্ৰীযুৎ ৰুদ্ৰসিংহমহাৰাজা —
জয়ন্তাকচাৰিৰাজাক সেৱা কৰাইছে —

D. H. A. S., ASSAM.

Digitized by Panjab Digital Library | www.panjabdigilib.org

Digitized by Panjab Digital Library | www.panjabdigilib.org

ত্ৰিপুৰা বুৰঞ্জী।

মহাৰাজ ৰুদ্ৰসিংহ স্বৰ্গদেৱে ত্ৰিপুৰা দেশলৈ পঠোৱা
কটকী ৰত্নকন্দলী শৰ্ম্মা আৰু অৰ্জ্জুনদাস
বৈৰাগীৰ দ্বাৰা ১৬৪৬ শকত ৰচিত।

লণ্ডনৰ বৃটিচ মিউজিয়মত পোৱা পুথিৰ পৰা পাঠ সংগৃহীত।

TRIPURA BURANJI

or

A Chronicle of Tipperah, written in 1724 A.D. by Ratna Kandali Sarma and Arjun Das Bairagi, Swargadeo Rudra Singha's envoys to Raja Ratna Manikya of Tipperah.

From an old manuscript in the British Museum, London.

Edited by

Rai Bahadur S. K. Bhuyan, M.A., B.L.,

Published by the
Government of Assam in the
Department of Historical and Antiquarian Studies.

1938.

Foreign 2s. 3d.] [*Price Re. 1-8.*

Digitized by Panjab Digital Library | www.panjabdigilib.org

Published by the
GOVERNMENT OF ASSAM IN THE
DEPARTMENT OF HISTORICAL AND ANTIQUARIAN STUDIES,
NARAYANI HANDIQUI HISTORICAL INSTITUTE,
GAUHATI, ASSAM.

প্ৰকাশক—অসম গৱৰ্ণমেণ্টৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ।
ডিপাৰ্টমেণ্ট্ অব্ হিষ্টৰিকেল্ এণ্ড্ এণ্টিকোৱেৰিয়ান্ ষ্টাডিজ্, আসাম।

FIRST EDITION, FEBRUARY, 1938.

All Rights Reserved.

Printed by
Matindra Nath Singha at the LAKSHMIBILAS PRESS, LTD.,
14, Jagannath Dutt Lane, Calcutta.

Digitized by Panjab Digital Library | www.panjabdigilib.org

সূচীপত্ৰ।

Pages

Introduction vii

ত্ৰিপুৰা বুৰঞ্জী।

পৃষ্ঠা

১ম আধ্যা। মোগলৰ বিৰুদ্ধে স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ ৰণোদ্যম। ১

২য় আধ্যা। অসম-ত্ৰিপুৰাৰ প্ৰীতি-সংস্থাপক আনন্দিৰাম মেধি। ৩

৩য় আধ্যা। ত্ৰিপুৰা ৰজাৰ আগত অসমৰ কটকী। ৫

৪ৰ্থ আধ্যা। অসমত ত্ৰিপুৰাৰ কটকী। ৭

৫ম আধ্যা। স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ সভাত ত্ৰিপুৰা কটকী। ৯

৬ষ্ঠ আধ্যা। ত্ৰিপুৰা ৰজালৈ ৰুদ্ৰসিংহৰ ৰহস্য-পত্ৰ। ১৫

৭ম আধ্যা। ত্ৰিপুৰা কটকী বিদায়। ১৬

৮ম আধ্যা। ত্ৰিপুৰা কটকীৰ ৰংপুৰত দুৰ্গোৎসৱ দৰ্শন। ১৯

৯ম আধ্যা। ত্ৰিপুৰালৈ যোৱা পথৰ বিৱৰণ। ২১

১০ম আধ্যা। ত্ৰিপুৰাত পুনৰ অসমৰ কটকী। ২৪

১১শ আধ্যা। ত্ৰিপুৰা ৰজাৰ কোঁঠৰ, নগৰৰ, দেশৰ লেখা। ২৫

১২শ আধ্যা। ত্ৰিপুৰা ৰজাৰ পূৰ্ব্বপুৰুষৰ কথা। ৩৪

১৩শ আধ্যা। ত্ৰিপুৰা সিংহাসনত ৰত্নমাণিক্য ৰজা। ৩৭

১৪শ আধ্যা। যুৱৰাজ চম্পকৰায়ৰ হত্যা। ৩৮

১৫শ আধ্যা। ত্ৰিপুৰা ৰজাৰ দৈনিক কৰ্ম্ম। ৪১

১৬শ আধ্যা। ৰত্নমাণিক্যৰ বিৰুদ্ধে ঘনশ্যাম বৰঠাকুৰৰ ষড়যন্ত্ৰ। ৪২

১৭শ আধ্যা। ঘনশ্যাম আৰু মুৰাদ্‌বেগৰ সত্য-শপত। ৪৪

১৮শ আধ্যা। ঘনশ্যাম বৰঠাকুৰৰ হাতী ধৰিবলৈ যাত্ৰা। ৪৮

১৯শ আধ্যা। ত্ৰিপুৰাত অসমীয়া কটকী। ৪৯

Digitized by Panjab Digital Library | www.panjabdigilib.org

		পৃষ্ঠা
২০শ আধ্যা।	ত্রিপুৰা ৰজাৰ দৰবাৰ।	৫০
২১শ আধ্যা।	ত্রিপুৰা দৰবাৰত অসমীয়া কটকী।	৫৫
২২শ আধ্যা।	অসম-মোগলৰ যুদ্ধৰ বৰ্ণনা।	৫৭
২৩শ আধ্যা।	ত্রিপুৰাত মদন পূজাৰ আড়ম্বৰ।	৫৯
২৪শ আধ্যা।	মোটখেলাৰ কৌতুক।	৬১
২৫শ আধ্যা।	ৰজাৰ বিৰুদ্ধে ঘনশ্যামৰ সৈন্যসংগ্ৰহ।	৬৩
২৬শ আধ্যা।	ঘনশ্যাম, মুৰাদ্‌বেগ আৰু মামুদছপিৰ মন্ত্ৰণা।	৬৬
২৭শ আধ্যা।	ৰাজধানীৰ সমীপত সসৈন্যে ঘনশ্যাম বৰঠাকুৰ।	৬৯
২৮শ আধ্যা।	যুৱৰাজ আৰু কোটোৱাল মুছিবৰ সজ পৰামৰ্শ।	৭১
২৯শ আধ্যা।	"যুৱৰাজে কোটোৱাল মুছিবে ঘনশ্যামৰ তলৈ গল।"	৭২
৩০শ আধ্যা।	ঘনশ্যামৰ হাতত কোটোৱাল মুছিব বন্দী।	৭৩
৩১শ আধ্যা।	মহাৰাজ ৰত্নমাণিক্যৰ সৰলতা আৰু ভাতৃত বিশ্বাস।	৭৫
৩২শ আধ্যা।	ঘনশ্যাম ঠাকুৰৰ সিংহাসন অধিকাৰ।	৭৬
৩৩শ আধ্যা।	ত্রিপুৰাৰ সিংহাসনত ঘনশ্যাম বা মহেন্দ্ৰমাণিক্য ৰজা।	৭৮
৩৪শ আধ্যা।	সহমৃতা ৰাজভইনী।	৮০
৩৫শ আধ্যা।	ভগা ৰজা ৰত্নমাণিক্য বধ।	৮১
৩৬শ আধ্যা।	ৰত্নমাণিক্যৰ শৱসংকাৰ।	৮৭
৩৭শ আধ্যা।	মহেন্দ্ৰমাণিক্যৰ ভাতৃহত্যাৰ প্ৰায়শ্চিত্ত।	৯০
৩৮শ আধ্যা।	ৰংপুৰত মহেন্দ্ৰমাণিক্যৰ কটকী।	৯১
৩৯শ আধ্যা।	মহেন্দ্ৰমাণিক্যলৈ স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ উকীল-পত্ৰ।	৯৫
৪০শ আধ্যা।	ধৰ্ম্মমাণিক্য ৰজাই স্বৰ্গদেৱলৈ দিয়া পত্ৰ-সন্দেশ।	৯৭
অথ নিৰ্ঘণ্টনং	... ...	১০১

Digitized by Panjab Digital Library | www.panjabdigilib.org

INTRODUCTION.

The text of the present book *Tripura Buranji*, or a chronicle of Tipperah in Bengal, has been reproduced from an old manuscript in the British Museum, London, a photostat copy of which was obtained in January 1936 through the courtesy of Dr. Lionel D. Barnett, the then Keeper of Oriental Books and Manuscripts. The manuscript,* was purchased by the authorities of the British Museum from one J. Rodd on January 8, 1842. It has 146 folios of *Sānchi-pāt* made of the bark of aloes wood, *Aquilaria Agallocha* the material on which Assamese manuscripts were usually written Each folio measures 4 in. by 16⅞ in. and contains five lines of writing on each of the two sides. The folio 108 is missing ; its contents can, however, be conjectured from the preceding and following narratives. A table of contents is inserted at the end of the manuscript with references to the folio numbers. The handwriting is legible, the words are separated, and the divisions are well marked. On the whole the book

* B. M. Add., 12,235-B, described on p. 1 of J. F. Blumhardt's *Catalogue of Bengali, Assamese and Oriya Manuscripts in the Library of the British Museum*, 1905. Rudra Singha is wrongly mentioned by Blumhardt as 'Raja of Tipperah'. I have since examined the original manuscript at the British Museum on December 20, 1937.

Digitized by Panjab Digital Library | www.panjabdigilib.org

bears evidence of very cautious penmanship. The title of the book, inscribed on the cover of the original manuscript, is *Tripurā Desar Kathār Lekhā*, or an account of the country of Tripura, which is amplified in an explanatory sub-heading as a description of the friendly missions sent by Maharaja Rudra Singha to Ratna Manikya, Raja of Tripura. *

The chronicle *Tripurā Buranji* derives its importance principally from the circumstances in which it was compiled, the revelations which it contains of the 'international' or pan-Indian interests of the Assamese monarch Swargadeo Rudra Singha (1696-1714 A.D.), and the mass of information which it presents about the history, topography, resources and customs of Tripura, and about the revolution at the Tripura capital enacted before the eyes of the narrators.

The chronicle was written in 1724 A.D. by Ratna Kandali Sarma Kataki and Arjun Das Bairagi Kataki who had visited the Tripura Raja's court as agents of King Rudra Singha on three different occasions between the years 1709 and 1715. † The Ahom Government had hitherto held no communication with the Tripura court, though in ancient times the kingdoms of Kamarupa and Tripura had intimate political relations. The object of Rudra Singha's embassies was to establish friendly relations with

---

* *Tripurā Desar Kathār Lekhā, Sri-Sri-Rudra Singha Mahārājā-dewe Tripurā-Desar Rājā Ratna Mānikya sahit priti-purbak Kataki gatāgata karā kathā. Sāka 1646.*

† Ratna Kandali and Arjun Das had left the Ahom court on c. April 13, 1714 A.D., on their third and last mission, and arrived at the Tripura capital on c. January 6, 1715. Rudra Singha had died meanwhile on c. August 27, 1714.

Digitized by Panjab Digital Library | www.panjabdigilib.org

Tripura in furtherance of his aim to organise a confederacy of the Hindu rulers against the Moguls.

On succeeding to the throne in 1696 Rudra Singha, like all great monarchs, had formulated a definite policy of his administration with the object of elevating his kingdom to the rank of a first-rate power in India. * He reformed the internal government, modelled his army on new lines, appointed regular agents to visit different parts of India to collect information about their resources and customs. He then turned his attention to the consolidation of his power over his vassal chieftains and the rulers of the neighbouring territories. The subjugation of Cachar and Jayantia was completed in 1708, and their rulers promised to pay tribute to the Ahom Swargadeo and help him with forces in times of war.† After thus strengthening himself he planned to invade Bengal to avenge the humiliating overtures of its Governor Nawab Murshid Kuli Khan who used to send presents of *Khelāts*, or robes of honour, to Swargadeo Rudra Singha insinuating thereby that the Ahom monarch was subordinate to the Government of the Moguls. ‡

Before launching his expedition against Bengal King Rudra Singha wanted to obtain the co-operation

---

* See J. P. Wade's *Account of Assam*, edited by B. Sarma, pp. 87-138 ; and S. K. Bhuyan's *Tungkhungia Buranji*, published by Oxford University Press, pp. xx-xxi and 29-39.

† For the Cachar and Jayantia expeditions of King Rudra Singha see *Kachari Buranji* and *Jayantia Buranji*, published by the Department of Historical and Antiquarian Studies, Assam.

‡ Charles Stewart : *History of Bengal*, Bangabasi edition, 1904, p. 420.

Digitized by Panjab Digital Library | www.panjabdigilib.org

of its Hindu potentates and chiefs. He despatched envoys to the Rajas of Morung, Bana-Bishnupur, Nadiya, Cooch Behar, Burdwan and Barnagar, informing them of the necessity of concerting measures to oppose the Moguls who, it was alleged, had been destroying the Hindu religion. The Rajas who were all vassals of the Moguls supported the proposal of Rudra Singha.

In this connection it is stated that Rudra Singha sent ambassadors with letters to the Nawabs and princes of Bengal asking them not to oppose his arms in his attempt to resume possession of the territories up to the river Karatoya which had been held in fee by his ancestors.*

Rudra Singha then augmented his army, his artillery and his navy. The local levies were trained on up-to-date lines. He raised a numerous cavalry and trained the elephants to withstand fights. During the continuance of these preparations he adopted measures to obtain the good-will of the inhabitants of Bengal in order to render his supremacy acceptable to them. He invited to Assam the leading Brahmans, scholars, physicians, musicians, artisans and merchants of Bengal and sent them back with rich presents. Those who could not leave their homes had presents sent to them from the Ahom court. "On account of these

* Wade's *Account of Assam*, p. 131. Two more Rajas are mentioned in Wade's list, *viz.* the Raja of Krishna Sundar in Rungpore and the Raja of Pangia. Wade mentions Bhakatdhuli and Madhabdas as Rudra Singh's envoys to Tripura. This was perhaps an earlier arrangement being superseded later by the despatch of Ratna Kandali and Arjun Das.

Digitized by Panjab Digital Library | www.panjabdigilib.org

presents", write the chroniclers Ratna Kandali and Arjun Das, "the fame of the Maharaja [Rudra Singha] greatly extended in that country [Bengal] and its inhabitants paid frequent visits [to Assam] with the hope of obtaining gifts."

In the meantime the Assamese Kataki Ratna Kandali had visited Dacca for the purpose of procuring some musicians. One Subangsa Roy, a prominent citizen of Dacca, suggested to Ratna Kandali the expediency of cultivating the friendship of the Tripura Raja saying,—"I have heard that Maharaja Rudra Singha has subjugated Jayantia and Cachar. The Tripura Raja is a great Raja, and will be of service to the Swargadeo if he can bring that Raja under his friendly influence." This suggestion was duly reported by Ratna Kandali to King Rudra Singha.

Anandiram Medhi, a Bengali musician, who was on a visit to the Ahom court, happened to be intimately known to the Tripura Raja Ratna Manikya (1698-1712 A.D.). King Rudra Singha offerded valuable presents to Anandiram and asked him to impress upon the Tripura Raja an idea of the influence and power of the Ahom government and to create in the Raja's mind a desire to seek that government's friendship and alliance. Anandiram Medhi having undertaken to accomplish the object Ratna Kandali and Arjun Das were sent with him to Tripura on the pretext of fetching Ganges water for the Barbarua Surath Singha. This was the first Assam mission to Tripura.

Anandiram Medhi succeeded in inducing the Tripura Raja Ratna Manikya to seek the friendship

Digitized by Panjab Digital Library | www.panjabdigilib.org

of King Rudra Singha. The Raja sent for Ratna Kandali and Arjun Das, and they were duly presented to Ratna Manikya who told the Assamese Katakis of his intention to acquire the friendship of their monarch. They undertook to request the Barbarua to promote the solicitations of the Tripura Raja who sent Rameswar Bhattacharyya Nyayalankar and Udaynarayan Biswas to Assam. They were furnished with ten camp-followers including a physician and two barbers. The Tripura deputation left the capital in June-July 1710 in the company of the two Assamese Katakis. The party arrived at the royal camp at Gajpur about a year after their departure from Tripura, their journey being impeded by sickness amongst the servants. The Tripura messengers presented their credentials to the Barbarua who promised to consult the Buragohain, Bargohain and Barpatra-Gohain respecting the Raja's request.

The diplomatic preliminaries being thus settled King Rudra Singha received the Tripura envoys on c. July 24, 1711 A.D., * at his new capital Rangpur amidst the pomp and ceremony usual on such occasions. The Swargadeo assured the Tripura envoys of his friendship for their Raja. On c. October 19, 1711, letters from the King and the Barbarua were made over to Rameswar and Udaynarayan for being delivered to the Tripura Raja. Ratna Kandali and Arjun Das who were to lead the second mission to

* The abbreviation *c.*, for Lat. *circa*, about, before an English date implies that it is only an *approximate* equivalent of the Hindu date mentioned in the text. Anyway, the difference, if any, from the *actual* date in A.D., will not be more than two or three days at the highest.

Digitized by Panjab Digital Library | www.panjabdigilib.org

Tripura were entrusted with a secret letter from the Swargadeo soliciting the Raja's co-operation, if he deemed it expedient, to counteract the hostile attempts of the Moguls against 'the religion of the Vedas' of which King Rudra Singha had received reports. The Tripura Raja was requested to inform the Swargadeo what assistance he could render in consultation with influential persons whose confidence and friendship the Raja enjoyed.

The Tripura envoys stayed on for some time at Rangpur to witness the celebrations of the Durga Puja. On the *Ashtami* day Rameswar Nyayalankar was invited to engage in a dialectical contest with the Assamese Pundit Jaygopal. King Rudra Singha, however, interposed and ended the discussions on the ground that Rameswar had come to Assam as a diplomatic agent and not as a Pundit or a Brahman.

In November 1711 the Tripura envoys departed from the Ahom capital in the company of Ratna Kandali and Arjun Das. The Assamese agents were furnished with *paiks* from the allotments of the three Gohains to accompany them in their mission to Tripura, 18 for Ratna Kandali and 16 for Arjun Das. The party proceeded by boat from Namdang to Raha and then to Demera wherefrom they went by land to Khaspur, the capital of Cachar. From Khaspur they proceeded to the capital of Tripura and passed through the following mountainous tracts,—Rangrung, Toijalpara, Kumjang, Sairangchuk, Deogang, Chota Marichrai, Bar Marichrai and Khakrai. From Khakrai the envoys went on horseback to the capital which they reached on c. March 31, 1712. During the course of their journey the Assamese envoys

Digitized by Panjab Digital Library | www.panjabdigilib.org

noted the commercial products and the manners and customs of the inhabitants of the territories through which they passed. The Rangrung hills were inhabited by the Kukis, and their markets were frequented by Kacharis, Manipuris and Tripurians.

On c. April 15, 1712, the Assamese envoys were formally received by the Tripura Raja Ratna Manikya. Before going to the Raja's Durbar the envoys instructed two of their camp-followers to follow them to the court in disguise and note the resources of the state and the disposition of the forces. The information collected by the two 'spies' together with the observations of the two Katakis has been embodied in the latter's description of the Tripura state.

On the night of c. April 18, Ratna Kandali and Arjun Das were summoned to a private audience with the Raja where they delivered the secret letter of King Rudra Singha. The Dewan enquired of the circumstances of Mir Jumla's invasion of Assam, and the envoys gave a brief résumé of Assam's conflicts with the Moguls from the invasion of Mir Jumla in 1662 to the expulsion of Nawab Mansur Khan from Gauhati by Rudra Singha's father Gadadhar Singha in 1682, attributing the occasional reverses suffered by Assam to the delinquency and treachery of its officers and commanders. During their stay at the Tripura capital the Assamese envoys and their camp-followers were admitted to the celebrations and festivities connected with the worship of Madan or Eros.

In the meantime Ghanasyam Barthakur, step-brother of Raja Ratna Manikya, had been conspiring with a Mogul, named Murad Beg, to seize the throne

Digitized by Panjab Digital Library | www.panjabdigilib.org

of Tripura. Ratna Manikya had married the sister of one Kavisekhar Narayan who was appointed Dewan. The Raja's sister was married to Rajadurlabh Narayan who was made Kotwal-musib and honoured with high distinctions. Ghanasyam Barthakur resented the elevation of his two brothers-in-law. His vengeance was first directed against Kavisekhar who had questioned the legitimacy of the Barthakur. Ghanasyam killed Kavisekhar while the latter was engaged in prayer at the alter of Chandi. He then manoeuvred the support of Murad Beg by working upon that Mogul's indignation provoked by Raja Ratna Manikya's secret advances to his married sister. Murad Beg was despatched to Dacca to recruit men to support the cause of Ghanasyam, who then proceeded to superintend the annual elephant-catching operations at Khandal Pargana, being accompanied this time by more men than usual. Raja Ratna Manikya who had implicit faith in Ghanasyam would not believe in the reports of his brother's designs. In the meantime Murad Beg contrived the despatch of a Mogul officer from Dacca, named Mamud Sapi, to demand the tribute of elephants to be delivered by the Tripura Raja to the Nawab of Bengal. In the beginning of May 1712, Ghanasyam marched with the combined forces towards the Tripura capital on the pretext of bringing about a reconciliation between Ratna Manikya and Murad Beg. Durjoy Singha Juvaraj and Rajadurlabh Narayan Kotwal-musib who had been sent by the Raja, against their own wishes, to negotiate with Murad Beg, were confined by Ghanasyam. Durjoy Singha escaped by offering 10,000 rupees to Mamud Sapi, and narrated the proceedings to Ratna

Digitized by Panjab Digital Library | www.panjabdigilib.org

Manikya who still refused to credit the reports about Ghanasyam's hostile manoeuvres. The Raja proceeded to the audience-chamber, and sat on the throne waiting for the arrival of Ghanasyam. The latter proceeded with his followers to the Raja's palace, and planted his standard in front of the throne-room. Ratna Manikya was forcibly removed from the throne and conducted to the inner apartments of the palace. Ghanasyam then sat on the throne and assumed the name Mahendra Manikya. This event took place on Monday c. May 10, 1712.

Rajadurlabh Narayan Kotwal-musib who had married the Raja's sister was executed by Mahendra Manikya. His wife ascended the funeral pyre of her husband with the permission of the new Raja. Ratna Manikya was killed soon after. His body was conveyed to the bank of the Gomti river for cremation. His principal consort was borne on her husband's hearse, and the other wives accompanied the procession in separate litters. All the wives of Ratna Manikya immolated themselves with their husband, permission being given for that act by their mother-in-law.* Mahendra Manikya atoned for his atrocities and murders by elaborate offerings and gifts to Brahmans.

On c. July 24, 1712, the new Raja formally received the Assamese envoys. They were given final dismission from the Tripura court on c. January 18, 1713; and an envoy named Aribhim Narayan was sent with them with letters and presents to the

* Ratna Manikya had 125 wives, *vide* K. C. Singha's *Rājamālā*, p. 99.

Digitized by Panjab Digital Library | www.panjabdigilib.org

Swargadeo and the Barbarua. The party reached Rangpur on c. August 27, 1713. The second mission to Tripura thus covered a period of 21 months.

The Tripura envoy Aribhim Narayan was received by Surath Singha Barbarua on c. October 26, 1713, and by King Rudra Singha on c. December 20, 1713. Mahendra Manikya in his letter to the Ahom monarch and in the oral message delivered by his representative expressed his intention to strengthen his friendship with the Swargadeo. The Tripura envoy was given leave on c. April 7, 1714, when he was furnished with letters and presents to Mahendra Manikya.

King Rudra Singha then proceeded with his army to Sonari Noi at a distance of 18 miles from Rangpur. He was accompained to that place by Aribhim Narayan, Ratna Kandali and Arjun Das. On c. April 13, 1714, the Assamese envoys left Sonari Noi on their third mission to Tripura.

A few days after, King Rudra Singha left Sonari Noi with his army and proceeded to Gauhati. He was joined there by the vassal chieftains and the Rajas of Jayantia and Cachar with their quotas of soldiers. The strength of the army which assembled at Gauhati under the banner of King Rudra Singha came up to 400,000 of whom 16, 000 were sent back as being inefficient for the expedition. An advance division was sent down to Kandahar Chokey to erect encampments for the armies of the Swargadeo and the princes on the banks of the Manaha river. The whole expedition was to march into Bengal in November 1714 after the autumn harvest which would provide an abundant supply for the army.

Digitized by Panjab Digital Library | www.panjabdigilib.org

But King Rudra Singha died at Gauhati on c. August 27, 1714. His son and successor Swargadeo Siva Singha was not competent to prosecute the ambitious enterprise of his father.

The Assamese envoys continued their journey to Tipperah without knowing of the demise of King Rudra Singha They reached the Tripura capital on c. January 6, 1715. In the meantime Mahendra Manikya had died after a rule of fourteen months, and was succeeded by Durjoy Singha Juvaraj who assumed the name Dharma Manikya. The Assamese envoys were received by the new Raja on c. May 13, 1715, and were given final dismission from the court on c. May 31, 1715, with letters and presents to King Rudra Singha and Surath Singha Barbarua conveying general assurances of friendship. No envoy was sent this time from Tripura. The Assamese Katakis returned to Gargaon, the old Ahom capital, in August 1715, a year after the death of Rudra Singha. The chronicle ends with the return to Gargaon of the third Assam mission to Tripura.

In addition to the account of the three diplomatic missions we find in this book incidental descriptions of places, ceremonies and customs noticed by the two author-ambassadors. They have supplied the background for every event coming within their observation. In describing the object of the mission to Tripura the authors have outlined Rudra Singha's foreign policy which led that monarch to cultivate the good-will of the inhabitants and the Rajas of Bengal. The Ahom sovereign's Durbar where the Tripura envoys were received has been described in very vivid and colourful language. The future

Digitized by Panjab Digital Library | www.panjabdigilib.org

producers of plays and films will have to turn to this account for an accurate picture of the Ahom court. The Durbar of the Tripura Raja has received similar treatment from the pen of the chroniclers, to which they have added an account of the different state functionaries. The festivities connected with the Durga Puja at Rangpur and the Madan Puja at Tripura have been described at length. The authors have also left us an account of the shrines and forts of the Tripura capital as well as of the residences of the principal nobles, pointing out in many instances the similarities with the corresponding ones at Rangpur.

In Babu Kailash Chandra Singha's *Rājamālā* the three Tripura Rajas, Ratna Manikya, Mahendra Manikya and Dharma Manikya, have been dismissed in four pages. The future historian of Tripura will have to turn to this Assamese chronicle not only for the account of the revolution of 1712 but also for the earlier history of the state from the time when its rulers were designated as *Phā* which title was changed afterwords into *Mānikya*. The inhabitants of Tripura will read with interest the description of the immolation of the wives of Champak Roy Juvaraj, Raja Durlabh Narayan Kotwal-musib and Maharaja Ratna Manikya. It can be predicted that poems and dramas will be written with the help of the materials available in this Assamese chronicle.

The language of the book is simple, racy and dignified. The narratives are well arranged. The description of every new situation or event is preceded by a few explanatory sentences, making it possible for the uninitiated reader to follow the trend of the narrative. In the description of the products and

Digitized by Panjab Digital Library | www.panjabdigilib.org

customs of the countries beyond the borders of Assam the authors have introduced a large proportion of foreign words which will be a fruitful field of study for the future Assamese lexicographer. On the whole *Tripura Buranji* constitutes a distinct landmark in the history of Assamese prose and Assamese historical literature with regard both to its contents and expression, occupying a position far above the average *Buranji.*

The most striking fact about the book is that its authors considered it their duty, either of their own accord or on the instructions of their Government, to supplement their account of the diplomatic missions entrusted to them, by their observations on the resources, customs, topography and history of the country which they visited and of the territories through which they had passed. Such a compilation was expected to extend the bounds of the knowledge of their countrymen and facilitate the prosecution of similar missions in future. It is noteworthy that so early as the beginning of the Eighteenth Century the Assamese had realised the necessity and the value of such political literature.

My thanks are due to Dr. L. D. Barnett, C.B., M.A., Litt. D., for arranging the preparation of the photostat copy of the original mnuscript of the *Tripura Buranji* ; to Srijuts Basudeb Misra, B.L., and Madhabchandra Barooah of the staff of the Department of Historical and Antiquarian Studies, Assam, for assistance in the preparation of the presscopy and the reading of the proofs ; to Pundit Taranath Chakravarty Kavyavinod for preparing the

Digitized by Panjab Digital Library | www.panjabdigilib.org

texts of the ten Sanskrit epistles ; and to Mr. S. K. Dutta, B.A., B.Sc. Econ. (London), Barrister-at-Law, Honorary Assistant Director of the D.H.A.S., for seeing the book through the press.

School of Oriental Studies,
LONDON.
December 25, 1937.

S. K. Bhuyan.

Digitized by Panjab Digital Library | www.panjabdigilib.org

Digitized by Panjab Digital Library | www.panjabdigilib.org

ত্রিপুৰা বুৰঞ্জী।

১ম আধ্যা।

মোগলৰ বিৰুদ্ধে স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ ৰণোদ্যম।

৺শ্ৰীকৃষ্ণায় নমঃ॥ ৰত্নকন্দলী, অৰ্জ্জুন এই দুই কটকীএ লেখা ই ত্ৰিপুৰা দেশৰ কথা। ৰুদ্ৰসিংহ মহাৰাজাদেৱতাএ জয়ন্তা কছাৰী দুই দেশক মাৰি পাচে বঙ্গালৰ দেশক মাৰিবলৈ উদ্যম কৰিলে। পাচে তাৰ দেশৰ মৌৰঙ্গৰ ৰাজা, বনবিষ্ণুপুৰৰ ৰাজা, নদিয়াৰ ৰাজা, বেহাৰৰ ৰাজা, বৰ্দ্ধমানৰ কীৰ্ত্তিচন্দ্ৰ জমীদাৰ, বৰনগৰৰ উদয়নাৰাণ জমীদাৰ এইসকলৰ ঠাইক বৰফুকনৰ নামে মানুহ পঠাই, সিহঁতৰো মানুহ অনাই, বৰফুকনে মহাৰাজাত জনোৱাৰূপ কৰি সিহঁতৰ মানুহক মহাৰাজাৰ ঠাইক অনাই সেই ৰাজা জমীদাৰ সকললৈ বঁটা প্ৰসাদ দি হিতে প্ৰীতিপূৰ্ব্বক পত্ৰ দি আমাৰ মানুষ সঙ্গত দি সিহঁতক পঠাই দিলে। এই ক্ৰমে মনুষ্য গতায়াত কৰাই সেইসকলক বশ কৰি লৈ পাচে সেইসকললৈ কৈ পঠালে, বোলে,—"আমি হিন্দুধৰ্ম্মস্থ ৰাজাসকল বিদ্যমানে থাকিতে যৱনে ধৰ্ম্ম নষ্ট কৰে। এই কাৰণে সকলো একবাক্য হয়া যৱনক নিগ্ৰহ কৰি ধৰ্ম্ম ৰক্ষা কৰিলে যিখান হয় তাহাক তেম্ৰা জ্ঞাত আছে।" এইৰূপে সকলৰো ঠাইক মানুষ পঠাই জনালে। সিহঁতেও অনুমোদন কৰিলে।

Digitized by Panjab Digital Library | www.panjabdigilib.org

পাচে ৰুদ্ৰসিংহ মহাৰাজা আপোনাৰ দেশৰ কাঁড়, ধনু, বাৰু, তৰোৱাল, হিলৈ, গুলী, খাৰ, নাও এইসকল, ভণ্ডাৰত যি আছিল তাকো বিচাৰ কৰি বুজিলে আৰু অধিকাধিকৰূপেও কৰালে, আৰু লোকজনৰ সুখ দুখ বিচাৰ কৰি মূল দোৱাল দুয়ো পলীয়া মানুহৰ হতোৱাএ কাঁড়, ধনু, হিলৈ মৰাই শিখালে। হাতীকো চঁক ভঙ্গাই সধাইছিলে, ঘোঁৰাতো চিপাহী শিখালে। এইৰূপে সকলকো চেষ্টা কৰিলে। লোকে বঙ্গাল মাৰিবলৈ চেষ্টা কৰে বুলি নাজানে।

এনেতে আৰ বিদেশী পণ্ডিত ব্ৰাহ্মণ, বৈদ্য, গুণী-গায়ন, কাৰিকৰ, ছাহা মহাজনৰো মানুষ অনাই সকলকো অনেকৰূপে দ্ৰব্য সামগ্ৰী দি সন্তোষ কৰি পঠাই দিছিলে। আৰু প্ৰধান পণ্ডিত ব্ৰাহ্মণ যিসকল নাহিছিলে সেইসকললৈকো ৰূপ, সুবৰ্ণ দি পঠাইছিলে। সেইসকলেও সেই স্থানতে থাকি মহাৰাজাক আশীৰ্ব্বাদ কৰিছিলে। এইৰূপে দিয়া-থোৱা গুণতে সিদেশতো মহাৰাজাৰ বৰৰূপে যশ প্ৰতিষ্ঠা হ'ল। পাচে সেই দেশৰ লোকসকল প্ৰাপ্তি আশাত থাকি গতায়াত কৰিব ধৰিলে। সেইসকলকো সন্তোষ কৰি পঠাই দিছিলে।

পাচে এইৰূপ মহাৰাজাৰ যশস্যা শুনি আনন্দিৰাম মেধি আহিল। পাচে মহাৰাজা সিহঁতক ভটীয়াপাৰৰ পুখুৰীপাৰত বাসা কৰাই দিয়ালে। সিধা-পত্ৰো নিয়ম কৰি দিছিলে। পাচে মহাৰাজা ৰঙ্গপুৰৰ ফাগু-যাত্ৰাৰ দৌলৰ কাখৰৰ চ'ৰাত সিহঁতক সম্ভাষা কৰিলে। সিহঁতেও মহাৰাজাক আশীৰ্ব্বাদ কৰিলে। ভেঁটী-ঘাঁটি যি আনিছিলে তাকো ভেঁটিলে। পাচে মহাৰাজা আজ্ঞা কৰিলে, কটকীবোৰে থঙ্গা পাৰি দিলে, তাতে আনন্দিৰাম মেধি বহিল। পাচে মহাৰাজাৰ আগত সিহঁতে ছংকীৰ্ত্তনৰ মতে গীত গাইছিলে, বেণু বাদ্য কৰিছিলে, মুকুলী হাতত লৈ নৃত্যো কৰিছিলে। এইৰূপে সেই দিন কৌতুক চাই বাসাক পঠাই দিলে। পাচে ছংকীৰ্ত্তনৰ গীত শিখিবলৈ আমাৰ এখেৰ গায়ন দিছিলে।

Digitized by Panjab Digital Library | www.panjabdigilib.org

আৰু আগে মহাৰাজাৰ পিতৃ গদাধৰসিংহ মহাৰাজাৰ গয়া কৰিবলৈ তৰ্কবাগীশ ভট্টাচাৰ্য্যক পঠাইছিলে। পাচে ভট্টাচাৰ্য্যে গয়া কৰি আহোঁতে ঢকাত সুবংশৰাইক মিলি আহিল। পাচে মহাৰাজা ৰত্নকন্দলীক ভট্টাচাৰ্য্যৰ গালৈ পঠাই দিলে। পাচে ৰঙ্গামাটিৰ পৰা ভট্টাচাৰ্য্যে ৰত্নকন্দলীক সুবংশৰাইৰ ঠাইক পঠাই দিলে, বোলে,—"গুণী-গায়ন যি দিব পাৰে তাক আনিবা।" পাচে ৰত্নকন্দলী গ'লত সুবংশৰায়ে বুলিলে, বোলে,—"ৰুদ্ৰসিংহ মহাৰাজাএ শুনিছোঁ জয়ন্তা কছাৰী মাৰি বশ কৰি লৈছে। ত্ৰিপুৰাৰ ৰাজা বৰ ৰাজা, তায়ৰ সহিত প্ৰীতি কৰি বশ কৰি ললে অনেক কাৰ্য্যত পাব।" পাচে সেই কথা মহাৰাজাত ৰত্নকন্দলী আহি জনালে। সেই কথা মহাৰাজাৰ মনত আছিল।

২য় অধ্যা।

অসম-ত্ৰিপুৰাৰ প্ৰীতি-সংস্থাপক আনন্দিৰাম মেধি।

পাচে আনন্দিৰাম মেধিলৈ সোধালে, বোলে,—"ত্ৰিপুৰাৰ ৰাজা সহিত তেওঁৰ প্ৰীতি আছে নাই?" আনন্দিৰাম মেধিয়ে কলে, বোলে,—"ত্ৰিপুৰাৰ ৰাজা ৰত্নমাণিকৰ ঠাইক আমি গৈছিলোঁ। আমিএ সহিতে বৰ প্ৰীতি আছে।" পাচে মহাৰাজা বুলি পঠালে, বোলে,—"মেধিৰ যদি ত্ৰিপুৰা ৰাজা সহিত প্ৰীতি আছে আমি নপচাৰূপে চেষ্টা কৰি উকীল-পত্ৰ দি ত্ৰিপুৰা ৰাজা সহিত প্ৰীতি কৰাব।" পাচে মেধিয়ে জনাই পঠালে, বোলে,—"মহাৰাজাৰ মনুষ্য আমাৰ সঙ্গে দিব, সেই মনুষ্য সহিতে গৃহলৈ গৈ আমি পত্ৰ লিখি পঠাব ত্ৰিপুৰা ৰাজাৰ ঠাইক। যদি স্বৰ্গদেৱ মহাৰাজা সহিতে প্ৰীতি কৰিবাৰ ইছা আছে, তেবে সেই মনুষ্যে সহিতে আমি ত্ৰিপুৰা ৰাজাৰ ঠাইক গৈ চেষ্টা কৰি

Digitized by Panjab Digital Library | www.panjabdigilib.org

উকীল-পত্র দি প্রীতি কৰোৱা যাব।" পাচে মেধিক বিদায় দিওঁতে দিলে,—হাতী এটা, সোণৰ খাৰু, টাৰ, কর্ণফুলা, টেমী, ৰূপৰ কাঁহী, তাওকিন্, বাটি, বটা। আত বাজে সোণ, ৰূপ, বস্ত্র বহুতৰূপে দি সন্তোষ কৰিলে। পাচে ৰত্নকন্দলী, অর্জ্জুনক সঙ্গে দি বিদায় দিলে।

পাচে মেধি গৃহলৈ গৈ ত্রিপুৰা ৰাজাৰ ঠাইক মনুষ্য পঠাই সমাচাৰ জনালে। পাচে ৰাজাএ এই কথা শুনি দুটা ভাল মনুষ্য পঠাই দিলে, বোলে,—"আনন্দিৰাম মেধিক শীঘ্রে আনগৈ।" পাচে সেই মানুহে মেধিক নিলেহি, আমাকো লগতে নিলে। পাচে মেধি ৰাজাৰ নগৰ পালত বাসাগৃহ দিয়ালে। বঙ্গালী ধাৰাণে সিদ্ধা দিয়ালে। পাচে আমি কলোঁ, বোলো,—"বৰবৰুৱা নবাবে গঙ্গাজল নিবলৈ বুলি পঠাইছে হেন কৰি কবা। মহাৰাজায়ে পাঁচিছে বুলি নকবা।" পাচে মেধিয়ে ৰাজাক মিলি ৰুদ্রসিংহ মহাৰাজাৰ গুণ-কীর্ত্তি আমি যিৰূপে কব দিলোঁ সেইৰূপে কলে; আৰু কলে, বোলে,—"স্বর্গদেৱ মহাৰাজাৰ সহিত প্রীতি কৰিলে মহাৰাজাৰ অনেক কার্য্যলৈ সুচাৰ হয়।" পাচে ৰত্নমাণিক্য ৰাজাএ মহাৰাজাৰ গুণ-কীর্ত্তি শুনি প্রীতি কৰিবলৈ ইছা কৰি বুলিলে, বোলে,—"তাঞিৰ দেশলৈ আমাৰ লোক কোনো দিন গতায়াত কৰা নাই, এখন কিৰূপে যাব?" পাচে মেধিয়ে বুলিলে, বোলে,—"বৰবৰুৱা নবাবে গঙ্গাজল নিবলৈ দুইজন ভাল মনুষ্য পঠাইছে। যদি মহাৰাজা ইছা কৰে তাহাৰ সঙ্গে উকীল পঠাইতে পাৰি।" পাচে ৰাজাএ মেধিক বুলিলে, বোলে,—"সেই মানুহ আমাৰ ঠাইত মিলাবা।" পাচে মেধিক বাসাক পঠাই দিলে।

Digitized by Panjab Digital Library | www.panjabdigilib.org

৩য় আধ্যা।

ত্রিপুৰা ৰজাৰ আগত অসমৰ কটকী।

পাচে মেধিয়ে আমাক নি ৰাজাত মিলালে। পাচে ৰাজাএ দেৱানৰ দ্বাৰে আমাত সোধালে, বোলে,—"তেম্রা কি কার্য্যে আসিছে?" আমি কহিলোঁ, বোলে,—"বৰবৰুৱা নবাবে গঙ্গাজল নিবলৈ পঠাইছে।" পাচে দেৱানে বুলিলে, বোলে,—"স্বৰ্গীৰাজা সহিত আমাৰ মহাৰাজাৰ প্ৰীতি কৰিবাৰ ইছা হৈছে। উকীল-পত্ৰ পঠালে তোমোৰা নিতে পাৰিবা নোৱাৰিবা?" পাচে কহিলোঁ, বোলে,—"অনেক ৰাজাসকলে স্বৰ্গীদেৱ মহাৰাজা সহিত প্ৰীতিক বাঞ্ছা কৰি বৰবৰুৱা নবাবৰ ঠাইক মনুষ্য পঠায়। পাচে বৰবৰুৱা নবাবে মহাৰাজাত জনাই প্ৰীতি কৰায়। এখন তোমাৰ দিকিৰ সেইৰূপ ইছা থাকিলে বৰবৰুৱা নবাবত আমি জনাইতে পাৰি।" পাচে মেধিয়ে সহিত আমাক বাসালৈ পাঠাই দিলে। পাচে ৰত্নকন্দলী, অৰ্জ্জুন এই দুইকো সিদ্ধা দিয়ালে। পাচে ৰাজাএ বৰবৰুৱাৰ নাম সুধি পঠালে। আমাৰ ৰত্নকন্দলী, অৰ্জ্জুনে কৈ পঠালে, বোলে,——"আমাৰ বৰবৰুৱা নাবাবৰ সুৰতসিংহ নাম।" পাচে ৰুদ্ৰসিংহ মহাৰাজাৰ নামে প্ৰীতিপূৰ্ব্বক পত্ৰ লিখিলে। বৰবৰুৱাৰ নামেও পত্ৰ লিখিলে। উকীল পঠাবলৈকো নিশ্চয় কৰিলে।

পাচে আনন্দিৰাম মেধিয়ে আমাৰ ৰত্নকন্দলীকে, অৰ্জ্জুনকে ৰাজাৰ আজ্ঞাএ ঘনশ্যাম বৰঠাকুৰৰ ঠাইক নিয়ালে। পাচে বৰঠাকুৰে বুলিলে, বোলে,—"ৰত্নকন্দলী, অৰ্জ্জুনদাস, তোম্রা বৰবৰুৱা নাবাবৰ ঠাইত কহিবা, পূৰ্ব্বাপৰে আমাৰ স্বৰ্গীমহাৰাজা সহিতে প্ৰীতি অপ্ৰীতি কিছো নাইকিছিলে। এখন আমাৰ মহাৰাজাএ স্বৰ্গীমহাৰাজাএ সহিতে প্ৰীতিক মন কৰি সন্দেশ-পত্ৰ সহিতে উকীল পঠাবলৈ ইছা কৰিছে। যিৰূপে প্ৰীতিগোট সৈষ্ঠব হয় তাহাকে কৰিব।" আৰু বুলিলে, বোলে,—

Digitized by Panjab Digital Library | www.panjabdigilib.org

"সকলো কাৰ্য্য মন্ত্ৰীৰ দ্বাৰাএ হয়। তেম্ৰা স্বৰ্গীৰাজাৰ মন্ত্ৰী সৰ্ব্বৰূপে বিজ্ঞ, যেখান যোগ্য হয় তাহাকে কৰিব।" পাচে ৰত্নকন্দলী, অৰ্জ্জুন এই দুএ বুলিলে, বোলে,—"ঠাকুৰ চাহেবে আমাক যিৰূপ আজ্ঞা কৰিছে, সেইৰূপে আমি বৰবৰুৱা নবাবৰ ঠাইত বিজ্ঞাপন কৰিম।" পাচে পাণ-গুৱা দি বাসাক পঠাই দিলে।

পাচে মেধিএ সহিতে ৰত্নকন্দলীকে, অৰ্জ্জুনকে ৰাজাৰ সভালৈ নিয়াই ৰামেশ্বৰ ন্যায়-অলঙ্কাৰ ভট্টাচাৰ্য্যক, উদয়নাৰায়ণক অনাই হাদিৰ কৰি ৰাজাৰ আজ্ঞাএৰে ঘনশ্যাম বৰঠাকুৰে বুলিলে, বোলে,—"ৰত্নকন্দলী, অৰ্জ্জুনদাস, আমাৰ মহাৰাজাএ স্বৰ্গীমহাৰাজাএ সহিতে প্ৰীতিক ইছা কৰি ৰামেশ্বৰ ন্যায়-অলঙ্কাৰ, উদয়নাৰায়ণ এই দুইক পত্ৰ-সন্দেশ সমেতে তোম্ৰাৰ সঙ্গে দিছে। এই পত্ৰ-সন্দেশ সহিতে আমাৰ উকীলক তোম্ৰা বৰবৰুৱা নবাবৰ ঠাইত মিলাবা, আৰু স্বৰ্গীমহাৰাজাৰ ঠাইলৈকো পত্ৰ-সন্দেশ দিয়া গৈছে, এই পত্ৰ-সন্দেশ সমেতে বৰবৰুৱা নবাবে আমাৰ উকীলক স্বৰ্গীমহাৰাজাৰ ঠাইত মিলাব, যেমনে পূৰ্ব্বাপৰ অবিৰোধপূৰ্ব্বকে প্ৰীতিগোট বৃদ্ধি হয় তাহাকে কৰিব।" পাচে ৰত্নকন্দলী, অৰ্জ্জুন এই দুএ বুলিলে, বোলে—"ভাল, মহাৰাজে যিখান আমাক আজ্ঞা কৰিছে তাহাক বৰবৰুৱা নবাবৰ ঠাইত জ্ঞাত কৰিম।" পাচে ৰাজা আমাৰ ৰত্নকন্দলীকে, অৰ্জ্জুনকে আতলঞ্চৰ জামা, সোণাৱলী ছিৰা, ৰূপৰ জালৰ দিয়া পাটৰ পটুকা এই কাপৰেৰে বঁটা দিলে, আৰু দুইক ৰূপ ৪০ টকা দিলে। পাণ-গুৱা, ফুল-চন্দন দি বিদাই দিলে। পাচে কছাৰীৰ দেশেদি উকীল যাব লাগে জানি সিহঁতৰ উকীলৰ হাতত কছাৰী ৰজালৈ পত্ৰ-সন্দেশ দিলে। কছাৰী ৰজালৈ দিয়া সন্দেশৰ লেখা,—বাখৰপতা দুগদুগী ১খান, কিমখাপ ১খান, এইৰূপে দিলে।

পাচে ১৬৩২ শকৰ আষাঢ়ত ত্ৰিপুৰা ৰাজা ৰত্নকন্দলী, অৰ্জ্জুনৰ সঙ্গে উকীল দি পঠাই দিলে। পাচে ৰত্নকন্দলী, অৰ্জ্জুন সেই উকীলে

Digitized by Panjab Digital Library | www.panjabdigilib.org

সহিতে ত্রিপুৰা ৰাজাৰ নগৰৰ পৰা ৮ দিনৰ পথ আহি কৌলাসৰ পৰঙ্গনাত বৰ্ষা কালত সঙ্গৰ মনুষ্য নপৰিয়া পৰিলত তাতে ৪ মাহ ৰহিছিল। পাচে ত'ৰ পৰা আহি কছাৰী ৰজাৰ নগৰ খাছপুৰ পালেহি। পাচে কছাৰী ৰজায়ে ত্রিপুৰা ৰাজাৰ দুই উকীলক তুলিলে, পত্র-সন্দেশকো দিলে। পূৰ্ব্বে ত্রিপুৰা ৰাজা কছাৰী ৰজালৈ পত্র লেখোতে পত্রত ত্রিপুৰা ৰাজাৰ নাম নিলিখিলে, বোলে,—"আমাৰ তলত কাছাৰী ৰাজাৰ নাম লেখিলে সি বা কোনোৰূপে অপৰিতোষক পাই, আমাৰ নামো কছাৰী ৰজাৰ তল কৰি লেখিলে ইয়ো অযোগ্য।" এই কাৰণে নেলেখিলে। "পত্রত আমাৰ নামে মোহৰ দিয়া যাব, সেএ আমাৰ পত্র হেন বুজাব।" পাচে কছাৰী ৰজাৰ আগত সেই পত্র পঢ়িলত সুধিলে, বোলে,—"পত্রত দেখোঁ ত্রিপুৰা ৰাজাৰ নাম নাই, কাৰ পত্র হেন বুলি বুজা যাব?" পাচে ত্রিপুৰা ৰাজাৰ দুই উকীলে বুলিলে, বোলে,—"আমাৰ মহাৰাজাৰ নামে পত্রতে মোহৰ আছে, সেয়ে বুজাইছে। যিঠাইত ৰাজাৰ নাম পত্রত নেলেখে সিঠাইত এনেৰূপ ব্যৱহাৰো আছে।" পাচে বাসাক বিদায় দিলে, সিধা-পত্রো দিলে।

৪ৰ্থ আধ্যা।

অসমত ত্রিপুৰাৰ কটকী।

পাচে কছাৰী ৰজাৰ দেশৰ পৰা আহি ৰহা পালেহি। তাতে ৰহাৰ চকীয়ালে বহা কৰি দিলে, ৰোজবাজো দিলে। তাৰ পৰা সলাল বৰগোহাঁইৰ ভাগৰ মানুহে মহাৰাজাৰ আজ্ঞাএ নাও-মানুহ দি অনালে। কলীয়াবৰত সলালৰ মানুহে বহা কৰি দিলে, ৰোজো দিলে। খাৰৈত মৰঙ্গিয়ালে বহা কৰি দিলে ৰোজো দিলে। দঙ্গাত

Digitized by Panjab Digital Library | www.panjabdigilib.org

দৈয়ঙ্গীয়াএ বহা কৰি দিলে, ৰোজো দিলে। সেইবাৰ মহাৰাজা গজপুৰলৈ গৈছিলে, ত'তে আহি লগ পালে। ত'তে বৰবৰুৱাএ বহা কৰাই দিলে। ৩ জনা গোহাঁইৰ মানুহে, ফুকন ডাগিৰ মানুহে ৰোজ দিছিলে। পাচে মহাৰাজা ৰঙ্গপুৰলৈ আহিল। উকীলকো অনাই ভটীয়াপাৰত ঘৰ কৰি দিয়ালে। ৰোজো সেই মানুহে দিছিলে।

১৬৩৩ শকৰ আহাৰত সন্দিকাই বৰফুকনৰ পুতেক বৰবৰুৱাএ মহাৰাজাৰ আজ্ঞাএ দুই উকীললৈ জীনেৰে দুই ঘোঁৰা, আমাৰ ৰত্নকন্দলী, অৰ্জ্জুন এই দুইলৈকো দুই ঘোঁৰা, এইৰূপে ৪টা ঘোঁৰা দি অনাই প্ৰাৰম্ভ কৰি তুলিলে। পাচে বৰবৰুৱাএ সুধিলে, বোলে,—"ৰামেশ্বৰ ন্যায়-অলঙ্কাৰ ভট্টাচাৰ্য্য, উদয়নাৰাণ বিশ্বাস, তহঁত যেখন আহ তেখন ৰত্নমাণিক ৰাজা কুশলে আছে?" উকীলে বুলিলে, বোলে,—"স্বৰ্গৰদেৱ, আমি যেখন আহোঁ তেখন আমাৰ মহাৰাজা কুশলে আছে।" পাচে বৰবৰুৱাএ বুলিলে, বোলে,—"ৰাজা যে ৰাজ্যে সহিতে কুশলে থাকিব আমাৰো এইগোটহে ইছা।"

পাচে মজুন্দাৰে পত্ৰ পঢ়িলে। পত্ৰত থকা গদ্য,—

স্বস্তি সকলগুণচয়-সমুদ্যোতিত-কলেবৰ নানা-দান-প্ৰমোদীকৃত-মাৰ্গাগণন-প্ৰতাপ-তপন-বিগলিত-ৰিপুনিকৰান্ধকাৰ-শ্ৰীযুত-সুৰতসিংহ বৰুৱা-বিমলশীলেষু। প্ৰেমসম্পাদকো লেখবৃত্তান্তএষঃ। শ্ৰীৰত্নকন্দলী, শ্ৰীঅৰ্জ্জুনদাস-প্ৰমুখ্যাৎ ত্বদীয়াং সৰ্ব্বাম্বৃত্তিম্বিজ্ঞায় পৰমানন্দযুতোহং। অতএব ভবদধিপং সমীড়ে, পত্ৰী প্ৰহীয়তে সভ্যাবাপ্তাবপি দ্বৌ, কিম্বহুনা তদুক্তিবশতঃ সৰ্ব্বম্বিজ্ঞাতব্যমিতি। যুগৰামৰ্ত্তু-শীতাংশুগণিতে শক-বৎসৰে। পঞ্চম্যাং ধৱলে পক্ষে পত্ৰীচৈষা প্ৰহীয়তে॥ এই পত্ৰ লেখিছিলে।

পাচে বৰবৰুৱাএ বুলিলে, বোলে,—"ৰামেশ্বৰ ন্যায়-অলঙ্কাৰ ভট্টাচাৰ্য্য, উদয়নাৰাণ, ৰাজা ৰত্নমাণিকে পত্ৰত যিখান লেখি আহিছে তাহাক শুনা গ'ল, বচনে কোনখান কৈ আহিছে?" পাচে উকীলে

Digitized by Panjab Digital Library | www.panjabdigilib.org

বুলিলে, বোলে,—"স্বৰ্গদেৱ, পত্ৰত যেই বচনেও সেইসে।" পাচে কাঁহীএৰে গুৱা-পাণ দিলে, কাঁহৰ খুৰীএৰে চন্দন দিলে, কাঁহীএৰে ফুলৰ মালা দিলে। পাচে বৰবৰুৱাএ বুলিলে, বোলে,—"ৰামেশ্বৰ ন্যায়-অলঙ্কাৰ ভট্টাচাৰ্য্য, উদয়নাৰাণ, তহঁতে এখন বাসাত জিৰাই থাকগৈ। মঞো তিনিজনা ডাঙ্গৰীয়াএ সহিতে সমালোচন কৰি স্বৰ্গ-মহাৰাজাৰ চৰণত জনাওঁ। যদি তহঁতৰ ভাগ্য আছে কিবা মহাৰাজাৰ চৰণকো দৰ্শন হবলৈ পাৱ।" পাচে সিহঁত বাসালৈ গ'ল।

৫ম আধ্যা।

স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ সভাত ত্ৰিপুৰা কটকী।

পাচে শ্ৰাৱণৰ ১০দিন আছোঁতে মহাৰাজা উকীলক তুলিবলৈ উদ্যম কৰিলে। সেই কালত ৰংপুৰত মহাৰাজাৰ সকলো ঘৰ ইটাৰ। পাচে বৰচ'ৰাৰ খুঁটা, চ'তি, ডাঙ্গ এইসকলতো মখ্‌মল, কিৰ্ম্মিজি, নৰাকাপৰ, ৰঘুনাৰাণি আতলঞ্চ এইসকল কাপৰেৰে গিলিপ দিছিলে। বৰচ'তি, ফুলচ'তি, ফুকামৰ চ'তি এইসকলতো সোণৰ ৰূপৰ বৰৈএৰে মুৰালী থোপা আৰিছিলে। চালৰ চাৰিও মেৰে কুহুম্বুলীয়া কৰি তিনি শৰীয়াকৈ পাণ কাটি দিছিলে, তাতে ৰূপৰ বৰৈ দিছিলে। চ'ৰাৰ ভিতৰত মহাৰাজ বহিবলৈ আনদিন বহা দুই ভিঁটিৰ মাজত মাটিৰ ভিঁটি বান্ধিছিলে। তাতে পাটী পাৰি বানত পৰিছিলে। তাৰ ওপৰত সিংহাসন পাৰিছিলে। তাতে সোণৰ খুঁটাএৰে চাঙ্গটি চন্দোৱাৰ তৰিছিলে। সোণে পোৱালে গঁথা চাকিত বাখৰপতা কোখত বৰৈ দিয়া এনে জঁটীয়া জাল এখান সিংহাসনত আৰিছিলে। ওপৰত সাতখান চন্দোৱাৰ তৰিছিলে। আনদিন বহা দুফালে ভিঁটিৰ ওপৰত ৫ খনীয়াকৈ চন্দোৱাৰ তৰিছিলে। মহাৰাজাৰ বহা ভিঁটিৰ

Digitized by Panjab Digital Library | www.panjabdigilib.org

আগত তিনিও ফালে বানাত পাৰিছিলে। কাঁড়ী, বাকৰতি, হিলৈদাৰি, নগৰীয়া মানুহকো অনাই কাঁড়, ধনু, হিলৈ, বাৰু, বৰ্চ্ছা, ৰূপীয়া পিতলীয়া দণ্ড এইসকল পতাইছিলে। হাতী, ঘোঁৰাকো দুয়ো ফালে ব্যহুৰ পাচত থোৱাইছিলে। বৰুৱা, ফুকন, ৰাজখোৱা, চমুৱা বৰুৱা, হাজৰকীয়া, দেওধাই, বাইলুঙ্গ, দেশী বিদেশী পণ্ডিত ব্ৰাহ্মণ, কটকী, কাকতী, দৈৱজ্ঞ এইসকলো নিয়মৰ ঠাইত বহিছিলে। সেই দিন দেৱসভাৰ সদৃশ সভাখান হৈছিলে।

পাচে দুই উকীললৈকে আমাৰ ৰত্নকন্দলী, অৰ্জ্জুন এই দুইলৈকো জীনেৰে ঘোঁৰা ৪টা দি পঠালে। সেই ঘোঁৰাএৰে আনি ৰঙ্গনাথ গোসাঞিৰ বাৰীৰ পাচৰ হাতীশালত উকীলক থৈছিলে। পাচে তিনিজনা গোহাঞি, কাঁড়ী, বাকৰতি, দা, হাতী, ঘোঁৰা সহিতে প্ৰাৰম্ভ কৰি আহিছিলে। বৰুৱা, ফুকন সকলো প্ৰাৰম্ভেৰে আহিছিলে। এইৰূপে সকলো সভালৈ আহিল। পাচে মহাৰাজা বস্ত্ৰ অলঙ্কাৰ পৰিধান কৰি অভ্যন্তৰৰ পৰা আহি সিংহাসনত বহিল। দুজনা গোহাঞিদেৱো বস্ত্ৰ অলঙ্কাৰ পৰিধান কৰি মহাৰাজাৰ সঙ্গতে আহি মহাৰাজাৰ দুই ফালে বানাতৰ ওপৰত বহিল। তামূলী পাঁচনি মহাৰাজাৰ পাচত নিয়মৰ ঠাইত বহিল। ভিতৰুৱাল মানুহো নিয়মৰ ঠাইত বহিল। পাচে গোহাঞিবোৰো আহি নিয়মৰ ঠাইত বহিল। পাচে উকীলক অনাই বৰদুৱাৰমুখৰ পৰা বহা ঠাইলৈকে ৰামেশ্বৰ ন্যায়-অলঙ্কাৰে শিৰত পত্ৰ লৈ সাত ঠাইত আশীৰ্ব্বাদ কৰি আহিল। উদয়নাৰাণে সেৱা কৰি আহিল। পাচে বহা ঠাইত আহি ৰামেশ্বৰ ন্যায়-অলঙ্কাৰে আশীৰ্ব্বাদ কৰি বহিল। উদয়নাৰায়ণে সাত সেৱা কৰি বহিল। পাটীৰ ওপৰত শৰাই আনি দিলে, তাতে সন্দেশ থলে।

পাচে বৰবৰুৱাএ মহাৰাজাত ভেঁটালে, বোলে,—"স্বৰ্গৰদেৱ, ত্ৰিপুৰাৰ ৰাজা ৰত্নমাণিকে স্বৰ্গদেৱৰ প্ৰীতিক বাঞ্ছা কৰি পত্ৰ-সন্দেশ

Digitized by Panjab Digital Library | www.panjabdigilib.org

সহিতে উকীল পঠাই দিছে। উকীলেও স্বৰ্গৰদেৱৰ চৰণত সেৱা কৰে।" পাচে ৰাজমন্ত্ৰী বৰপাতৰ গোহাঞে বুলিলে, বোলে,—"ৰামেশ্বৰ ন্যায়-অলঙ্কাৰ ভট্টাচাৰ্য্য, উদয়নাৰাণ বিশ্বাস, সৰ্গমহাৰাজা সুধিছে, তহঁত যেখন আহ তেখন ৰত্নমাণিক ৰাজা কুশলে আছে?" উকীলে বুলিলে, বোলে,—"স্বৰ্গৰদেৱ, আমি যেখন আহোঁ তেখন আমাৰ মহাৰাজা কুশলে আছে।" পাচে বৰপাতৰে বুলিলে, বোলে,—"ৰামেশ্বৰ ন্যায়-অলঙ্কাৰ ভট্টাচাৰ্য্য, উদয়নাৰায়ণ বিশ্বাস, সৰ্গমহাৰাজা বুলিছে, বোলে,—"ৰত্নমাণিক ৰাজা যে ৰাজ্যে সমন্নিতে কুশলে থাকিব এইগোট বিশেষ।" পাচে মজুন্দাৰ আগবাঢ়ি আহিল। উকীলৰ হাতৰ পত্ৰ আনি ৰত্নকন্দলীএ দিলেনি। পাচে মজুন্দাৰে পত্ৰ আনি কাথভণ্ডাৰী বৰুৱাৰ হাতত দিলেনি। পাচে মহাৰাজাৰ আজ্ঞাএ কাথভণ্ডাৰী বৰুৱাএ সেই পত্ৰ পঢ়িলে।

ত্ৰিপুৰা ৰাজা যিৰূপে পত্ৰ লিখিছিলে তাৰ লেখা,—

স্বস্তি প্ৰবল-বলাহকনিকায়-প্ৰতীকাশ-গণ্ডস্থলাবিৰল-বিগলন্মৈৰেয়-ধাৰা-পুৰিতাখণ্ড-ভূমণ্ডল-দন্তাৱল-পটল-সমুদয়-প্ৰলয়-প্ৰভঞ্জন-প্ৰতিমজৱা-খৰ্ব্ব-গৰ্ব্ব--গন্ধৰ্ব্বগণ--ক্ষুৰক্ষুন্ন--ক্ষৌণীতলোচ্চালিত-ধূলিপটল-মহোন্নতি-পটিম-সম্বৰ্দ্ধিত-মাৰ্ত্তণ্ডমণ্ডল-তিৰস্কাৰ-গৰিম-সমুচ্ছায়িত-বিবিধ-বৈজয়ন্তীচয়চাৰু-চেলাৱলী-চিত্ৰিত--বিহায়ঃস্থল--পাদতল--সমুদ্ভ্ৰামিত--চামীকৰ--শতচন্দ্ৰ-চৰ্ম্মনিচয়চমৎকাৰ-সম্ভাবিত-ত্ৰিলোকীতল-সম্বৰ্ত্ত-সমৰভ্ৰমভৰ-নিজাস্বজিনী-নায়কগণ--সমৰবিজয়--সমুদ্যম--সমীহ--গোপুৰনিঃসৰ--বৃত্তান্তাকলনভয়--বিকলিতোজ্জিতালয়—বিপ্ৰতীপ—ভূপাল - কুল--বামলোচনানয়নাৱলী-বিগলিতাশ্ৰুধাৰা-সমুৎপাদিত-পাৰাবাৰ-পৰিস্ফুৰ্জৎ-প্ৰতাপৌৰ্ব্ব-বৈশ্বানৰ-জ্বালা-জালাবলীঢ়-ত্ৰিভুবন-বিবৰ-বিসৰেষু, বিধিবোধিত-কণককৰিতুৰঙ্গ-মাদ্যনেকবিধ-বিতৰণ-কৃতাৰ্থী--কৃতাৰ্থিসাৰ্থ--গীয়মান--যশঃ--প্ৰকাশীকৃতা-শামণ্ডলেষু শ্ৰীশ্ৰীযুত-স্বৰ্গদেৱ ৰুদ্ৰসিংহ-মহাৰাজ-পৰম-পবিত্ৰ-চৰিত্ৰেষু। শ্ৰীশ্ৰীযুত ৰত্নমাণিক্যদেৱস্য সবিনয়নতিততি সম্পাদয়িত্ৰী পত্ৰী

Digitized by Panjab Digital Library | www.panjabdigilib.org

বিজৃম্ভতে। শ্রীআনন্দিৰাম বৈষ্ণৱ দ্বাৰা শ্রীমদ্বচন-ললিতামৃতমাদৃত-মাকলয্য পৰমাপ্যায়িতোহং, আবয়োৰীশ্বৰেণ কিন্নদত্তং তথাপি পত্র-সন্দেশার্থমীষদ্বস্থ প্রেষ্যতে শ্রীমদ্ভবৎপ্রনেধি দ্বাৰা ত্বদীয় মঙ্গল-প্রকাশাৎ শশ্বদভিনন্দকৈঃ শ্রীমদ্ভাবদৃশৈর্ব্বয়মানন্দ-পাত্রী কৰিষ্যামহে। অলমতি বিস্তৰেণ গিৰাম্, শ্রীৰামেশ্বৰন্যায়ালঙ্কাৰ-ভট্টাচার্য্য শ্রীযুতো-দয়নাৰায়ণ বিশ্বাসৌ সর্ব্বমাবেদয়িষ্যতঃ। পক্ষাগ্নিৰসশুভ্রাংশুগণিতে শকহায়ণে। শুচৌ পক্ষে সিতে পত্রী পঞ্চম্যাং প্রেষিতা শুভা॥ যুধিষ্ঠিৰস্য সম্রাজো বিৰাট-দ্রোপদাবপি। দূৰস্থৌ সময়ে তৌ চ সৌহার্দ্দ্যাদ্ধিতকাৰিণৌ॥

এই পত্র শুনি মহাৰাজা সন্তোষ হ'ল। পাচে বৰপাতৰ গোহাঞে বুলিলে, বোলে,—"ৰামেশ্বৰ ন্যায়-অলঙ্কাৰ ভট্টাচার্য্য, উদয়নাৰায়ণ বিশ্বাস, স্বর্গমহাৰাজা সুধিছে, বোলে,—"ৰত্নমাণিক ৰাজা পত্রত যিখান লেখি আহিছে তাহাক বুজা গ'ল। বচনে কোনখান বুলি আহিছে?" পাচে উকীলে বুলিলে, বোলে,—"স্বর্গদেৱ মহাৰাজেৰ গুণ-চৰিত্র শুনিয়া প্রীতিৰ কাৰণে আমাক পঠায়া দিছে।" পাচে বৰপাতৰে বুলিলে, বোলে,—"ৰামেশ্বৰ ন্যায়-অলঙ্কাৰ ভট্টাচার্য্য, উদয়নাৰায়ণ বিশ্বাস, স্বর্গমহাৰাজা বুলিছে, বোলে,—'তহঁত এখন বাসাত জিৰাই থাকগৈ। ৰত্নমাণিক ৰাজা যি প্রীতিক ইছা কৰিছে, প্রীতি পথত থাকিলে প্রীতিগোট কিয় নাহৈব'?" পাচে ৰামেশ্বৰ ন্যায়-অলঙ্কাৰে আশীর্ব্বাদ কৰিলে, উদয়নাৰায়ণে সেৱা কৰিলে। এইৰূপে আশীর্ব্বাদ সেৱা কৰি দুয়ো উকীল বাসালৈ গ'ল।

পাচে মহাৰাজা উকীল গ'লত সেই সভাতে দেশী বিদেশী পণ্ডিতৰ দ্বাৰাএ সেই পত্রৰ অর্থ কোৱালে। পাচে মহাৰাজা অভ্যন্তৰলৈ গ'ল। ত্রিপুৰাৰ ৰাজাএ মহাৰাজালৈ দিয়া সন্দেশৰ লেখা,—হীৰাএৰে বাখৰপতা কল্লা ১, দুগদুগী ১, বিলোলৰ নালত

Digitized by Panjab Digital Library | www.panjabdigilib.org

বাখৰপতা খঞ্জৰ ১, গুজৰাটী সোণাৱলী তাছকাপৰ ১, সোণাৱলী বাদামী কাপৰ ১, কিমখাপ কাপৰ ২ খান, গুজৰাটী সোণাৱলী ছিৰা ২, গুজৰাটী সোণাৱলী পটুকা ২, বন্দৰী ছিট কাপৰ ২, চিকণ খাচা তাও ২, চিকন ছাহান তাও ২, চিকণ উকা পাগ ২। এই সন্দেশ দি পঠাইছিলে। বৰবৰুৱালৈ দিয়া সন্দেশৰ লেখা,—বাখৰপতা দুগদুগী ১, গুজৰাটী সোণাৱলী ছিৰা ১, সোণাৱলী পটুকা ১, কিমখাপ ১। এই সন্দেশ বৰবৰুৱালৈ দিছিলে।

পাচে পৰদিনে মহা ৺ আজ্ঞাএ মাহিলা ৰোজত কৰি বঢ়াই ৪ গুণকৈ বৰভণ্ডাৰৰ ত্ৰিপুৰা কটকীলৈ ৰোজ দিলে। পাচে মহা ৺ মাস আশ্বিন, তেৰিক্ষ ১৫, পূৰ্ব্বৰতে সভা কৰি ত্ৰিপুৰাৰ কটকী ৰামেশ্বৰ ন্যায়ালঙ্কাৰ, উদয়নাৰাণ এই দুয়োকো অনালে। সিহঁতেও আগৰ ধাৰণে আসি আশীৰ্ব্বাদ সেৱা কৰি বৰচ'ৰাৰ টুপত বসিল। পাচে মহা ৺ আজ্ঞা বৰপাত্ৰগোহাঁঞে সুধিলে, বোলে,—"ৰামেশ্বৰ ন্যায়-অলঙ্কাৰ ভট্টাচাৰ্য্য, উদয়নাৰাণ বিশ্বাস, স্বৰ্গমহাৰাজা বুলিছে, বোলে,—'সিহঁতক আজি মঞি বিদায় দিলোঁ। ৰত্নমাণিক্য ৰাজা পত্ৰত যিখান লেখি আহিছে তাহাৰ সিদ্ধান্ত পত্ৰতে পাব।' বচনেও এইখান কব বুলিছে, বোলে,—'ৰত্নমাণিক্য ৰাজা সহিতে আমাৰ অখণ্ড প্ৰীতি হৈল। এই প্ৰীতিগোট যেমনে ৰাস নাহয় ৰাজাও সেইখান কৰিব'।" পাচে উকীলে বুলিলে, বোলে,—"ভগৱতী এইৰূপে সম্পন্ন কৰোক।" এই বুলি ৰামেশ্বৰ ন্যায়ালঙ্কাৰে শ্লোক এটা বুলিলে, বোলে,—

বন্ধনান্যপি বহূনি, সন্তি চেতঃ প্ৰেমৰজ্জুবিনিবন্ধনমন্যৎ।
কাষ্ঠভেদনিপুণোহি ষড়ঙ্ঘ্ৰিৰ্নিষ্ক্ৰিয়ো ভৱতি পঙ্কজবদ্ধঃ॥

পাচে বৰপাতৰ গোহাঞিয়ে বুলিলে, বোলে,—"ৰামেশ্বৰ ন্যায়-অলঙ্কাৰ ভট্টাচাৰ্য্য, উদয়নাৰাণ বিশ্বাস, স্বৰ্গমহাৰাজা বুলিছে, বোলে,—'তহঁত আজি বহাত জিৰাই থাকগৈ অন্যদিন আপোন দেশে যাবি'।"

Digitized by Panjab Digital Library | www.panjabdigilib.org

এই বুলি উকীলক বাসালৈ পঠাই দিলে। মহাৰাজাও অভ্যন্তৰলৈ আহিল।

ত্রিপুৰা ৰাজালৈ দিয়া পত্রৰ লেখা,—

স্বস্তি বাৰিবাহ-প্রতিমানুপমকৰাকৃষ্যৎ-কেশৰিগণ্ডগলন্মেৰেয়ধাৰ-পঙ্কিল-মহীমণ্ডল-মত্ত-মাতঙ্গ-দশন--দাৰিত--সমুচ্ছলদপাৰকুপাৰ--তৰঙ্গ-বলদোর্দ্দণ্ডাখণ্ডকোদণ্ডনিঃসৰচ্চণ্ড— কাণ্ডখণ্ডখণ্ডীকৃতাৰি—মোক্তিকান্ত, গত্যাৰসত্যাবতিৰস্কৃত--বাত-তুঙ্গ - তুৰঙ্গখুৰক্ষোদন-ধূলি-ধূসৰতাচ্ছাদিত-তুহিনকৰাকাৰাঙ্কুশ-সপ্তবিবৰভিদুৰব্রধ্নানন্ত--নিতান্ত--বিদ্রাবিতাসিততি-বিদ্ধাস্থিবৈৰিবামলোচনা-লোচনানবৰত-পতিতাম্বু-সম্ভাবিত--গগনৰণচৰ-বিসদ—পলাশ—বাৰিদতাৰকাচকোৰকালীকলতকীর্ত্তি—ব্রততীকুসুম—কুমুদিনী- কান্ত--কমনীয়কপালিকপালতুলাকুচি--পৰিণত--প্রতাপ-তপন-তাপিতামিতাশান্ত--বিনিকায়--নিৰবধি--মণি--হেমাদি--বিতৰণ--পূৰিত-বিশ্বম্ভৰান্তৰার্থিচয়-শ্রীশ্রীযুত-ৰত্নমাণিক্যদেৱ-ৰাজবৰ-শ্রীমদ্গিৰীন্দ্রনন্দিনী-পদসুধাংশু-চন্দ্রিকা-পিপংস্বচেতঃচকোৰেষু। স্বকীয় স্বন্তস্থাবেদিকেয়ং পত্রী নিতৰাং বৰীবৰীতিস্ম শ্রীমতামতিশয়িত শিৰতমমনুঘস্রমাসা-স্মহেতৰাং অস্মদাকলিত বিষয়বৃন্দেষু শ্রেয়সমবেব্যত যূয়ং প্রেম্না ভৱাদৃশ প্রাপিতাপসর্প-সমর্পিত-পত্রা বয়ং যাদৃশ শাতপাত্র্যক্রিয়ামহে তদধিগময়িতুং গীর্ব্বাণগুৰোর্গীৰপ্যলং সমাগত-পত্র্যাবয়োঃ সান্দ্র-প্রমোদোঽজনি শ্রীমদ্ভবাদৃশান্ স্বানুৰূপতয়োৰীকূর্ম্মঃ এতদবধি যথা পৰস্পৰ প্রণিধী সর্পণাপসর্পণে সন্নিধায়োভয়স্যান্তৰমাহ্লাদয়িষ্যত তত্র বয়মানন্দপাত্রী কৰিষ্যামহে মৎপ্রস্থাপিতাপসর্প শ্রীৰত্নকন্দলী-শর্ম্মার্জ্জুনদাসৌ সর্ব্বমাবেদয়িষ্যতঃ ক্ষেমাখ্যায়িকা পত্রী সন্দধতি কিয়চ্চ স্বকীয়ত্বেনোৰীকৃত্যালঙ্কৰণীয়েতি কৃতং পল্লবিতেন। উভয়োস্তুল্য-সম্বন্ধে সুযোধনকিৰীটিনোঃ। ধনঞ্জয়মগাৎ কৃষ্ণঃ প্রীতিৰেবান্বিধা ভবেৎ॥ পীযূষস্যন্দিভানুদ্রুমনিকৃতজনিশ্বাসনেত্রাক্ষসূত্র ক্রৌঞ্চ-প্রাণাপহন্ত্রানন-ৰজনী-মণি-প্রাপ্ত-সঙ্কেত শাকে। নির্ঘৃত্যার্যাগ্নি-ঘস্রংকতিচিদিযুতি-

Digitized by Panjab Digital Library | www.panjabdigilib.org

থাবুৰ্জ্জমাসেঽমলাখ্যে পক্ষে সন্দেশবাচাং প্ৰকটিতবিতৰা পত্ৰিকেয়ং ব্যলেখি॥ ১৬৩৩ মাস কাৰ্ত্তিক শুক্লপক্ষ পঞ্চমী তিথি।

ত্ৰিপুৰা ৰাজা ৰত্নমাণিক্যলৈ দিয়া সন্দেশৰ লেখা, ভিন্ন পত্ৰত লেখি দিছে,—নৰা কাপৰ গুটিবুলুৱা ১, ধল ১, সৌজীয়া ১, ৰঙ্গা ১/৪, ফুলাম আতলঞ্চ ১, আৰু আতলঞ্চ সৌজ ১, ধল ৰঙ্গা ১, ধল কলা ১/, সোণাৱলী ওৰণি ২, সোণাৱলী পাগ ২, সোণাৱলী পটুকা ২, সোণাৱলী জামাৰ কাপৰ ১, কলা বৰফুলাম বৰকাপৰ ১, ৰঙ্গা ফুলাম ১, দহ হতীয়া চিকণ তাও ১৪, চিকন সিয়া আঠুৱা ১, সোণৰ বাখৰ-পতা টেমী ১, কল্‌গী ১, ছুগছুগী ১, কৰ্ণফুল ১ যোৰ, সোণৰ ফুলেৰে ডগ্‌ডগী ১, সোণৰ মলমাকৰা কটাৰী ৪, ৰূপৰ মলমাকৰা কটাৰী ৪, আগৰসত ২, পকড়া খড়গ ৪, শুক্ল চামৰ ৪, কৃষ্ণ চামৰ ৪, হাতীদাঁতৰ গা-আঁচোৰা ১ পাট। ত্ৰিপুৰা ৰাজালৈ এইৰূপে সন্দেশ দিছিলে।

৬ষ্ঠ আধ্যা।

ত্ৰিপুৰা ৰজালৈ ৰুদ্ৰসিংহৰ ৰহস্য-পত্ৰ।

ৰহস্যে দিয়া পত্ৰৰ লেখা,—

স্বস্তি নিস্তুল-নিৰন্তৰামিত-দান-মান-সন্তান--মানিতানেক--নিবৃতস্থ-জনগণ-গীয়মান-যশোৰাকাহিমকৰ-ধৱলীকৃতাম্বৰ-নিৰম্বৰকোশ--কৰবীৰ-মত্তমাতঙ্গ--নিকায়--প্ৰতিম--বিপক্ষ --বহুবিদ্ৰাবনজন্তুবীৰ---মহিলানয়ন--নিৰ্গচ্ছদম্বু-নিকৰ-প্ৰতাপ-তপন-তাপ-তিৰোভূত-তিমিৰততি--স্বজন--পদ-চতুষ্পদীকৃত-ধৰ্ম্ম--ধৰ্ম্মাৱতাৰজনি--পবিত্ৰীকৃত--বিশ্বম্ভৰ--শ্ৰীশ্ৰীযুত--ৰত্ন--মাণিক্যদেৱ-ৰাজবৰেষু লেখনম্। ৰহস্য-পত্ৰমিদং। পৰং সমাচাৰ এহি জনঘোষ এমন প্ৰসিদ্ধ হৈয়াছে যে মগলেৰ বৈপৰীত্য চেষ্টাতে

Digitized by Panjab Digital Library | www.panjabdigilib.org

বেদোক্ত ধৰ্ম্ম ৰক্ষা পাইনা। ইকাৰণ তদপ্রতিকাৰার্থ ব্যাপাৰ কৰিতে যদি তোমাৰ মনে ভাল ভাসে তবে তোমাৰ সহিতে যে যে বৰলোকেৰ হার্দ্দিতা আছে, তান সমেত সমলোচন কৰিয়া যথাবৃত সামার্থ্য শক্তি আমাৰ ঠাই বিশেষিয়া লিখিবায়। সমস্ত লোক ঈশ্বৰ অধীন, তথাপি যেমনে আপোন দেশতে অন্যে পৰাভৱ ব্যতিৰেকে স্বচ্ছন্দে ৰাজ চেষ্টা কৰিতে পায়ি তথা যথেষ্ট ব্যৱহাৰতে অন্য সাপেক্ষ নয় তাক প্রতি সর্ব্বথা যত্ন কৰিতে সমুচিত হয়। বাকী সমাচাৰ শ্রীৰত্নকন্দলী ও অর্জ্জুনদাস মুখে জ্ঞাত হৈবায়। কিমধিকম্বিজ্ঞতমেম্বিতি। শক ১৬৩৩, মাস কার্ত্তিক, তেৰিক্ষ ৫। এইখান লিখা ৺দেৱে ত্রিপুৰা ৰাজালৈ ৰহস্যে চুঙ্গাত ভৰি দিছিলে।

৭ম আধ্যা।

ত্রিপুৰা কটকী বিদায়।

পাচে ত্রিপুৰা ৰাজাৰ উকীলক বৰবৰুৱাএ পূর্ব্বৱতে সভা কৰি বিদাই দিবলৈ অনালে। উকীলো পূর্ব্বৰ ধাৰণে আহি বৰবৰুৱাৰ চ'ৰাত বহিল। পাচে বৰবৰুৱাএ বুলিলে, বোলে,—"ৰামেশ্বৰ ন্যায়-অলঙ্কাৰ ভট্টাচার্য্য, উদয়নাৰায়ণ বিশ্বাস, স্বর্গমহাৰাজা তহতঁক বিদাই দিলে। মঞো আজি তহঁতক বিদাই দিলোঁ। ৰাজা ৰত্নমাণিক্যে পত্রত যিখান লেখি আহিছে তাহাৰ সিদ্ধান্ত পত্রতে পাব। বচনেও তহঁতে এইখান কবি,—'স্বর্গমহাৰাজা সহিতে ৰাজা ৰত্ন-মাণিক্যৰ যি প্রীতিগোট হৈছে সেই প্রীতিগোট যেমনে হ্রাস নহয় ৰাজাও সেইখান কৰিব'।" আৰু বুলিলে, বোলে,—"বৰলোকৰ প্রীতি চিত্তে সহিতে, সামান্য লোকৰ প্রীতি মুখৰ হন্তে। যেমনে চিত্তে সমন্বিতে

Digitized by Panjab Digital Library | www.panjabdigilib.org

প্ৰীতিগোট হয়, সেইৰূপ কৰিব।" পাচে উকীলে বুলিলে, বোলে,—"স্বৰ্গদেৱ ঈশ্বৰী এইৰূপে সম্পন কৰিবেন।"

পাচে বৰবৰুৱা বুলিলে, বোলে,—"ৰামেশ্বৰ ন্যায়ালঙ্কাৰ, উদয়-নাৰায়ণ বিশ্বাস, তহঁত আহিবৰ অনেক দিন হ'ল। স্বৰ্গমহাৰাজাও চিকাৰক মনে ৰঙ্গ-তামছা কৰিবলৈ গৈছিলে, মঞো জনাব নোৱাৰিছিলোঁ। পাচে তহঁতেও কলি বোলে,—'বৰ্ষা কালত যাব নোৱাৰি।' এইৰূপে তহঁতৰ বিলম্ব হ'ল। এখন স্বৰ্গমহাৰাজা পত্ৰ-সন্দেশ সহিত উকীল দিছে। উকীলক শীঘ্ৰে বিদাই দিব।" পাচে উকীলে বুলিলে, বোলে,—"স্বৰ্গদেৱ আমি কৈবাৰ পাত্ৰ, এইৰূপে কৈবাম।" পাচে ফুল-চন্দন, পাণ-গুৱা পূৰ্ব্বধাৰাণে দিলে। পাচে বৰবৰুৱাএ বুলিলে, বোলে,—"ৰামেশ্বৰ ন্যায়ালঙ্কাৰ, উদয়নাৰায়ণ বিশ্বাস, এখন তহঁত বহাত জিৰাই থাকগৈ, অন্যদিন আপোন দেশে যাবি।" পাচে উকীলে উঠি পূৰ্ব্বৰ ধাৰাণে বহালৈ আহিল।

বৰবৰুৱা দিয়া পত্ৰৰ লেখা,—

স্বস্তি ৰত্নাকৰ-তৰঙ্গৰঙ্গ-তুঙ্গ-তুৰঙ্গখুৰ-ক্ষোদন-দন্তুৰ-ধৰামণ্ডলোৎথ-ৰজো--ৰাজ্যমানাম্বৰপূৰণ--বাৰিবাহনিকায়--প্ৰতিম-মত্তমাতঙ্গমদোদ্দাল-মজ্জন্মধুব্ৰতানৱৰত-ক্ষৰন্মৈৰেয়ধাৰা-দ্ৰবীকৃত-দিগন্তৰাল-প্ৰতিঘস্ৰ-বিধীয়-মান-মণি--হেমাদিদান-সন্তান--সন্তৰ্পিতাগণননিবৃদ্ধ--সজ্জনগণ--গীয়মান-শৰদিন্দু-সুন্দৰ-যশস্তিৰস্কৃত-ৰাধেয়াদিবদান্যবদ্ধচিৰসঞ্চিত-কীৰ্ত্তি--তাৰক-শ্ৰীশ্ৰীযুত - ৰত্নমাণিক্যদেৱ - ৰাজবৰেষু। সগৌৰবপূৰ্ব্বক - লেখনং বিজ্ঞাপনঞ্চ। আগে শ্ৰীযুতে মহোন্নতি সতত বাঞ্ছি, অত্ৰ কুশল। পৰং শ্ৰীযুতেৰ কৃপাপূৰ্ব্বক পত্ৰ সমাচাৰ শুনিয়া পৰম আনন্দ হৈলাম, ইছা কৰি যে এৰূপ অনুগ্ৰহ পত্ৰ-ব্যৱহাৰ সদা হৈতে ৰহে, শ্ৰী৺ সহিত শ্ৰীযুতেৰ প্ৰীত বাঢ়িতে যায়। বাকী সমাচাৰ আমাৰ উকীল শ্ৰীৰত্নকন্দলী শৰ্ম্মা, শ্ৰীঅৰ্জ্জুনদাস বিজ্ঞাপন কৰিবেক।

Digitized by Panjab Digital Library | www.panjabdigilib.org

কিমধিকমিতি। শক ১৬৩৩, মাস কাৰ্ত্তিক, তেৰিক্ষ ৫। এইখান পত্র বৰবৰুৱা দিয়া কৰি ত্রিপুৰা ৰাজালৈ দিছিলে। সন্দেশ,—সোণৰ টেমা ১, নৰা কাপৰ ২।

ত্রিপুৰা ৰাজাৰ উকীলক বঁটা দিয়াৰ লেখা,—সোণৰ কৰ্ণফুলা কাইটলগা ২ যোৰ, টাৰ চাৰিপটীয়া ২ যোৰ, চিকণ আতলঞ্চৰ জামা ২, সোণাৱলী পাগ ২, ৰূপাৱলী চেলেং ২, সোণাৱলী পাটুকা ২, ঢেঁকেৰী ভুনি ২, ৰূপ ৪০০। ৰামেশ্বৰ ন্যায়-অলঙ্কাৰক সোণ ২২, উদয়নাৰায়ণক দিলে ১৮, যদুনন্দন বৈদ্যক দিলে সোণৰ লঠা কৰ্ণফুলা ১ যোৰ, দুৱলীয়া ফুলাম বৰকাপৰ ১, বোলোৱা পাগ ১, কপাহী জামা ১, পাটৰ পটুকা ১, মঝা ভুনি ১, সোণ ১০ তোলা, ৰূপ ১৮০। দৈত্য-সিংহ, গোবিন্দা ছেকিৰাই, নাপিত বৈকুণ্ঠ ১, শঙ্কৰ ১, এই ৪ক দিলে সোণৰ অন্তী ৪ যোৰ, এফলীয়া বৰকাপৰ ৪, কপাহী জামা ৪,বোলোৱা পাগ ৪, পাটুকা ৪, মঝা ভুনি ৪। দুই দৈত্যসিংহক দিলে ৰূপ ১৬০, দুই নাপিতক দিলে ৰূপ ১১০ টং, কটকীৰ লগৰ চাৰি চাকৰলৈ দিলে খনীয়া বৰকাপৰ ৪, ডাঙ্গৰী ভুনি ৪, পাগ ৪, ৰূপ ৯২। বৰবৰুৱাএ উকীলক দিয়া বঁটাৰ লেখা ,—কপাহী চিকণ জামা ২,বোলোৱা পাগ ২, পাটৰ পাটুকা ২, বৰ ফুলাম বৰকাপৰ ২, ভুনি ২, অন্তী ২। ৰামেশ্বৰ ন্যায়-অলঙ্কাৰক দিলে ৰূপ ৪৫, উদয়নাৰায়ণক ৩৫ টকা, যদুনন্দন বৈদ্যক দিলে ৰূপ ৬, দুই দৈত্যসিংহক দিলে ৰূং ৮ টকা, দুই নাপিতক দিলে ৬ টকা, চাৰি চাকৰলৈ দিলে ৮। এইৰূপে বঁটা-বাহন দি সিহঁতক পঠাবলৈ মন কৰি ৰজাদেৱে আমাৰ কটকীত সুধিলে, বোলে,—"সিহঁতৰ উকীলক পঠাওঁতে ৰাজাৰ ঠাইত কথাবাৰ্ত্তা কৈ কোনে পঠালে?" পাচে আমাৰ কটকীয়ে কলে, বোলে,—"ৰাজাৰ ভাই ঘনশ্যাম বৰঠাকুৰ আৰু কবি পণ্ডিত নাৰাণে এই দুএ কাৰবাৰ কৰি পঠালে।" পাচে ঘনশ্যাম ঠাকুৰলৈ দিলে সোণ ৮ তোলা, নৰা কাপৰ ১। কবি পণ্ডিত নাৰাণলৈ দিলে সোণ ৪ তোলা। পাচে আমাৰ

Digitized by Panjab Digital Library | www.panjabdigilib.org

কটকীয়ে গৈ ঘনশ্যাম বৰঠাকুৰ ৰাজা হ'লত এই সোণ ৮ তোলাএ নৰা কাপৰখানকে আকে দি মিলিলগৈ।

৮ম আধ্যা।

ত্রিপুৰা কটকীৰ ৰংপুৰত দুৰ্গোৎসৱ দৰ্শন।

পাচে সিহঁতক বিদায় দবৰ পাচে দুৰ্গোৎসৱ হ'ল। পাচে মহাৰাজাএ বৰবৰুৱাএ বোলাৰূপে সেই দুই উকীললৈ কোৱালে, বোলে,—"সিহঁতে ঠাকুৰাণী দৰ্শন কৰিবলৈ ইচ্ছা কৰে নেকি? আৰু বিষ্ণু শিৱৰ মূৰ্ত্তি আছে, সেই স্থানতো দৰ্শন কৰিবলৈ ইচ্ছা কৰে নেকি?" এইৰূপে কোৱালত, দুই উকীলে বুলিলে, বোলে,—"বৰবৰুৱা নাবাবৰ প্ৰসাদে যদি আমি ঈশ্বৰ দৰ্শন কৰিবলৈ পাম, ঠাকুৰাণী দৰ্শন কৰিবলৈ পাম, এইগোট আমাৰ পৰম ভাগ্য।" এইৰূপে সিহঁতে বুলিলত পাচে অষ্টমীৰ দিনা সিহঁতক আনিবলৈ মহাৰাজাৰ আজ্ঞা হ'ল। পাচে সেই দিনা আমাৰ কটকীএ সিহঁতক আনি বৰদৌলত সেৱা কৰালে। পাচে সূৰ্য্য, গণেশ, শ্ৰীনাৰায়ণ এই তিনিও ঠাইত সেৱা কৰিলে। পাচে মহাদেৱৰ ঠাইক আহি সেৱা কৰিলে। নৰসিংহ গোসাঞিকো সেৱা কৰিলে। পাচে দেৱীৰ ঘৰলৈ আহি ঠাকুৰাণীক সেৱা কৰিলে। পত্ৰিকা গৃহতো গৈ মহামায়াক সেৱা কৰিলে। পাচে মহাৰাজা গৈ ঠাকুৰাণীক সেৱা কৰি আহি নাটমন্দিৰৰ টুপত বহিল। মহাৰাজা যাবৰ সময়ত উকীলক আঁৰ কৰি থোৱা গৈছিলে। পাচে মহাৰাজা বহিলত উকীলক পত্ৰিকা ঘৰৰ আগৰ ঘৰটিত বহালে।

মহাৰাজাৰ আগত দেশী বিদেশী গুণিনসকলে গাইছিলে। দেশী বিদেশী অনেক পণ্ডিত ব্ৰাহ্মণে মহাৰাজা দিয়া বঁটা-প্ৰসাদ

Digitized by Panjab Digital Library | www.panjabdigilib.org

পিন্ধি মহাৰাজাক আশীৰ্ব্বাদ কৰি সভাত বসিল। পাচে মহাৰাজা বৰবৰুৱাৰ দ্বাৰাএ ৰত্নকন্দলীক পঠাই সোধালে, বোলে,—"মহাৰাজা বুলিছে আমাৰ এঠেৰ পণ্ডিত ব্ৰাহ্মণ সহিতে ৰামেশ্বৰ ন্যায়-অলঙ্কাৰে বিচাৰ কৰিবলৈ কি বোলে?" পাচে ৰামেশ্বৰ ন্যায়-অলঙ্কাৰে বুলিলে, বোলে,—"মহাৰাজাৰ সভা সাক্ষাত ইন্দ্ৰৰ সভা, সেই সভাৰ পণ্ডিত বৃহস্পতি, ইয়াত বিচাৰ কৰিবলৈ যোগ্যতাঞেৰহে হয়, তথাপি মহাৰাজাৰ আজ্ঞাএ যি কিছো জানোঁ মোহলা দিম।" এইৰূপে জনালত মহাৰাজা কিছোমান থাকি উঠিল। পাচে দেশী বিদেশী পণ্ডিত ব্ৰাহ্মণসকলক মহাৰাজা সঙ্গতে অনালে। পাচে দুই উকীলক অনাই জয়গোপালে সহিতে ৰামেশ্বৰ ন্যায়-অলঙ্কাৰক বিচাৰ কৰালে। পাচে মহাৰাজা আপুনি বুলিলে, বোলে—"ৰামেশ্বৰ ন্যায়-অলঙ্কাৰ ভট্টাচাৰ্য্য আসিয়াছে দূত ক্ৰমে, যদি পণ্ডিত ব্ৰাহ্মণ ক্ৰমতে আসিল হয় তবেসে বিচাৰক উচিত হয়। এখন খানিক কৌতুকহে কৰিলাম।" এই বুলি মহাৰাজা আহিল, উকীলো বাসালৈ গ'ল।

পাচে আমাৰ দুই কটকীক মহাৰাজা বঁটা দিলে,—সোণৰ কাঁইটলগা কৰ্ণফুলা, আতলঙ্কৰ জামা, ৰূপাৱলী পটুকা, সোণাৱলী বৰপাগ, ঢেঁকেৰী ভুনি, দুৱলীয়া ফুলাম্বৰকাপৰ, ৰূপ ৪০ টকা। লগত যাবলৈ দিলে গোহাঞিবোৰৰ মানুহ,—ৰত্নকন্দলীৰ লগত ১৮টা, অৰ্জ্জুনৰ লগত ১৬টা। ইহঁতকো গাএপতি দিলে ৰূপ ৩ টকাকৈ।

———

Digitized by Panjab Digital Library | www.panjabdigilib.org

৯ম আধ্যা।

ত্রিপুৰালৈ যোৱা পথৰ বিৱৰণ।

পাচে কাৰ্ত্তিকৰ ৩ দিন আছোঁতে সোমবাৰে ত্রিপুৰাৰ উকীলে সহিতে আমাৰ দুই কটকী ত্রিপুৰা দেশলৈ যাবলৈ ভটীয়াপাৰৰ বহাৰ পৰা নামডাঙ্গত নাৱত উঠি ৭ দিনে গৈ ৰহা পালেগৈ। তাতে ৩ দিন থাকি তাৰ পৰা ৫ দিনে গৈ ডেমেৰা পালে। তাৰে পৰা নাও এৰা গ'ল। তাতে এক দিন থাকি তাৰে পৰা গৈ ১১ দিনে খাছপুৰ পালে। পাচে কছাৰী ৰজা বাসাঘৰ দিলে, ৰোজ-বাজো দিলে। পাচে কছাৰী ৰজা ত্রিপুৰাৰ উকীলক তুলি বিদায় দিলে। পত্র-সন্দেশ কিছো নেদিলে। দুই উকীলক কপাহী দোপটা কাপৰ দুখনি, পাগ দুগছি আকে দিলে। তাতে ১৯ দিন থাকি বৰবৰুৱাৰ টেকেলা এটাএ সৈতে কটকীৰ লগত যোৱা সলালৰ মানুহক পঠাই দিলে। কছাৰীএ কটকীৰ লগত নাও-মানুহ দিলে। টেকেলাও অটা দিলে। বৰবৰুৱাৰো টেকেলা ১, ৰহাৰ চকীয়াল বৰা অটা ইহঁতো কটকীৰ লগতে গৈছে। পাচে তাৰ পৰা ৬ দণ্ড মানৰ বাট গৈ উদাৰ বনত মথুৰা নৈত নাৱত উঠি সেই দিনে গৈ বৰাক পালে। তাৰে পৰা বৰাকেদি উজাই ৪ দিনে লখীপুৰ পালে।

তাতে দুদিন থাকি তাৰ পৰা ৫ দিনে কছাৰীৰে ত্রিপুৰাৰে সীমা ৰূপিনী নৈৰ মুখ পালে। তাত মানুহ নাই। দুয়ো ফালে পৰ্ব্বত তাৰ পৰা তিনি দিনে ত্রিপুৰাৰ অধিকাৰ ৰাঙ্গৰুঙ্গ পালে। তাতে বৰাক নৈৰ দুয়ো ফালে পৰ্ব্বত। সেই পৰ্ব্বতত আমাৰ এখেৰ নগা, ডফলা যেনে তেনে বিধ মানুহ থাকে, সিহঁতক কুকি বোলে। তাতে ৩০০ মান মানুহ থাকে। সিহঁতৰ অস্ত্র—কাঁড়, ধনু, বান্ধ, নগাযাঠি। তাৰে অধিকাৰ পাতি ত্রিপুৰাৰ ৰাজা এটাক দিএ, তাক হালমছা বোলে। আমাৰ এখেৰ নগাৰ খুনবাউ যেনে তেনে। তাৰে তলে

Digitized by Panjab Digital Library | www.panjabdigilib.org

থাকে গালিম ১, গাবোৰ ১, ছাপিয়া ১, দলৈ ১। এইসকলৰো খোৱা-পিন্ধা নগাৰ ধাৰণে কৰে, গৰু নাখাই। তাতে ত্রিপুৰাৰ লস্কৰ থাকে এটা। এইটক ত্রিপুৰাৰ ৰাজাৰ ত'ৰ পৰা পঠাই দিএ। ইয়াক মাজে মাজে সলাই থাকে। তাতে জন্মে,—মেঠন, হাতীদাঁত, জালুক, তামোল, পাণ, ধান, কণীধান, তৰ্ব্বুজ, কোমোৰা, কচু, আদা, ছিনাল, কেৰেলা, বেঙ্গেনা, কপাহ, এইসকল হয়। তাতে কছাৰীৰ মানুহ, মেখেলিৰ মানুহ আহি কিনা-বিকা কৰে। তালৈকে আনে কছাৰী মানুহে,—ছাগ, হাঁহ, কুকুৰা, শুকটী, চাউল, লোণ, তেল, গুৰ, ধুঞাপাত, টাটৰগুৱা। মেখেলিৰ আহে,—সোণা, কাঁহৰ কাঁহী, ঢকঢকী, খেছকাপৰ। ৰজালৈ দিবলৈ যত্ন কৰি ঘোঁৰাও অনায়। ত্রিপুৰাৰ আনে,—পিতল, লোণ, তেল, গুৰ, ধুঞাপাত টাটৰগুৱা, শুকটী। এইসকল আনি তাতে বিকা-কিনা কৰে। বংসৰি ৰাঙ্গৰুঙ্গীয়াএ ত্রিপুৰা ৰাজালৈ দিব লাগে,—ঘোঁৰা ১টা, সোণা, হাতীদাঁত, কাঁহী, জালুক, খেছকাপৰ, কপাহ, মেঠন আৰু বেহা-কিনা কৰিবৰ নিমিত্তে বংসৰি কছাৰী ৰজালৈ দিএ মেঠন এটা।

তাৰে পৰা মেখেলিৰ সীমালৈ দুই প্রহৰৰ বাট। তাতে আইমূল পৰ্ব্বত আছে। তাতে মেখেলিৰ মানুহ থাকে। পাচে কটকী পালতগৈ ত্রিপুৰা ৰাজাএ আগে চূড়ামণি নামে বৰুৱা এটা পঠাইছিলে, সেয়ে আহি বৰাক নৈৰ কাখৰত কটকীলৈ ঘৰ সজাইছিলে। সেএ সৈতে ৰাঙ্গৰুঙ্গীয়া মানুহে আহি লগ ললেহি। পাচে সিহতে বাসাও দিলে, ৰোজবাজো দিছিলে। তাৰে পৰা কছাৰীৰ নাও-মানুহ পঠাই দিলে। বৰবৰুৱাৰ টেকেলাকো, চকীয়াল বৰাকো পঠাই দিলে। তাতে ১১ দিন থাকিল। পাচে সিহঁতে ভাৰীও দিলে। সিহঁতৰ উকীলকো, আমাৰ কটকীকো চাঙ্গীত তুলি নিবলৈ মানুহ দিলে। সকলেমুলি মানুহ ভাৰীএ সৈতে ১৪০ মান দিছিলে। পাচে তাৰ পৰা গৈ ৪ দিনে ৰূপিনীপড়া পালে। তাৰে পৰা ৰাঙ্গৰুঙ্গৰ

Digitized by Panjab Digital Library | www.panjabdigilib.org

যোৱা মানুহ উলটি আহিল। এখেৰ মানুহে লগ ললে, বহাও কৰিছিলে, ৰোজবাজো দিলে। তাতে ৰাঙ্গৰুঙ্গীয়া যেনে তেনে বিধ কুকি মানুহ আছে। তাৰে অধিকাৰী পাতি ত্রিপুৰা মানুহ এটা ৰাজা দিএ, তাক মুঞ্চি বোলে।

ৰাঙ্গৰুঙ্গৰে পৰা ৰাজাৰ নগৰৰ সমীপলৈকে পৰ্ব্বত। এই পৰ্ব্বত নিবাসী জনসকলৰ স্থানত ৰাঙ্গৰুঙ্গৰ নিয়মে সকলো দ্রব্য জন্মে, তামোল পাণ নজন্মে। তাতে ১২ দিন থাকিল। পাচে তৈজলপড়া বুলি এখান আছে। তাৰো মানুহক আনি এখেৰ মানুহে সৈতে কটকীক সেইৰূপে নিলে। তাৰে পৰা ৪ দিনে ছাৰঠাঙ্গ নৈ পালেগৈ। তাৰ ওচৰতে কুমজাঙ্গ বুলি পাড়া আছে। তাৰ মানুহে আহি লগ ললে। এখেৰ যোৱা মানুহ আহিল। ইয়াৰে পৰা অধিকাৰী হৈ থকা মানুহ নাই, গ্রামত যি থাকে সেইহে। তাতে ৮ দিন থাকি তাৰ পৰা ৬ দিনে ছাইৰাঙ্গচুক পালেগৈ। তাতে ৰাঙ্গৰুঙ্গৰে পৰা ছাইৰাঙ্গচুক সীমা কৰি যি মানুহ আছে ইহঁতক কুকি বোলে। ৰূপিনী, তৈজল, কুমজাঙ্গ, ছাইৰাঙ্গচুক এই চাৰি ঠাইৰ মানুহে ত্রিপুৰা ৰাজাক বৎসৰি দিএ,—হাতীদাঁত, মেঠন, খেছকাপৰ, জালুক, কপাহ। তাতে ১২ দিন থাকি দেৱগাঙ্গ বুলি নৈ এখনি আছে। বাঁহৰ ভূৰ বান্ধি তাতে উঠি ভটীয়াই মনুগাঙ্গেদি উজাই মাজত এক ৰাতি থাকি কেৰ্পা পালেগৈ।

তাৰে পৰা ৰজাৰ নগৰৰ ওচৰলৈকে যি মানুহ আছে সিহঁতক ত্রিপুৰা বোলে। ইদিকিলৈ ইহঁতে মদ, গাহৰি খাই, মৰিলে পোৰে, শুধি এক মাসে হয়। ছোমতায়া বুলি এক আছে, আমাৰ এখেৰ দেওধাই যেনে তেনে, সেয়ে কৰ্ম্ম কৰে। এই কেৰ্পাৰে পৰা পৰ্ব্বতত যি মানুহ আছে, আৰু সিহঁতৰ মানুহটত বৎসৰি ৪ ৰূপ ৰাজালৈ কৰ দিএ।

Digitized by Panjab Digital Library | www.panjabdigilib.org

১০ম আধ্যা।

ত্রিপুৰাত পুনৰ অসমৰ কটকী।

তাতে ১৩ দিন থাকি তাৰ পৰা দুদিনে গৈ চোটমৰিছৰাই, বৰমৰিছৰাইৰ পাড়া পালেগৈ। তাৰে পৰা ৰামেশ্বৰ ন্যায়-অলঙ্কাৰ উকীল ৰাজাত জনাবলৈ আগ হই গ'ল। তাতে ৪ দিন থাকি তাৰে পৰা ৪ দিনে গৈ খাকৰাই বুলি এখনি নৈ আছে, তাতে কটকীক ৰাখিলে। তাৰে পৰা ৰাজাৰ নগৰলৈ ৪ দণ্ডৰ বাট। সেই দিনে উদয়নাৰাণে 'আমি আসিছোঁ' বুলি ৰাজাৰ ঠাইলৈ মানুহ পঠাই জনালে। পাচে সেই ৰাতি তাতে থাকিল। পৰদিনা ৰাজা সিধা দি পঠালে, বোলে,—"আজি ভোজন কাৰ্য্য কৰি থাকোক, কালি মানুহ গলে আহিব।" পাচে পৰদিনা আমাৰ দুই কটকীলৈ, উদয়নাৰায়ণলৈকো ঘোঁৰা ৩টা দি পঠালে, আৰু আমাৰ কটকীক আগবাঢ়ি নিবলৈ কাঁড়ে ধনুএ হিলৈএ ৪০ মান মানুহ লগত দি কালাৰাই নামে হাজাৰি এটা পঠাই দিলে। পাচে ৬ দণ্ড মান বেলা আছোঁতে খাকৰাইৰ কাখৰৰ পৰা ত্রিপুৰাৰ ৰাজা ৰত্নমাণিকৰ নগৰলৈ কটকীক নি গোমতী নদীৰ কাখৰত বহা কৰিছিলে তাতে বাসা দিলে। চৈত্ৰৰ ১৫ দিন যাওঁতে আমাৰ কটকীএ ত্রিপুৰা ৰাজাৰ নগৰ পালেগৈ।

পাচে আমাৰ কটকীলৈ, লগত যোৱা মানুহলৈকো সিধা এটা দিলে। দুদিনৰ পাচত মাহিলা দৰে নিয়ম কৰি সিধা দিলে,—২ কটকীলৈ চিকন মিহি আৰৈচাউল ৪ মোন, মুগুমাহ ১০ সেৰ, মাটিমাহ ১৫ সেৰ, কলামাহ ১২ সেৰ, লোণ ১০ সেৰ, তেল ১০ সেৰ, ঘৃত ৬ সেৰ, চিনি ৩ সেৰ, গুৰ ১২ সেৰ, জালুক ২ সেৰ, আদা ৮ সেৰ, হালধিগুণ্ডি ১ সেৰ, ভোগজীৰা ॥ সেৰ, হিঙ্গ ৪ তোলা, ডালচিনি ৮ তোলা, পাৰ ৩০ যোৰ, টাটৰগুৱা ১॥৵ কাওণ, ধুঞাপাত ৮ সেৰ। আতবাজে দিনে দিএ,—মহৰ আঞা গাখীৰ ৪ সেৰ, মাছ

Digitized by Panjab Digital Library | www.panjabdigilib.org

৪ সেৰ, খৰি ৪ ভাৰ, বৰীয়া পাণ ৪টা। পূজাৰ অৰ্থে দিএ,—ফুল, তুলসী, দূৰ্ব্বা, বেলপাত। লগৰ পাইক ৩৪টালৈ মাহিলি দিএ,—মোটা চাউল ৩৪ মোন, মাটিমাহ ১॥ মোন, কলামাহ ॥ মোন, লোণ ১॥ মোন, তেল ৩৪ সেৰ, গোটা হালধি ১০ সেৰ, ভোটমৰিচ ১০ সেৰ, গুড় ৩৪ সেৰ, ধুঞাপাত ২০ সেৰ, টাটৰগুৱা ২ কাণ্ড, হাঁহ ৬০। আৰু মানুহক নিতে তুলি খাবলৈ হাট এখনি দিছিলে। নিতে দিএ খৰি ৮ ভাৰ, পাত ২ বোজা, বৰীয়া পাণ ৪টা। সকলৰে মাজত মাহিলি খাহী ৫টা। ৮ দিন আড়ে কুমাৰে দিএ চক্ক-হাড়ী ৪০, চমাৰে দিএ চুণ ১ চক্ক। কাপৰ ধুবলৈ ধোবা দিছিলে, ডাড়ি-চুলি খুৰাবলৈ নাপিত দিছিলে, হাৰিও দিছিলে, এইৰূপে ৰোজ দিছিলে।

১১শ আধ্যা।

ত্রিপুৰা ৰজাৰ কোঁঠৰ, নগৰৰ, দেশৰ লেখা।

ত্রিপুৰা ৰাজাৰ কোঁঠৰ, নগৰৰ, দেশৰ লেখা।—ৰাজাৰ ঘৰৰ চাৰিও মেৰে ইটাৰ গড়, ওখএ ৬ হান হব, বেঢ়ে ৮দেৰৰ ৰঙ্গপুৰৰ ভিতৰ কোঁঠখনিৰ সমান হব। তাৰে আগফালে ইটাৰ গড়তে লগাই মাটিৰ গড় বান্ধিছে, ওখএ সেই মান। আমাৰ দাৰিকিয়াল দুৱাৰৰ পৰা বৰচ'ৰাৰ মূৰৰ আলিৰ আদখনি মান হব। এই এক কোঁঠ। আৰে দুৱাৰ দখিণলৈ মুখে। আতে পূবা-পছিমাকৈ কুঁজিঘৰ এটা আছে, তাৰে দুফালে ইটাৰ ভিঁটি ওখএ পাঁচ হাত মান হব, মাজে বাট, সাঙ্গোৰা হাতী যাব পাৰে। তাৰ দুৱাৰ নাই সকলো দিনে মুকলিএ থাকে। তাতে কাঁড়,ধনু, হিলৈ, ঢাল, তৰোৱাল, এয়ে সহিতে নিতে ৪০ মান মানুহেৰে হাজাৰি এটা থাকে, ইয়াকে ৰূপাৰ দুৱাৰ বোলে। আগে ইয়াতে ৰূপৰ পটা মৰা দুৱাৰ আছিল। ঘৰৰ ওপৰত ৰূপৰ ঘট আছিল, এই

Digitized by Panjab Digital Library | www.panjabdigilib.org

কাৰণে ৰূপৰ দুৱাৰ-ঘৰ বোলে। ৰত্নমাণিক্য ৰাজাৰ পিতৃ ৰামমাণিক্য ৰাজাৰ দিনত ঘৰ পুৰিবৰ পৰা ঘট দুৱাৰ সেই ঘৰত নাই। তাৰে এক বেঞো মান ভিতৰ কৰি পূব ফালে ইটাৰ ভিঁটিএৰে চৌচালি ঘৰ এটি আছে, তাতে দুৰ্গোৎসৱত প্ৰতিমা কৰি পূজা কৰে।

সেই ঘৰৰ ওচৰতে ইটাৰ ফাগুযাত্ৰাৰ দৌল আছে, ওখএ ৩০ হাত মান। ওপৰত খেৰ-বাঁহৰ চৌচালি ঘৰ আছে। পছিম ফালে ইটাৰ বিষ্ণুৰ শিৱৰ দৌল দুটি আছে, ওখএ ২০ হাত মান হব। দুই দৌলৰ আগতে ইটাৰ ভিঁটিএৰে খেৰ-বাঁহৰ চৌচালি ঘৰ এটি আছে। সেই ঘৰটিৰে ভিঁটিৰ পৰা এক হাত মান ওখ কৰি মানুহ আঁৱজিবৰ নিমিত্তে চাৰি ফালে পাট চাৰি চলা দিছে, বাৰ নাই। সেই ঘৰটিতে ৮ টিকৈ ব্ৰাহ্মণে দিনে-ৰাতিএ নেৰি পালনাম গায়। বিষ্ণুৰ দৌলত শিলাৰ লক্ষ্মী সৰস্বতী সহিতে বিষ্ণুৰ গোপীনাথ নামে মূৰ্ত্তি আছে, ব্ৰাহ্মণে পূজা কৰে। শিৱৰ দৌলত শিলাৰ গণেশ কাৰ্ত্তিক সহিতে বৃষভ বাহনে শিৱৰ মূৰ্ত্তি আছে, তাতে ব্ৰাহ্মণে পূজা কৰে। দুয়ো ঠাইৰ নিৰ্ম্মালি প্ৰতি দিনে ৰাজাক দিয়ে।

ৰূপাৰ দুৱাৰী-ঘৰৰ পৰা কিছোমান গৈ তাতে পথালিকৈ কাঠ-বাঁহৰ কুঁজিঘৰ এটা আছে। তাতে শালকাঠৰ কলহী কাটি সিৰ পাতি খুঁটা দিছে। হিঙ্গুলীয়া কৰিয়া চতিৰ দুই মূৰে মগৰৰ মুখ কাটি দিছে। সেই ঘৰৰ কাঠী, কামী, কৰা, পাট, বেট সকলো হিঙ্গুলীয়া কৰি দিছে। কামীৰ ওপৰত চিকণ শীতল দৈৰ পাটী দিছে, তাৰ ওপৰত খেৰেৰে ছাইছে, ঘৰৰ ওপৰত সোণৰ ঘট এটা দিছে। সেই ঘৰৰ মাজে বাট, দুফালে ৮ হাত মান ওখ ইটাৰ ভিঁটি, আকে সোণাৰ দুৱাৰী ঘৰ বোলে। এই ঘৰৰে দুফালে ইটাৰ ভিঁটিৰ ওপৰত পাটী পাৰে, তাৰ ওপৰত দলিচা পাৰে, তাতে বহি বৰা-বৰুকে মেল কৰে।

তাৰ দেশৰ বৰা-বৰুক পাত্ৰ-মন্ত্ৰীৰ লেখা।—ৰাজবংশী যুৱৰাজ ১ জন, আৰ ওপৰত আৰোৱান ধৰে। ৰাজাৰ যিখনি অধিকাৰ আছে

Digitized by Panjab Digital Library | www.panjabdigilib.org

সকলতো ইয়াৰ আজ্ঞা চলে ; আৰু দেশৰ কৰ-খাজানা, আহিলা-পাতি, হাতী-ঘোঁৰা, চাকৰ-চিপাহী সকলৰো বুজ এয়ে কৰে। যুদ্ধ-বিগ্ৰহ হলে সকলকো নিয়ম কৰি এয়ে চলায়, টান লাগিলে আপুনিও যায়। ইয়াক ৰাজা সুকীয়া কৰি গাওঁ-পৰঙ্গনা দিছে। তাৰে টকা-কড়ি তুলি আপুনিও ব্যৱহাৰ কৰে, তাৰ লগত থকা চাকৰ-চিপাহীকো দিয়ে।

আৰু ৰাজবংশী বৰঠাকুৰ ১, ইয়াৰো আৰোৱান আছে। সুকীয়া কৰি গাওঁ-পৰঙ্গনা দিছে, যুৱৰাজত কৰি টুটা। এই দুইৰো লগত নিসান চলে, দুইৰো ঘৰত ডাঁৰ-পৰ মাৰে।

আৰু উজীৰ ১, নাজীৰ ১, নেমুজীৰ ১, কাৰ্কোন ১, কোটোৱাল মুছিব ১, এইসকল আমাৰ এখেৰ বৰবৰুৱা, ফুকনবোৰ যেনে তেনে। ইহঁত ত্ৰিপুৰা ৰাজাত আনে ই বিষয়ৰ অধিকাৰী হব নাপাই।

হিন্দুৰ দেৱান ১, এইসকলকো গাওঁ-পৰঙ্গনা দিছে। তাৰে খাজনা তুলি আপুনিও ব্যৱহাৰ কৰে, লগত থকা মানুহকো দিএ। দেৱানৰ বিষয়—দেশ-দেশান্তৰৰ পত্ৰ আহিলে মাতিব লাগে, দিব লাগিলেও দিএ, দেশৰো লেখা-জোখা কৰে।

খাঞ্চমা বৰুৱা ১, ৰাজাৰ সকলো ভণ্ডাৰৰ অধিকাৰ। আনো বৰুৱা, হাজাৰি, ভাল মানুহ যি আছে, সকলো সেই ঘৰতে বহি কাৰবাৰ কৰে। ৰাজা সেই ঘৰত নবহে।

সেই ঘৰৰে পূব ফালে হাতীশাল এখন আছে। তাতে ৰজা উঠা হাতী দঁতাল দুটা, মাখুন্দী দুটা আছে। পছিম ফালে আছে ঘোঁৰাশাল ১ খান, তাতে ঘোঁৰা ১০০ মান।

সোণাৰ দুৱাৰৰ পৰা কিছোমাম গৈ ভিতৰ কোঁঠৰ ইটাৰ গড়তে লগাই কাঠ-বাঁহৰ ঘৰ অটা আছে। তাৰে ইটাৰ ভিঁটি ৭ হাত মান ওখ হব, বাৰো ইটাৰে। আগলৈ তিনি কোঁঠা এৰি পথলীয়াকৈ ইটাৰ বাৰ, ভিতৰলৈ দোকোঁঠা থাকে। সেই ঘৰৰে আগফালে দখিণলৈ মুখে

Digitized by Panjab Digital Library | www.panjabdigilib.org

পছিম ফালে খটখটি কাটি বাট দিছে। সেই ঘৰৰে ভিতৰ ফালে ৰাজা ভিতৰৰ পৰা অহা-যোৱা কৰা বাট আছে। সেই ঘৰৰ বাজ তিনি কোঁঠালী এৰি ভিতৰৰ দোকোঁঠালৈ ৰাজাৰ সেৱকত বাজে আনে যাব নাপাই আৰু সেই ঘৰলৈ সকলো যাব নাপাই। ৰাজাৰ আজ্ঞা যাত হৈছে সেইহে যাব পাই। তাতে বাজৰ তিনি কোঁঠাত কট পাৰি তাৰ ওপৰত ৰঙ্গা পাটী পাৰি তাৰ ওপৰত দলিচা পাৰিছে। তাৰ ওপৰত সকলো হাতীদাঁতৰে সজা ৰাজা বহা সিংহাসন এখন পাৰিছে। তাৰ ওপৰত পাটৰ তলচা, তাৰ ওপৰত বানাত পাৰিছে। সেই বানাতৰ চাৰিও ফালে সোণৰ জালৰ দিছে, তাৰ ওপৰত কিমখাপ কাপৰৰ গাঁৰু, তাতে ৰজা বহে। সেই ঘৰৰ তিনি কোঁঠা জুৰি কপাহীৰ চন্দোৱাৰ এখন তৰিছে। খুঁটাত কিৰ্ম্মিজিৰ গিলিপ দিছে। সিংহাসনৰ ওপৰত সোণৰ বৰৈ দিয়া চন্দোৱাৰ এখন তৰিছে। এই ঘৰটিত এইৰূপে সকলো দিনে থাকে। ইয়াকে সিংহাসনৰ ঘৰ বোলে। সেই ঘৰৰ ভিতৰৰ দোকোঁঠাত ৰাজালৈ তামোল কাটে, আৰু ৰাজাৰ সেৱক-সকলো থাকে। তাৰ পৰা ভিতৰলৈ যাক মাতে সেইহে যাব পায়।

এই ঘৰৰ পছিম ফালে তিনি বেও মান অন্তৰত দুৱাৰ এখন আছে, তাকে খিৰিকি-দুৱাৰ বোলে। তাৰ ওপৰত ঘৰ নাই। দুফালে দুটা খুটা দি তাৰ ওপৰত পাট এচলা দিছে, তাৰ ওপৰত ইটা দিছে। গড়েৰে সমানকৈ তলে পাট-দুৱাৰ। সেই দুৱাৰৰ পছিম ফালে গড়ৰ কাখৰত ঘোঁৰাশাল এখন আছে। তাতে ৰজা উঠা তুৰুকী ঘোঁৰা ২টা, তাজী ঘোঁৰা ২, মেখেলি ৰাজৰ অনা টাঙ্গন ঘোঁৰা ২, এই ছটা ঘোঁৰা আছে।

দুৱাৰৰ পৰা চাৰি বেও মান অন্তৰত কাঠ-বাঁহৰ চৌচালি ঘৰ এটা আছে। তাৰ ভিঁটি ইটাৰ, ওখএ ১ হাত মান হব। তাৰ আগ-ফাল খলা, ইটাএ বান্ধিছে। ঘৰৰ পৰা এক বেও মান খলাত কৰি এক বেগত ওখ কৰি ইটাএ বান্ধি ঘৰতে লগাই এক হাত মান ওখ কৰি

Digitized by Panjab Digital Library | www.panjabdigilib.org

পাটৰ মঠৰি জটীয়া কৰি দিছে। ঘৰটি জুৰি কপাহী চন্দোৱাৰ এখন আছে। ঘৰটি জুৰি ঢাৰি পাৰিছে। তাৰ ওপৰত ৰঙা পাটী, তাৰ ওপৰত দলিচা, তাৰ ওপৰত চুজানি পাৰি ৰাজা বহে। তাও কাপৰৰ মাজত অলপ কৰি তুলা দি ফুল তুলি সিছে। তাৰে চাৰি ফালে বানাতৰ পাণ কাটি সোণৰ জালৰ দিছে। তাৰ ওপৰত সৰু গাঁৰু ৪টি, বৰ গাঁৰু ১টা। কোনো সময়ত ৰাজা তাতে বহে। তালৈকে যাক মাতে সিহে যাব পায়। এক দিন আমাৰ কটকীক সেই ঠাইলৈকে নিছিলে। আৰু সেই ঘৰলৈকে ভিতৰৰ পৰা ৰাজা অহা ইটাৰ আলি এটি আছে। সেই ঘৰৰ ঐশান্য কোণে ইটাৰ দৌল এটি আছে। তাতে ৰাজাএ পূজা-সেৱা কৰে।

সিংহাসনৰ ঘৰৰ পৰা দীৰ্ঘে ইটাৰ গড় আছে, পাচফালৰ গড়ত লাগিছে। এই গড়ৰ ভিতৰে ৰাজা থকা ইটাৰো খেৰ-বাহঁৰো ঘৰ আছে। ভিতৰ কোঁঠৰ গড়ৰ কোখৰত তাল, নাৰিকলৰ গছ আছে। কোঁঠৰ বাজে পূব ফালে সোণৰ ৰূপৰ সকলৰো ভণ্ডাৰ আছে, ৰাজাৰ মুখ্য পটেশ্বৰীৰ ভণ্ডাৰ আছে, আৰু খেৰ-বাহঁৰো ১০টা মান ঘৰ আছে। আতে আহিলাপাতিও আছে।

তাৰ পূব ফালে ১০০ বেও মানৰ অন্তৰত ইটাৰ কুঠুৰি দুটা আছে। তাতে খাৰ-বাখৰ থৈছে। কোঁঠৰ পূব ফালে উত্তৰ ফালে ঢপলীয়া পৰ্ব্বত আছে। তাতে ত্রিপুৰা মানুহৰ ঘৰ-বাৰী আছে। বাৰীত আম, কঠাল, বেল, নাৰিকল, তাল, তামোল, এৰমাদি শস্য আছে। এই দুই ফালে হাবি পৰ্ব্বত, তাৰে মাজে মাজে ত্রিপুৰা মানুহ আছে। তাতে আদা, তৰ্ব্বুজ, ধান, কপাহ, কচু, কোমোৰা, আলু, কনীধান আকে আৰ্জ্জে।

কোঁঠৰ পছিম ফালে গড়ৰ কিছোমান অন্তৰতে গোমতী নদী বৈ গৈছে। দক্ষিণ ফালে ৰাজাৰ দ্বাৰমুখত হাট এখন আছে, তাকে ৰাজহাট বোলে। তাতে তাম, পিতল, হিঙ্গ, লঙ্গ, জাতিফল, কাপৰ,

Digitized by Panjab Digital Library | www.panjabdigilib.org

কপাহ, লোণ, চিনি, বাতাচা, গাখীৰ, খিৰ্চ্ছা, ঘৃত, হালধিগুড়ি ইত্যাদি কৰি সকলো ওলায়। হাটৰে পৰা মধ্যে ৰাজপথ। দুয়ো ফালে বনীয়া, বেপাৰী, কিনা-বিকা কৰা এনে মানুহৰ হাটী জটীয়া ঘৰ আছে। ঘৰৰ আগে আগে দোকান আছে। পিচফালে বেল, নাৰিকল আছে। কোনো ঘৰৰ আগে আগে ইটাৰ ভিঁটি বান্ধি তুলসী ৰুইছে. দিনে দিনে সেৱা কৰে। বঙ্গপুৰৰ বৰদুৱাৰমুখৰ পৰা জেৰেঙ্গাৰ পুখুৰী মান এনে জটীয়া হাটী ঘৰ দুও ফালে আছে। আৰে মাজে মাজে বজাৰ আছে। এই বাটৰ মাজৰ পৰা অগ্নিকোণলৈ বাট এটা আছে, এখেৰ বৰচ'ৰাৰ পৰা ঔগুৰিহাট মান হব। এই বাটৰো দুও ফালে কিনা-বিকা কৰা মানুহৰ ঘৰ আছে, তাতে বজাৰো আছে।

এই বাটৰ মূৰত কাঠ-বাঁহৰ ইটাৰ ভিঁটিএৰে চৌচালি ঘৰ দুটা আছে। সেই দুই ঘৰত ১৪ দেৱতাৰ মূৰ্ত্তি আছে। তাৰ পূজা বছেৰেকত এক জোৱাৰি হয়। ছোমতাৰা দেওধাই যেনে তেনে, সেএ পূজা কৰে। ম'হ, মেঠন, গাহৰি, কুকুৰা, হাঁহ, পাৰ, ছাগ, পহু, মাছ, কাছ, অমদ্য, এই সকলেৰে পূজা কৰে। পূজালৈ ৰাজাও যায়।

এই বাটৰ মূৰতে গোমতী নদী ঘূৰি গৈছে। নদীৰ সিপাৰে হাবি পৰ্ব্বত, তাতে ত্ৰিপুৰা মানুহ আছে। আৰু মঘৰ দেশ মাৰি অনা মানুহকো পাতিছে। সিহঁতে ধান, কপাহ ইত্যাদি শস্য আৰ্জ্জে। বাটৰ পূব ফালে ঢপলীয়া পৰ্ব্বত, তাতে ত্ৰিপুৰা মানুহৰ ঘৰ-বাৰী আছে। বাৰীত আম, কঠাল ইত্যাদি শস্য আছে। সিদিকিলৈ পৰ্ব্বত, তাতে ত্ৰিপুৰা মানুহ আছে। ধান, কপাহ ইত্যাদি শস্য আৰ্জ্জে। পৰ্ব্বতৰ ওচৰৰ পৰা কোঁঠৰ গালৈকে ত্ৰিপুৰা মানুহৰ ঘৰ আছে, বৰা-বৰুকৰো ঘৰ আছে। আৰে বাৰীত তাল, নাৰিকল ইত্যাদি শস্য আছে। কোঁঠৰ পছিম ফালে কোঁঠৰ ওচৰতে বৰঠাকুৰৰ ঘৰ আছে। আৰে পছিম ফালে ত্ৰিপুৰা মানুহৰ ঘৰ আছে।

গোমতী নদীৰ সিপাৰে পূবা-পছিমাকৈ ৰাজপথ এটা আছে।

Digitized by Panjab Digital Library | www.panjabdigilib.org

সেই বাটতে নদীৰ ওচৰতে গঞ্জ এখন আছে। তাতে তাম, পিতল, কপাহ, কাপৰ, লোণ, তেল, ঘৃত, আনো দ্ৰব্য সকলো ওলাই। আৰু ঘৰ সাজি ধান, চাউল, মাহ, সৰিহ, ধোঞাপাত এইসকল থৈছে। তাতে বিকা-কিনা কৰে। তাতে বঙ্গালৰ মানুহে আহি তাও, বন-বাখৰ আনি বিকা-কিনা কৰে। এইৰূপে প্ৰতি দিনে পুৱাৰে পৰা ৰাতিৰ পৰ মৰালৈকে কিনা-বিকা কৰে।

বাটৰ উতৰ ফালে নদীৰ কোলতে দুৰ্জ্জয়সিংহ যুৱৰাজৰ ঘৰ আছে। তাৰ ঘৰ মেৰাই ইটাৰ গড় আছে। গড়ৰ বাজে ইটাৰ চৌচালি ঘৰ এটি আছে, তাতে বহি মেল কৰে। তাৰ ঘৰৰে পৰা পছিমে উতৰে বঙ্গালী মানুহৰ ঘৰ আছে। সেই বাটৰ দুও ফালে হাটী জটীয়াকৈ কিনা-বিকা কৰা মানুহৰ ঘৰ আছে, নগৰীয়া মানুহৰো ঘৰ আছে, দুডাৰ মান বেলিৰ বাটলৈ। ইহঁতৰ বাৰীত দুই-চাৰি গছকৈ, তাল, নাৰিকল, বেল, তামোল আছে। এই বাটতে হাট ৩ খন আছে।

বাটৰ দক্ষিণ ফালে চম্পকৰায় যুৱৰাজৰ পুখুৰী এটা আছে, ৬ পুৰা মানৰ মাটি হব। তাৰে পছিম ফালে ইটাৰ দালান ঘৰ এটি আছে। পুখুৰীৰ পানীৰ মাজত ৮ চুকীয়া ইটাৰ ভিঁটিৰ ওপৰত কাঁহৰ পতা মৰা খুঁটা ৮টা আঠ চুকে লগাইছে। তাৰ ওপৰত তামৰ দৌল কৰিছে ৮ চুকীয়া কৰি। তাতে কালিদমন ভাৱনা কৰোঁতে ৰাজা ৰত্ন-মাণিক্য বহিছিলে। তালৈকে আমাৰ কটকীকো নিছিলে। পুখুৰীৰ ৪ পাৰ ইটাৰে বান্ধিছে। পাৰত ফুল, নাৰিকল, বেল, ডালিম এইসকল ৰুইছে। বাটৰ উতৰ ফালে আদপুৰা মান মাটি মেৰাই শিলাৰ গড় বান্ধিছে, ওখএ ৫ হাত মান হব। গড়ৰ ভিতৰৰ খলাকো শিলেৰে বান্ধিছে। গড়ৰ ভিতৰে পূব ফালে শিলাৰ দৌল আছে, ওখএ ২০ হাত মান। তাতে শিলাৰ চতুৰ্ভুজ বিষ্ণুৰ মূৰ্ত্তি আছে। সেই দৌলৰ উতৰে শিলাৰ দৌল আছে, ওখএ ১৮ হাত মান। তাতে বৃষভ বাহন শিৱৰ মূৰ্ত্তি আছে। আৰু তাতে শিলাৰ কুঁজিঘৰ এটি

Digitized by Panjab Digital Library | www.panjabdigilib.org

আছে। তাতে শিলাৰ দুৰ্গাৰ দশভুজা মূৰ্ত্তি আছে। এই ৩ ঠাই ব্ৰাহ্মণে প্ৰতি দিনে পূজা কৰি ৰাজাক নিৰ্ম্মাল্য দিএ। পূজাৰি ব্ৰাহ্মণ থকা শিলাৰ ঘৰ এটি আছে। পালৰ ইহাএ ব্ৰাহ্মণে তাতে থাকি সেৱা পূজা কৰে।

আৰে উত্তৰ ফালে গোমতী নদী ঘূৰি গৈছে। সেই নদীৰ সিপাৰৰ পৰা হাবি পৰ্ব্বত। তাতে ত্ৰিপুৰা মানুহ আছে, ধান, কপাহ আৰ্জ্জে। বাটৰ দক্ষিণ ফালে অমৰসাগৰ নাম এক দীৰ্ঘী আছে, দীৰ্ঘে আমাৰ ৰঙ্গপুৰৰ পুখুৰীৰ মান, পথালিএ আৰে আদখনিতকৈ কিছু বঢ়া। আৰে পূব পাৰে ৰাজবংশী দুই ঠাকুৰৰ ইটাৰো কাঠ-বাঁহৰো ঘৰ আছে। এই দুইৰ লগত নিসান, নাগড়াও চলে, ঘৰতো ডাঁৰ-পৰ মাৰে। দীৰ্ঘীৰ চাৰিও পাৰে নগৰীয়া মানুহ, তাঁতী, সোণাৰি, কমাৰ, কুমাৰ, চমাৰ, কুন্দাৰ, ধোবা, বাঢ়ৈ এইসকলৰ ঘৰ আছে। আৰে পছিম ফালে কিছোমান অন্তৰত আৰু এটা দীৰ্ঘী আছে, তাৰ নাম বিজয়সাগৰ। বিজয়মাণিক ৰাজাএ খনালে। দীঘলে তেলীয়াডোঙ্গাৰ পুখুৰীৰ মান, পথালিএ তাৰে আদখনিত কৰি কিছো বঢ়া। ইয়াৰো চাৰি পাৰে নগৰীয়া মানুহৰ ঘৰ আছে। এই দুই পুখুৰীৰ মাজত ব্ৰাহ্মণ, কায়স্থ, দৈৱজ্ঞ, বৈদ্য, মালী এইসকলৰ ঘৰ আছে। এই দীৰ্ঘীৰ উত্তৰ পাৰে চম্পকৰাই যুৱৰাজে বন্ধোৱা ইটাৰ দৌল এটা আছে। আৰে পছিমে ৰামমাণিক্য ৰাজাএ খনোৱা এটা দীৰ্ঘী আছে, তাৰ নাম ৰামসাগৰ। বিজয়সাগৰতকৈ কিছো সৰু।

আৰে দখিণ পাৰে ইটাৰ দৌল এটা আছে। আতে সদাশিৱৰ লিঙ্গ আছে। ব্ৰাহ্মণে পূজা কৰে। আৰে পাৰত ৰাজাৰ পোৰোহিত, সভাপণ্ডিত আনো ব্ৰাহ্মণৰ ঘৰ আছে। আৰে দখিণে পছিমে দুয়ো ফালে এক প্ৰহৰ মানৰ বাটলৈ এইখনি গাওঁ চহৰ। আৰে লোকজনে খেতি-কৃষি কৰে। বাৰা-খেৰীও আছে, গৰু-মহো আছে। আৰে পৰা দখিণ ফাললৈ হাবি পৰ্ব্বত।

Digitized by Panjab Digital Library | www.panjabdigilib.org

পছিম ফালে গ্ৰামৰ পৰা ছয় দণ্ড মানৰ বাট চপলীয়া পৰ্ব্বত হাবি। তাৰে মূৰত পৰ্ব্বতৰ ওপৰতে উত্তৰা-দখিণাকৈ মাটিৰ গড় এটা বান্ধিছে, ওখএ ৯ হাত মান হব। সেই গড় দীৰ্ঘে কিমানলৈ আছে কব নোৱাৰি! গোমতী নদী সেই গড়ৰ মাজেদি গৈ বঙ্গালৰ পানীত পৰিছে। সেই গড়কে চণ্ডীগড় বোলে। চণ্ডীগড় বুলিবৰ কাৰণ,—পূৰ্ব্বে অমৰমাণিক্য ৰাজাএ আপোনাৰ সীমাৰ পৰা বঙ্গালৰ সোনাৰ গাওঁ পৰ্য্যন্তে দুই দিনৰ পথ মাৰিলে। দুই বছৰ তাৰে খাজানাও লৈছিলে। পাচে বঙ্গালে সহিতে যুদ্ধ হ'ল। সিদিকিৰ পৰা বঙ্গালে হোঁহোঁকাই আনিলে। এই পৰ্ব্বতত আহি ঘোৰ যুদ্ধ হ'ল। পাচে ৰাজা এই পৰ্ব্বততে চণ্ডী ঠাকুৰাণীক পূজা কৰিলে। পাচে অনেক বঙ্গালক মাৰি ঠাকুৰাণীৰ প্ৰসাদে ৰাজাৰ জয় হ'ল। পাচে ৰাজা সেই পৰ্ব্বততে গড় কৰি চণ্ডীগড় নাম থলে। এই কাৰণে চণ্ডীগড় বোলে। এই গড়তে চকীয়াল মানুহ থাকে। ৰাজাৰ ছাব ৰিজু হলেহে অহা-যোৱা মানুহক এৰি দিয়ে।

এই গড়ৰ বাজে ৬ দণ্ড মানৰ পথ হাবিএ আছে। তাৰে পৰা বঙ্গালৰ সীমালৈকে দুদিনৰ বাট, গাওঁ চহৰ। তাতে আছে,—মেহেৰকূল পৰঙ্গনা ১ খান, খণ্ডল পৰঙ্গনা ১ খন, মণ্ডল পৰঙ্গনা ১, বকাছাই পৰঙ্গনা ১, লোহাগড় পৰঙ্গনা ১, তিচিনা পৰঙ্গনা ১, তিলি পৰঙ্গনা ১, লোণনগৰ পৰঙ্গনা ১, লাঙ্গলীয়া পৰঙ্গনা ১, মিৰ্জ্জাপুৰ পৰঙ্গনা ১, ভূছনা পৰঙ্গনা ১, বিছগাওঁ পৰঙ্গনা ১, কৈলাশৰ পৰঙ্গনা ১, ধৰ্ম্মনগৰ পৰঙ্গনা ১। এই পৰঙ্গনাসকলত ধান, মাহ, সৰিহ ইত্যাদি শস্য আছে। আৰু তাতে কপাহা চিকণ তাও, পটুকা, পাগ এনেবিধ কাপৰ জন্মে।

এই ধৰ্ম্মনগৰৰ পছিম ফালৰ পৰা এক প্ৰহৰ মানৰ বাট হাবি। আৰে পৰা সিদিকিলৈ বঙ্গাল আছে। ধৰ্ম্মনগৰৰ উত্তৰে এক দিন মানৰ বাট হাবি। সেইখনিতে দলেশ্বৰগাঙ্গ বুলি এখনি নৈ আছে।

Digitized by Panjab Digital Library | www.panjabdigilib.org

তাৰে পৰা ইদিকি কছাৰী ৰজাৰ অধিকাৰ। সেই নৈ কছাৰীৰ সীমাৰ নামে আহি বঙ্গালৰ বোন্দাশিলৰ থানাৰ উজনীত বৰাক নৈত পৰিছে। সেই বৰাকৰ ইপাৰৰ পৰা কছাৰীৰ ৰাজ। এই পৰঙ্গনাসকলৰে ত্রিপুৰা ৰাজাৰ খাজনা তোলা পৰঙ্গনাও আছে, ৰাজমহিষীৰো আছে, ৰাজবংশী সকলৰো আছে। আনো বৰা-বৰুক সকলকো নিয়মৰ ইছাএ আৰে বিভাগ কৰি দিছে। আৰু ৰাজাৰ নগৰৰ দখিণে গোমতী নদীৰ সিপাৰে ইটাৰ দৌল এটা আছে, ওখএ ৪০ হাত মান হব। তাতে ত্রিপুৰা ঠাকুৰাণীৰ মূৰ্ত্তি আছে। সেই দৌলৰে অগ্নিকোণত পৰ্ব্বতৰ ভিতৰত কুণ্ড-জটীয়া এক তীৰ্থ আছে, সেই কুণ্ডৰ নাম ডম্বৰু। সেই কুণ্ডৰ জলত সৰ্ব্বদাএ ধুঞা বৈ থাকে। সেই ধুঞাত অগ্নিৰ শিখা হেন দেখি, জল তপত নহয়। ৰাজাৰ দেশৰ নগৰৰ লেখা সমাপ্ত।

১২শ আধ্যা।

ত্রিপুৰা ৰজাৰ পূৰ্ব্বপুৰুষৰ কথা।

ত্রিপুৰা ৰাজাৰ উৰ্দ্ধপুৰুষৰ কথা।—পূৰ্ব্বে ইহঁতৰ ৰাজা নাম নাইকিছিল। অমুকফা, তমুকফা এনে নাম আছিল। আমাৰ নগাৰ খুনবাউ যেনে তেনে। পাচে কঞ্চৌফা নামে এক ত্রিপুৰা মানুহ এটাৰ এক পৰম সুন্দৰী কন্যা এটা জন্মিল। পিতৃৰ গৃহতে কালক্রমে সেই কন্যা যুৱা হ'ল। পাচে ক'তো দিয়া নাই। পাচে এক ৰাত্রি এক পুৰুষৰ বেশ ধৰি সদাশিৱে সেই কন্যাক হৰিলে। পাচে সেই কন্যাৰ গৰ্ভ হ'ল। পাচে তাৰ জ্ঞাতি-কুটুম্বে সুধিলে, বোলে,—"তোৰ এই কন্যাৰ গৰ্ভ কিৰূপে হ'ল?" পাচে সেই কন্যাত সুধিলত কলে, বোলে,—"এক দিন ৰাত্রি আসি এক পুৰুষে মোক

Digitized by Panjab Digital Library | www.panjabdigilib.org

হৰিলে, তাক চিনিব নোৱাৰিলোঁ।" পাচে সেই কন্যাৰ বাপেকত সদাশিৱে স্বপ্নত কলে, বোলে,—"মোৰ বীৰ্য্যে গৰ্ভ হৈছে, মঞি সদাশিৱ, তহঁতে ইয়াত সংশয় নকৰিবি। এই কন্যাৰ পৰা এক পুত্ৰ জন্মিব, সেএ তহঁত সকলৰো ৰাজা হব।" পাচে কালক্ৰমে সেই কন্যাৰ পুত্ৰ জন্মিল। কালানুসাৰে সেই বালক বৰ হ'ল, মহাবলৱন্ত হ'ল। পাচে ত্ৰিপুৰাৰ মানুহ সকলৰো অধিকাৰ হ'ল। পাচে এক দিন পহু মাৰিবলৈ গ'লত এক পৰ্ব্বতৰ গহ্বৰত প্ৰকাশ হৈছিলে। পাচে সেই প্ৰকাশ দেখি কিহে প্ৰকাশ কৰিছে বুলি চালত দেখিলে এটা বেঙ্গে সৰ্প এটাক ধৰিছে। সেই বেঙ্গৰ মূৰত এটা মাণিক্য আছে, সেই মাণিক্যে প্ৰকাশ কৰিছে। পাচে সেই সৰ্পক মাৰিলে, বেঙ্গক মাৰিও মাণিক্য ললে।

পাচে সেই ৰাত্ৰি স্বপ্নত সদাশিৱে কলে,—"এই মাণিক্য তঞি গৌৰ পাৎসাক দিবি, এতেকে তোৰ সকলো কাৰ্য্য সিদ্ধি হব।" পাচে মাণিক্য নি গৌৰ পাৎসাক দিলেনি। পাচে মাণিক্য পায়া বৰ সন্তোষ হয়া দণ্ড-ছত্ৰ দি ৰাজা পাতি ৰত্নমাণিক্য নাম থলে। আৰু বুলিলে, বোলে,—"তোৰ বংশত পাচলৈকো যি ৰাজা হব সেই সকলৰো মাণিক্য নাম ৰাখিব।" পাচে পাৎসা ৩৬ জাতি লোক সঙ্গত দি আদৰপূৰ্ব্বকে আপোনাৰ দেশক পঠাই দিলে।

পাচে ৰাজা আপোনাৰ দেশক আহি নগৰ কৰিলে। সেই নগৰৰ উদয়পুৰ নাম থলে। পাচে সদাশিৱৰ অনুগ্ৰহ মানি সুবৰ্ণৰ ত্ৰিশূল ১, অৰ্দ্ধচন্দ্ৰ এক, এই দুইক কৰিলে। ৰাজা ওলালে মান্য কৰি এই দুইক আগত লয়। পাচে বসিবৰ অৰ্থে সিংহাসন কৰি ললে। পাচে কতো কাল স্বতন্ত্ৰে ৰাজ্য ভোগ কৰিলে। পাচে কালক্ৰমে ৰাজা পৰলোক হ'ল। তান পুত্ৰ অমৰমাণিক্য, তান পুত্ৰ যশোমাণিক্য, তান পুত্ৰ বিজয়মাণিক্য, তান পুত্ৰ কৈলাণমাণিক্য। কৈলাণমাণিক্যৰ দুই পুত্ৰ জন্মিল। এটাৰ নাম গোবিন্দমাণিক্য, এটাৰ নাম ছত্ৰমাণিক্য। গোবিন্দমাণিক্য ৰজা হৈ ৩ বছৰ আছিল।

Digitized by Panjab Digital Library | www.panjabdigilib.org

পাচে তান ভাই ছত্রমাণিক্যে বঙ্গালত গৈ দুই হাতীৰ কবুল কৰি ওল দিম বুলি বঙ্গালৰ লোকলস্কৰ আনি গোবিন্দমাণিক্যক ভাঙ্গি ছত্রমাণিক্য ৰাজা হ'ল। সেই দিনৰ পৰা বঙ্গালক হাতী দিবৰ নিবন্ধ হ'ল। ৰাজাৰ বংশে বঙ্গালৰ ঠাইত ওল থাকিবৰো নিবন্ধ হ'ল। পাচে গোবিন্দমাণিক্যে ৰাজা ভাগি ২ বছৰ ঘৰত আছিল। ছত্রমাণিক্য ৰাজা হৈ প্রাণীৰ সুখ-দুখ বিছাৰ নকৰে, বৰা-বৰুকৰো মান্য ছন্ন কৰিলে। পাচে সকলো বৰা-বৰুকে যুক্তি হৈ গোবিন্দমাণিক্যত কলে, বোলে,—"ছত্রমাণিক্যে সকলো দেশ উছন্ন কৰিলে। কোনো দিনে বঙ্গালক হাতী দিবৰ, ওল খটিবৰো নিবন্ধ নাইকিছিল, এখন তাকো কৰিলে। এতেকে আমি সকলো যুক্তি হৈ তোমাক ৰাজা পাতোঁ।" পাচে গোবিন্দমাণিক্যে বুলিলে, বোলে,—"ভাল, সকলেও অবিৰোধ-পূর্ব্বকে মোক ৰাজা যদি পাতিব পাৰ মঞো তহঁতক ভালৰূপে মর্য্যদা দিম।" পাচে ছত্রমাণিক্যক মাৰি গোবিন্দমাণিক্য ৰাজা হ'ল। পাচে গোবিন্দমাণিক্য ৰাজা হৈ কদিন থাকি বঙ্গালক হাতী দিবৰ এৰিলে। পাচে গোবিন্দমাণিক্য বহুত দিন ৰাজভোগ কৰি মৰিল।

পাচে তান পুত্র ৰামমাণিক্য ৰাজা হ'ল। তান ভাতৃ নৰেন্দ্র-মাণিক্যক প্রতিপাল কৰি সঙ্গতে ৰাখিছিল। ৰামমাণিক্য ৰাজাৰ চম্পকৰাই সম্বন্ধি ভাতৃ হয়। সকলো গুণে যোগ্য দেখি তাকে যুৱৰাজ পাতিলে। পাচে ৰামমাণিক্য ৰাজাৰ বিবাহিতা মুখ্য ভার্য্যাৰ পুত্র ৰত্নমাণিক্য জন্মিল, আৰু অবিবাহিতা ৩ ভার্য্যাৰ ৩ পুত্র জন্মিল, এটাৰ নাম দুর্জ্জয়সিংহ, এটাৰ নাম ঘনশ্যাম, এটাৰ নাম চন্দ্রমণি, এই ৪ পুত্র হ'ল। পাচে ৰামমাণিক্য ৰাজা পৰলোকৰ সময়ত ৰত্নমাণিক্য ৭ বছৰীয়া বালক। পাচে ৰাজা ৰাজ্যে সহিতে ৰত্নমাণিক্য পুত্রক চম্পকৰায় যুৱৰাজৰ হাতত সমর্পণা কৰি দিলে।

Digitized by Panjab Digital Library | www.panjabdigilib.org

১৩শ আধ্যা।

ত্রিপুৰা সিংহাসনত ৰত্নমাণিক্য ৰজা।

পাচে ৰাজা পৰলোক হ'লত চম্পকৰায় যুৱৰাজে ৭ বছৰীয়া বালক ৰত্নমাণিক্যক আনি সিংহাসনত বসাই ৰাজা পাতিলে। দেশৰ কাৰবাৰ নিশেষে আপুনি চলাইছিলে। এইৰূপে কতো দিন আছিল। পাচে ৰামমাণিক্যৰ ভাই নৰেন্দ্ৰমাণিক্য বঙ্গালৈ গৈ 'আগত কৰি পাৎসালৈ আৰু দুই হাতী বঢ়াই দিম, ঢকাৰ নবাবলৈকো এক হাতী দিম' বুলি বঙ্গালৰ লোকলস্কৰ আনিলে। এই কথা শুনি চম্পকৰাই পলাই ঢকালৈ গ'ল।

ৰত্নমাণিক্যক ভাঙ্গি নৰেন্দ্ৰমাণিক্য ৰাজা হ'ল। ৰত্নমাণিক্যক সঙ্গতে ৰাখি ভালৰূপে প্ৰতিপাল কৰিছিলে। পাচে নৰেন্দ্ৰমাণিক্য ৰাজা হৈ আগৰ পাত্ৰ-মন্ত্ৰী সকলকো অসূয়া কৰিব ধৰিলে। প্ৰজাৰো সুখ-দুখ ভালৰূপে বিচাৰ নকৰে। পাচে সকলেও সমালোচন কৰি চম্পকৰাইক প্ৰতি ৰহস্যে পত্ৰ লিখিলে, বোলে,—"নৰেন্দ্ৰমাণিক্য ৰাজা হুই অনীতিএ প্ৰবৰ্ত্তে, প্ৰজাৰো সুখ-দুখ বিচাৰ নকৰে। এই কাৰণতে দেশ উছন্ন হৈল। আপনেও ঢাকাতে গৈয়া নিচিন্তে ৰহিলেন। এখনে যেমনে ৰত্নমাণিক্যক ৰাজা কৰি আপনেও যুৱৰাজ হয়া পূৰ্ব্বৱতে প্ৰজা প্ৰতিপাল কৰিবেন, এইৰূপ উপায়ক চিন্তি শীঘ্ৰে আসিবেন। আমিও আপনাৰ সঙ্গতে আছোঁ হেন জানিবেন।" এইৰূপে পত্ৰ লেখি ৰহস্যে দি পঠালে। পাচে চম্পকৰাইএ পত্ৰ পাই যত্ন কৰি বঙ্গালৰ লোকলস্কৰ লৈ আহিল। পাচে নৰেন্দ্ৰমাণিক্য ৰাজাএ আপোনাৰ দেশৰ লোকলস্কৰ লৈ চণ্ডীগড়ত গৈ যুদ্ধ ধৰিলে। পাচে নৰেন্দ্ৰ-মাণিক্যৰ লগৰ বৰা-বৰুকে গৈ চম্পকৰাইৰ লগ ললে। পাচে নৰেন্দ্ৰমাণিক্য ৰাজা ভাগি নগৰলৈ আহি আপোনাৰ স্ত্ৰী-পৰিজনক এৰি ৰত্নমাণিক্যক সম্ভাষা কৰি পলাল।

Digitized by Panjab Digital Library | www.panjabdigilib.org

১৪শ আধ্যা।

যুৱৰাজ চম্পকৰায়ৰ হত্যা।

পাচে চম্পকৰাই আহি ৰত্নমাণিক্যক ৰাজা পাতিলে, আপুনিও যুৱৰাজ বিষয়তে ৰহিল। পাচে নৰেন্দ্ৰমাণিক্যক বিচাৰ কৰি আনি মাৰিলে। পাচে চম্পকৰাএ সকলকো অনুৰূপে মৰ্য্যাদা দি প্ৰজাৰো ভালৰূপে সুখ-দুখ বিচাৰ কৰি অনেক চাকৰ-চিপাহী সঙ্গত ৰাখি ৰত্নমাণিক্যক সেৱা কৰি কতো দিন আছিল। পাচে চম্পকৰাইৰ ভাগিনেক কাশীৰামক হাতীখেদাৰ চুবা পাতিলে। আগৰ নিয়ম ৰাজবংশীত বাজে আনে আৰোৱান লব নাপায়। কাশীৰামক আৰোৱান দিলে, এইখনিকে বৰা-বৰুকে নসহিলে। পাচে সকলো বৰা-বৰুকে এক যুক্তি হৈ ৰহস্যে চম্পকৰাই সহিতে ৰাজাৰ ভেদ লগালে, বোলে,—"তুমি নাম মাত্ৰ ৰাজা, চম্পকৰাই সকলৰো অধিকাৰ হ'ল। আন দিন যুৱৰাজৰ হাতত এনেবিধ কাৰবাৰ নাথাকে। মহাৰাজা আগে বালক অবস্থাত আছিল, সকলো চেষ্টা যুৱৰাজে কৰিছিল। এখন মহাৰাজা সকলোৰূপে যোগ্য হয়। সেই কাৰবাৰ সকলো মহাৰাজাৰ ঠাইক আসিব লাগে।" এইৰূপে সিহঁতে ক'লত ৰাজাএ বোলে,—"চম্পকৰাএ ভালৰূপে বুজসুজ কৰিছে, তহঁতে ই কথা কিয় বোল?" পাচে বাৰম্বাৰ সিহঁতে কওঁতে ৰাজাএ বুলিলে, বোলে,—"হয়তো তহঁতে বোল, চম্পকৰাইৰ হাতত আহিলাপাতি লোক-লস্কৰ সকলো আছে, কিৰূপে কাৰবাৰ আমাৰ ঠাইক অনা যাব?" পাচে সিহতে বুলিলে, বোলে,—"মহাৰাজা আজ্ঞা কৰিলে চম্পকৰাএ সকলো এৰি দিব।"

পাচে ৰাজাও সিহঁতৰ কথাতে থাকি চম্পকৰাইক বুলি পাঠালে, বোলে,—" দেশৰ কাৰবাৰ যি কিছো হব লাগে আমাৰ এখেতে হব।" পাচে চম্পকৰাএ ৰাজাৰ আজ্ঞা শুনি সকলো এৰি দিলে। তাৰে পৰা

Digitized by Panjab Digital Library | www.panjabdigilib.org

চম্পকৰাই সংশয়ত থাকি ৰাজাৰ সভালৈ নাহে। পাচে ৰাজা বুলি পাঠালে, বোলে,—"চম্পকৰাই দেখোঁ। আমাৰ এখেলৈ নাহে?" পাচে চম্পকৰাএ বুলিলে, বোলে,—"দুৰ্জ্জনসকলে আমাক মহাৰাজাত লগাই ভেদ কৰিছে। এই সংশয়ত থাকি যোৱা নাই।" চম্পকৰাএ যে ৰাজাৰ ঠাইক সংশয়ত থাকি নাহে আকে সিহঁতে ৰাজাত বিপৰীত কৰি বুজালে, বোলে,—"চম্পকৰাএ মহাৰাজাকে ধৰিবলৈ মন কৰে হেন দেখোঁ। আমিএনো আগে তাক ধৰিলে কি হয়?" ৰাজাৰ অন্তৰত চম্পকৰাইলৈ স্নেহ আছে। সিহঁতে এইৰূপে কওঁতে একো নোবোলে। পাচে চম্পকৰাএ এই কথা শুনি ৰাজাত মিলিবলৈ মন কৰিলে। ভাগিনেক কাশীৰামে হাক দিলে, বোলে,—"তুমি গলে অনৰ্থ হব, নাযাবা।" চম্পকৰাএ বুলিলে, বোলে,—"মঞি স্বপ্নতো ৰাজাৰ অনিষ্টক চিন্তা নাই। মোক কিয় অনৰ্থ কৰিব?" পাচে কাশীৰামে বুলিলে, বোলে,—"তুমিও ৰাজাৰ অনিষ্টক আচৰা নাই, ৰাজাৰো মনে তোমাত দেয্যভাৱ নাই। কিন্তু দুষ্টসকলে তোমাক ৰাজাত লগাই শত্ৰু হেন বোধ এখন কৰাইছে। এতেকে ৰাজা সিহঁতৰ কথা এৰিব নোৱাৰি কোনোখান অনৰ্থ হয় বুলিহে বাধা কৰিলোঁ।"

পাচে চম্পকৰাএ আপনাৰ কোঁঠৰ ভিতৰতে নিজ চিপাহী, চাকৰ সহিতে বৰ বৰ হিলৈ পাতি সাৱধানে ৰহিল। সেইৰূপে তিনি দিন আছিল। কাশীৰাম বৰচিপাহী, তাত সংশয়ে চম্পকৰাইৰ কোঁঠলৈ কেও সমুখ হব নোৱাৰে। পাচে চম্পকৰাএ বুলিলে, বোলে,—"আমি এইৰূপে থাকিলে লোকত দুৰ্য্যশ ৰহিব, বুলিব, ৰাজাৰ ওপৰত হাতিয়াৰ ধৰিলে, এখন আমি পলাই ঢাকালৈ যাওঁ। যদি ভাল দেখি পাচে অহা যাব।" এই নিশ্চয় কৰি কাশীৰামে সহিতে ৭টি মানুহ সঙ্গত লৈ ৰাত্ৰি পলাল।

পাচে চম্পকৰাই পলাবৰ শুনি ৰাজা মানুহ দিলে, বোলে,—"চম্পকৰাইক বিচাৰ কৰি ধৰি আনিব, নামাৰিব।" পাচে সেই

Digitized by Panjab Digital Library | www.panjabdigilib.org

মানুহে বিচাৰ কৰি তিনি দিনিৰ পাচত চম্পকৰাইক লগ পালে। পাচে কাশীৰামে সেই মানুহে সৈতে যুদ্ধ ধৰি তাৰে মানুহ দুটাক কাটিলে। পাচে চম্পকৰাএ 'ই কথা যোগ্য নহয়' বুলি কাশীৰামক সাৱটি ধৰিলে। পাচে সেই মানুহে দুইকো ধৰিলে। পাচে কাশীৰামক মাৰিলে, চম্পকৰাইক ধৰি আনিলে। পাচে এক দিনৰ বাট আনি ৰাজালৈ জনাই পঠালে, বোলে,—" যুদ্ধ ধৰিলত কাশীৰামক মৰা গ'ল, চম্পক-ৰাইক ধৰি অনা গৈছে।" পাচে এই কথা সেই মানুহে আহি বৰা-বৰুকত জনালে। পাচে সিহঁত সকলো যুক্তি কৰি ৰাজাত এই কথা নজনালে, বোলে,—"চম্পকৰাইক ৰাজাৰ আগালৈ আনিলে মাৰিব নোৱাৰিব, বাটতে মৰোৱা য'ক।" এই বুলি মানুহ পঠাই নগৰলৈ এক প্ৰহৰ মানৰ পথ আছোঁতে চম্পকৰাইক মৰালে। পাচে ৰাজা চম্পকৰাইক মাৰিবৰ শুনি অনেক ৰূপে অসন্তোষ কৰিলে।

পাচে চম্পকৰাইৰ ভাৰ্য্যাসকলে স্বামীৰ মৃত্যু শুনি সহগামী যাবলৈ ৰাজাত জনালে। পাচে ৰাজা চম্পকৰাইৰ শৱক অনালে। মুক্তি-ঘাটত চিতা কৰাই সহগামী যোৱা স্ত্ৰীসকলে সহিতে দাহ কৰালে। পাচে ৰাজা বিধিপূৰ্ব্বকে বৃষোৎসৰ্গ কৰি চম্পকৰাইৰ কৰ্ম্ম কৰালে। অস্থি নি গঙ্গাত লগালে, গয়াতো পিণ্ড দিয়ালে। পাচে চম্পকৰাইৰ ২॥ বছৰীয়া বালক অটি আছিল। তাক ৰাজা সঙ্গলৈকে আনি ভাল-ৰূপে প্ৰতিপাল কৰিছিলে। আৰু চম্পকৰাইৰ ঘৰত যি দ্ৰব্য-সামগ্ৰী আছিল সকলকো অনাই ৰাজাৰ ভণ্ডাৰত পৃথকে কাকত কৰি থলে পাচে ৰাজা সকলেৰে সমালোচন ক.ৰ ৰাজাৰ সপত্নী ভাতৃ দুৰ্জ্জয়সিংহক যুৱৰাজ পাতিলে। আৰু ৰাজাৰ সপত্নী ভাতৃ ঘনশ্যাম বঙ্গালত ওল অছিল, তাক আনি বৰঠাকুৰ পাতিলে। আৰু ৰাজাৰ সপত্নী ভাতৃ চন্দ্ৰমণিক বঙ্গালত থাকিবলৈ ওল দিলে। তাৰ দেশত যিটক ওল দিয়ে তাৰ লগত পালেকী, নিসান, সঙ্গতো মানুহ ৬০ মান দিএ। টকা-কড়ি সৰহ কৰি দি মৰ্য্যাদাপূৰ্ব্বকে পঠাই দিএ। বঙ্গালৰ ঠাইতো

Digitized by Panjab Digital Library | www.panjabdigilib.org

আদৰ কৰে। এইৰূপে চম্পকৰাই মৰিলত ৰাজা সকলকো নিয়ম কৰি দি ৰাজ্যক প্ৰতিপাল কৰি আছে।

১৫শ আধ্যা।

ত্ৰিপুৰা ৰজাৰ দৈনিক কৰ্ম্ম।

প্ৰতি দিনে ৰাজা যেনেৰূপে প্ৰৱৰ্ত্তে আৰে লেখা।—ৰাজা প্ৰাতসতে উঠি বাহ্য-ক্ৰিয়া কৰি দন্তধাবন কৰে। পাচে মৰ্দ্দনীয়াএ তৈল লগায়। পাচে নদীৰ জলেৰে স্নান কৰি পাচে সুবৰ্ণৰ ঘটীএৰে এক ঘটী গঙ্গাজল শিৰত ঢালে। এই গঙ্গাজল মাহেকত একবাৰ নাৱত কৰি অনায়, এনে নিয়ম কৰি দিছে। পাচে দৌলত গৈ ইষ্টদেৱতাক সেৱা-পূজা কৰে। পাচে ত'ৰ পৰা আহি জলপান কৰি পুৰাণ শুনে। পাচে ভোজন কৰি বস্ত্ৰ পৰিধান কৰে।

এনেতে সেৱকে কয়,—"ৰাজাৰ বাৰামৰ সময় হ'ল" বুলি। এনেতে ছালামি বাড়ি পৰে। পাচে যুৱৰাজ প্ৰমুখ্যে সকলো বৰা-বৰুক দৰ্ব্বাৰলৈ আহে। আৰু সভাপণ্ডিত প্ৰমুখ্যে দৰ্ব্বাৰী মানুহ সকলো আহে। পাচে ডেৰপৰৰ ওপৰ হলে ৰাজা ওলাই আহি সেই সিংহাসনৰ ঘৰত সিংহাসনত বহে। যুৱৰাজ সেই সিংহাসনৰ ঘৰলৈ আহি ৰাজাক সেৱা কৰে। চুজানি এখনি দলিচাৰ ওপৰত পাৰি থয়, তাতে বহে। বৰঠাকুৰলৈকো দলিচাৰ ওপৰত তাও কাপোৰ এখনি পাৰি থয়। বৰঠাকুৰ আহি ৰাজাক সেৱা কৰি তাতে বহে। সভা-পণ্ডিত দুটাও ৰাজাক আশীৰ্ব্বাদ কৰি সেই নিয়মে বহে। ৰাজ-পোৰোহিতো ৰাজাক আশীৰ্ব্বাদ কৰি দলিচাৰ ওপৰত বহে। আৰু উজীৰ, নাজীৰ, নেমুজীৰ, কাৰ্ক্কোন, কটোৱাল মুছিব, দেৱান এইসকলে সেই ঘৰতে ৰাজাক সেৱা কৰি খাড়া হৈ থাকে। সেই ঘৰলৈ যাওঁতে

Digitized by Panjab Digital Library | www.panjabdigilib.org

এইসকলে হাথিয়াৰ নিব নাপাই। দেশৰ আনো বৰা-বৰুক যি আছে লোকজন সহিতে, আৰু বঙ্গালৰ যি মানুহ আহি চাকৰ লাগিছে, এইসকলেও ৰাজাক সেৱা কৰি সেই ঘৰৰ আগৰ খলাত খাড়া হৈ থাকে। আৰু সেই খলাতে সোণৰ লাঠী ২ পাট, ৰূপৰ লাঠী ২ পাট, আকে লৈ ৪টা মানুহ থাকে, তাকে গুৰু-জবৰ্দ্দাৰ বোলে। দেশ-বিদেশৰ মানুহ আহি ৰাজাক মজুৰা কৰোঁতে সেএ কব লাগে। এইৰূপে ৰাজা দুই দণ্ড বহি থাকে। যি কথাবাৰ্ত্তা হব লাগে সেই সময়তে হয়। পাচে সেৱকে ভিতৰৰ পৰা ফুল-চন্দন, সতপাণ-গুৱা আনি দিএ। এক ব্ৰাহ্মণে তাকে যুৱৰাজ প্ৰমুখ্যে সকলকো নিয়মৰ ইছাএ দিয়ে। পাচে সকলো সেই ঘৰৰ পৰা নামি আহি খলাত ৰাজাক মজুৰা কৰে। ব্ৰাহ্মণসকলে ৰাজাক আশীৰ্ব্বাদ কৰে। পাচে ৰাজা উঠি ভিতৰলৈ যায়। ইহঁতো ঘৰাঘৰি আহে। এটা বৰুৱা পালৰ ইছাএ সোণাৰ দুৱাৰী ঘৰত থাকে, আৰু হাজাৰি এটা ৪০ মান মানুহেৰে ৰূপাৰ দুৱাৰৰ ঘৰত থাকে। ৰাত্ৰিও এই নিয়মে থাকে। প্ৰতি দিনৰ এই নিয়ম।

১৬শ আধ্যা।

ৰত্নমাণিক্যৰ বিৰুদ্ধে ঘনশ্যাম বৰঠাকুৰৰ ষড়যন্ত্ৰ।

এইৰূপে ৰাজা স্বধৰ্ম্মে প্ৰজা প্ৰতিপাল কৰি কতো দিন আছিল। প্ৰজাৰো অত্যন্ত অনুৰাগ ৰত্নমাণিক্য ৰাজাত বাঢ়িল। পাচে কবিশেখৰ নামে এক কায়স্থৰ ভগিনীক ৰত্নমাণিক্য ৰাজা কুঁৱৰী কৰি আনিলে। পাচে সেই কুঁৱৰীৰ স্নেহত থাকি কবিশেখৰনাৰাণক দেৱান পাতিলে, বঁটা-বকৃচিচো সঘনে দিব ধৰিলে। আকে দেখি নসহি ঘনশ্যাম বৰঠাকুৰে বুলিলে, বোলে,—"ৰাজাৰ ভণ্ডাৰত আৰু একো নাই, সকলো কবিশেখৰনাৰাণে নিলে।" পাচে কবিশেখৰ-

Digitized by Panjab Digital Library | www.panjabdigilib.org

নাৰাণে ৰাজাৰ উপাসনা গৰ্ব্বত থাকি ৰাজাৰ ভাই ঘনশ্যাম বৰঠাকুৰক বান্দীৰ পো বুলিলে।

পাচে বৰঠাকুৰে এই কথা শুনি দুই দিনৰ পাচত ৰাজাৰ ঘৰলৈ গৈ দুৱৰীত কৰি জনাই পঠালে, বোলে,—"মঞি ৰামমাণিক্য ৰাজাৰ পুত্ৰ, ৰত্নমাণিক্য ৰাজাৰ ভাই, মোক কবিশেখৰে বান্দীৰ পো বুলিলে। তঞি ৰাজাত জনাগৈ, মঞি তাক কাটোগৈ।" পাচে দুৱৰীএ সেৱকত কৰি ৰাজালৈ জনালে। পাচে ৰাজা বুলিলে, বোলে,—"সি বুলিব নাপাই, তাক মঞি দণ্ড কৰিম। এখন বৰঠাকুৰক ৰাখগৈ।" এই বুলি ৰাজা মানুহ পঠাই দিলে। সেই মানুহে আহি লগ নাপালে। ঘনশ্যাম বৰঠাকুৰে দুৱৰীত কৰি ৰাজালৈ জনাই ঘোঁৰা মেলি কবিশেখৰনাৰাণৰ ঘৰলৈ গ'ল। কবিশেখৰনাৰাণে আপোনাৰ চণ্ডীমণ্ডপত পূজা কৰিছিলে। পাচে ঘনশ্যামে সেই চণ্ডীমণ্ডপতে কবিশেখৰক কাটিলে। পাচত ৰাজা শীঘ্ৰ কৰি মানুহ পঠাই দিলে। সেই মানুহ আহি বৰঠাকুৰে কবিশেখৰক কাটি ঘৰলৈ আহোঁতেহে লগ পালে।

পাচে কবিশেখৰনাৰাণৰ শৱক ৰাজাৰ দুৱাৰত থৈ তাৰ ভাতৃ-বংশে ৰাজাত ফৈৰাদ কৰিলে, বোলে,—"বিনা অপৰাধে ঘনশ্যাম বৰঠাকুৰে ঘৰতে গৈ কবিশেখৰনাৰাণক মাৰিলে।" আৰু সেই কবি শেখৰনাৰাণৰ বহিনী ৰাজাৰ মহিষীএ ভাতৃবধ শুনি অনেকৰূপে ক্ৰন্দন কৰি ৰাজাত কলে, বোলে—"তুমি ৰাজা বিদ্যমানে আছোঁতে ঘনশ্যাম বৰঠাকুৰে বিনা অপৰাধে মোৰ ভাতৃক কিয় মাৰিব?" পাচে ৰাজা বুলিলে, বোলে,—"ঘনশ্যাম বৰঠাকুৰ মোৰ ভাই হয়, তাক কিয় বিৰুদ্ধ বচন বুলিব? তথাপি বৰঠাকুৰক দণ্ড-বন্ধ কৰিলেও কৰিব পাৰি, কিন্তু লোকত দুৰ্য্যশস্যা ৰহিব আৰু তোৰ ভাএৰকো নাপাই।" এই বুলি ৰাজা ভাৰ্য্যাক প্ৰবোধ দি কাকো কিছো নুবুলি মৌনে ৰহিল। ৰাজাৰ ভাৰ্য্যাৰ ভাএক কবিশেখৰক মাৰি বৰঠাকুৰৰ মনে ৰাজাত কিছো সংশয় ৰহিল।

Digitized by Panjab Digital Library | www.panjabdigilib.org

আৰু ৰত্নমাণিক্য ৰাজাৰ সোদৰ ভগিনী এটী আছিল। সেই কন্যাক ৰাজদুৰ্ল্লভ নামে এক ত্রিপুৰাত বিবাহ দিলে। পাচে ৰাজা ভগিনীৰ স্নেহত থাকি ৰাজদুৰ্ল্লভনাৰাণক কোটোৱাল মুছিব পাতিলে। তাক আৰোৱান, নিসান দিলে। পাচে ঘনশ্যাম বৰঠাকুৰে আকে নসহি বুলিলে, বোলে,—"কোনো দিন কোনো ৰাজা কোটোৱাল মুছিবক আৰোৱান, নিসান দিয়া নাই, ৰাজা এনে অনিয়মকো কৰে।" ইয়ো কথা তাৰ মনতে থাকিল। ৰাজাৰ মনত একো নাই, পূৰ্ব্বৱতে ঘনশ্যামক বেথা-স্নেহ কৰে।

১৭শ আধ্যা।

ঘনশ্যাম আৰু মুৰাদ্‌বেগৰ সত্য-শপত।

আৰু মুৰাদ্বেগ নামে এক মগল আছে। আৰ বাপেকক ছাটগাওঁ মাৰি আনিলে। তাক বৰ যোগ্য দেখি ৰাজাৰ সঙ্গতে ভাল মানুহ কৰি ৰাখিলে। পাচে সি মৰিলত পুতেক মুৰাদ্বেগকো ৰত্নমাণিক্য ৰাজাও সেইৰূপে সঙ্গতে ৰাখিলে। ই খাটনিয়াৰৰূপে ৰাজাৰ সঙ্গতে থাকে। ঘৰ-বাৰী মেহেৰকূল পৰঙ্গনাত আছে, তাতে স্ত্রী-পৰিজন থাকে। আৰু ৰাজাৰ কাৰ্য্য-কামত পাঁচিলে এয়ে ঢকালৈকো অহা-যোৱা কৰে। এই কাৰণে ইয়াৰ ঘৰ ঢকাতো কৰিছে।

আৰে ভগিনী এটা মেহেৰকূল পৰঙ্গনাত আছে। পাচে ৰাজা সুন্দৰ কন্যা থাকিবৰ শুনি মুৰাদ্বেগত নজনাই সেই কন্যা আনিবলৈ ৰহস্যে এক সেৱক পঠালে। পাচে ৰাজাৰ সেৱকে গৈ কন্যাত ৰাজাৰ বাৰ্ত্তা কলে, বোলে,—"তোমাক নিবলৈ মহাৰাজাৰ আজ্ঞা হৈছে, তোমাৰ যাব লাগে।" পাচে কন্যাএ বুলিলে,—"ভাল, মহাৰাজাৰ যদি আমাত অনুগ্রহ হৈছে আমি যাম। তঞি দিনচাৰেক থাক। মঞি বস্তু-দ্রব্য কিছো যতন কৰি লওঁ।" এই বুলি তাক ৰাখি ভাএক

Digitized by Panjab Digital Library | www.panjabdigilib.org

মুৰাদ্বেগলৈ ৰহস্যে বাৰ্ত্তা দিলে, বোলে—"আমাক আগে ঢকাত এক মগলত দিছ, এখন আমাক নিবলৈ এক সেৱক আহিআছে। যদি ৰাজা আমাক নিব তবে মগলৰ ঠাইত তোমাৰ বৰ দুৰ্যশস্যা বহিব। আকে জানি যিখান যোগ্য হয় তাকে কৰিবা।"

পাচে মুৰাদ্বেগে ভনীয়েকৰ পত্ৰ চাই অসন্তোষ কৰি ৰহস্যে এই কথা সকলো ঘনশ্যাম বৰঠাকুৰত জনালে। পাচে ঘনশ্যাম বৰঠাকুৰে শুনি মনতে বোলে,—"ভাল হৈছে, এই সময়তে মুৰাদ্বেগে সহিতে ৰাজাৰ বিৰোধ লগাওঁ, এতেকে মোৰ কাৰ্য্য সিদ্ধি হব।" এই কথা মনত ভাবি মুৰাদ্বেগক বুলিলে, বোলে,—"তোত আগে ৰাজা এই কথা কোৱা আছে নাই? তোৰ মনে বা ভাল দেখ নেদেখ?" পাচে মুৰাদ্বেগে বুলিলে, বোলে,—"মোত ৰাজা ই কথা কোৱা নাই, মঞি নাজানো। আৰু এই কন্যা পূৰ্ব্বে মঞি ঢকাত এক মগলত দিছোঁ, এতিয়া যদি সেই কন্যা ৰাজা আনিব মঞি তাৰ আগত কি বুলিম? মোক বা সি কিয় এৰিব? আৰু পূৰ্ব্বাপৰো আমাৰ কন্যা ৰাজা অনা নাই, এখন এমত অনীতিএ ৰাজা চলিলে আমি কি বুলিম, ৰক্ষা বা কিৰূপে পৰিম?" পাচে মুৰাদ্বেগৰ আশয়ক বুজি ঘনশ্যাম বৰঠাকুৰে বুলিলে, বোলে,—"তঞি যিখান কৈছ ভালেহে কৈছ। যদি তঞি ভনীয়েৰক ৰাখিবলৈ মন কৰ এখনে তঞি শীঘ্ৰ কৰি মেহেৰকূলৰ ঘৰলৈ গৈ তোৰ স্ত্ৰী-পৰিজনক লৈ ঢকালৈ যাও, তেবেসে তোৰ সকলোৰূপে ভাল হব"। পাচে মুৰাদ্বেগেও আকে নিশ্চয় কৰি যাবলৈ মন কৰিলে। পাচে মুৰাদ্বেগে ঘনশ্যাম বৰ-ঠাকুৰত সুধিলে, বোলে,—"দস্তক-পত্ৰ নাইকিয়াকৈ মোক চণ্ডীগড়ত কিয় এৰি দিব?" পাচে ঘনশ্যামে বুলিলে, বোলে,—"তোক কোনে ৰাখিব পাৰে? তঞি আপুনি যাবি।" পাচে মুৰাদ্বেগে নাও-মানুহ লৈ নগৰৰ পৰা মেহেৰকূললৈ বুলি গ'ল।

পাচে মুৰাদ্বেগ যাবৰ কথা ৰাজা শুনি ঘনশ্যাম বৰঠাকুৰক মতাই আনি বুলিলে, বোলে,—"তুমি আপুনি গৈ মুৰাদ্বেগক বুজাই ওলোটাই

Digitized by Panjab Digital Library | www.panjabdigilib.org

আনগৈ," এই বুলি পাঁচিলে। ঘনশ্যামৰ অভ্যন্তৰত যে দুৰাশয় আছে, তাক ৰাজা নাজানে। পাচে ঘনশ্যাম বৰঠাকুৰে বুলিলে, বোলে,—"ভাল, মঞি আনিম, মহাৰাজে ইয়াত একো অসন্তোষ কৰিব নালাগে।" এইৰূপে ৰাজাৰ আগত কৈ মুৰাদ্বেগক আনিবলৈ গ'ল। পাচে বৰঠাকুৰে চণ্ডীগড়ৰ উজনীত মুৰাদ্বেগক লগ পালেগৈ। পাচে ঘনশ্যামে মুৰাদ্বেগক বুলিলে, বোলে,—"তোক ওলোটাই নিবলৈ বুলিহে মোক ৰাজা পাঁচিছে। তোৰে মোৰে ৰহস্যে কথা আছে বুলি ৰাজা য়াক নাজানে।" পাচে ঘনশ্যামে মুৰাদ্বেগক বুলিলে, বোলে,—"মোৰ মনত যি কথা আছে তোত কব লাগে, তোৰ মনত বা যি কিছু আছে মোত কব লাগে। আৰু দুইৰো সঞ্জাত যিৰূপে হব তাকো কৰিব লাগে।" পাচে মুৰাদ্বেগে বুলিলে, বোলে,—"চাহেবে যেইখান আজ্ঞা কৰে মঞি সেইখান কৰিম।" পাচে তাম, তুলসী আগত থৈ শপত কৰিলে, বোলে,—"তঞো মোক এৰিব নাপা, মঞো তোক এৰিব নাপাওঁ। যদি এই কথা লৰে পৰমেশ্বৰে খোদাইএ আমাক দণ্ডিব।" এই বুলি দুয়ো শপত কৰিলে।

পাচে ঘনশ্যামে মুৰাদ্বেগত কলে, বোলে,—"আমাৰ ৰাজা কোটোৱাল মুছিবক আৰোৱান, নিসান দিলে; আৰু কবিশেখৰক দেৱান পাতি বঢ়ালে, সি আমাক কাকো নামানিছিলে। এখন তোৰ ঘৰত এইৰূপ অকাৰ্য্য কৰিবলৈ মন কৰে। এনে অনীতিক কোনে দেখি থাকে? তঞি মোৰ লগত সহায় হ, মঞি ৰাজা হওঁ।" পাচে মুৰাদ্বেগে বুলিলে, বোলে,—"ভাল চাহেব, তুমি যিখান আজ্ঞা কৰ, মঞি তোমাৰ অৰ্থে মোৰ দেহ-প্ৰাণকো উচ্ছৰ্গা কৰি সেইখান কৰিম।" পাচে ঘনশ্যাম বৰঠাকুৰে বুলিলে, বোলে,—"এখন তঞি বিলম্ব নকৰিবি। তোৰ স্ত্ৰী-পৰিজন সহিতে শীঘ্ৰে ঢকাক যা, ৰাজাএ পালে তোৰ দেহ ৰক্ষা নপৰিব। আৰু তঞি ঢকাত গৈ চিপাহী চাকৰ যি পা তাকো যুগুতি কৰি থবি। মঞো এখেৰ পৰা গৈ হাতী ধৰিবলৈ

Digitized by Panjab Digital Library | www.panjabdigilib.org

আহিম। আন দিনৰ নিয়মত কৰি দেশৰো লোকজন বঢ়াকৈ মোৰ লগতো আনিম। পাচে মঞি আহি তোৰ ঠাইলৈ মানুহ পঠাই দিম। পাচে তঞি চিপাই চাকৰে সহিতে আহি মোৰ লগ লবিহি। এখন তঞি যা, মঞো ৰাজাৰ ঠাইক যাওঁ। তোক লগ নাপালোঁ বুলি ৰাজাত কম।" পাচে মুৰাদ্বেগে বুলিলে, বোলে,—"ৰাজাৰ সেৱক এটা যে মোৰ ঘৰলৈ গৈছে তাক কি কৰা যাব?" পাচে ঘনশ্যামে বুলিলে, বোলে,—"তঞি তাক কাটিবি।" পাচে মুৰাদ্বেগে বুলিলে, বোলে,—"তেনেহলে তোমাৰো এটি মানুহ মোৰ লগত দিয়া।" পাচে ঘনশ্যাম ঠাকুৰে এক বিশ্বাসী মানুহ লগত দি মুৰাদ্বেগক পঠাই দিলে। পাচে মুৰাদ্বেগে মেহেৰকূলৰ ঘৰলৈ গৈ ৰাজাৰ সেৱকক কাটি স্ত্ৰী-পৰিজন সহিতে নৌকাত উঠি ঢকালৈ গ'ল। ঘনশ্যাম ঠাকুৰে ৰাজাৰ সেৱকক মাৰিবলৈ যি মানুহটি লগত দিছিলে তাকো লগতে নিলে।

পাচে ঘনশ্যাম বৰঠাকুৰে এইৰূপে মুৰাদ্বেগক পঠাই অপোনাৰ লগৰ মানুহক বুলিলে, বোলে,—"মঞি মুৰাদ্বেগক লগ পাবৰ কথা তহঁতে কাতো নকবি। যিটৰ মুখে ই কথা ওলাই তাক কাটিম।" এই বুলি পাচে নগৰলৈ আহিল। পাচে ৰাজাৰ ঠাইক গৈ ক'লে, বোলে,—"মঞি গৈ মুৰাদ্বেগৰ লগ নাপালোঁ, সি আগে গ'ল। গৈ বা সি কি কৰিব? কোনো অসন্তোষত থাকি সি গৈছে। পুনৰ্ব্বাৰ মঞি তাক অনাম, সি আসিব। বিশেষত আমাক বা সি কি কৰিব পাৰে?" এই বুলি ৰাজাক ব্যাজৰূপে প্ৰবোধ দি ঘনশ্যাম বৰঠাকুৰ ঘৰলৈ আহিল। ঘনশ্যামৰ চিত এনে হৈছে বুলি ৰাজা নাজানে।

Digitized by Panjab Digital Library | www.panjabdigilib.org

১৮শ আধ্যা।

ঘনশ্যাম বৰঠাকুৰৰ হাতী ধৰিবলৈ যাত্ৰা।

এইৰূপে কিছু দিন আছিল। সিহঁতৰ দেশত প্ৰতি বছৰি হাতী ধৰিবলৈ বৰঠাকুৰ যাব লাগে। তাৰ লগত লোকজন অনেকো যায়। তিনি-চাৰি মাহ হাতী ধৰা ঠাইতে থাকি এশ-চাৰিকুৰি যি পায় হাতী ধৰি আনে। এই হাতীৰে বঙ্গালকো ইৰ্চ্ছাল দিএ, যি হয় বিকেও। দেশ-বিদেশৰ যাক দিব লগা তাকো দিয়ে, যি হয় থাকেও।

পাচে হাতী ধৰিবৰ নিয়মৰ দিন হ'লত ৰাজা বুলিলে, বোলে,—"বৰঠাকুৰো হাতী ধৰিবলৈ যাবৰ দিন হ'ল। দিন-বাৰ চোৱাই বৰঠাকুৰ যতন হ'ক। লগত বা যাক নিব লাগে তাকো যতন হবলৈ বোলোক।" পাচে ৰাজাৰ আজ্ঞা শুনি ঘনশ্যাম বৰঠাকুৰে বুলিলে, বোলে,—"মহাৰাজাৰ আজ্ঞা হৈছে, মঞি যতন হব পাৰিম; কিন্তু আগে আমাৰ বঙ্গলাক দিব লগা নিবন্ধ আছিল হাতী দুটা, পাচে নৰেন্দ্ৰমাণিক্যে বঢ়ালে হাতী দুটা। এই হাতী দুটা চম্পকৰায়ে গৰ্ব্বত থাকি নেদিছিলে। এখন সেই হাতীৰো বাকী আছে বুলি বঙ্গালে বাৰম্বাৰ মহাৰাজালৈকো জনাই পঠাইছে। যদি এবাৰ নোৱাৰি সিও হাতী দিব লাগিব। এই জানি এই বছৰ হাতী বঢ়াকৈ ধৰিব লাগিব। এই কাৰণে আন দিনতকৈ ইবাৰ মানুহ বঢ়াকৈ যাব লাগিব।" এইৰূপে ঘনশ্যাম বৰঠাকুৰে বুলিলত পাচে ৰাজা বুলিলে, বোলে,—"বৰঠাকুৰে ভালেহে কৈছে। আন দিনত কৰি বঢ়া মানুহ যিখনি লাগিব বৰঠাকুৰে নিয়ম কৰি লৈ পাচে মোত জনাব।" পাচে ঘনশ্যাম বৰঠাকুৰে আন দিনতকৈ বঢ়াই বৰা-বৰুক, আন মানুহ যি হয় ললে। পাচে ৰাজাত জনালে, বোলে,—"বঢ়া মানুহ এইখনি লোৱা হৈছে।" পাচে ৰাজা তাকে অনুমোদন কৰি বঁটা-বাহন দি বিদায় দিলে। পাচে

Digitized by Panjab Digital Library | www.panjabdigilib.org

বৰঠাকুৰে সেই লোকজন সহিতে আঘণ মাসত হাতী ধৰিবলৈ গৈ খণ্ডল পৰঙ্গনাত বাসা কৰি ৰহিল। পাচে ৰত্নমাণিক্য ৰাজা ঘনশ্যাম বৰঠাকুৰক হাতী ধৰিবলৈ বিদাই দিলে।

১৯শ আধ্যা।
ত্ৰিপুৰাত অসমীয়া কটকী।

পাচে মহা ৺দেৱতাৰ আজ্ঞাএ আমাৰ কটকীএ গৈ চৈত্ৰত ত্ৰিপুৰা ৰাজাৰ নগৰ পালে। পাচে ৰত্নমাণিক্য ৰাজাএ আমাৰ কটকীক বাসা-গৃহ দি ৰোজবাজ দি ৰাখি ঘনশ্যাম বৰঠাকুৰলৈ লিখিলে, বোলে,—"বৰঠাকুৰো হাতী ধৰিবলৈ যাবৰ ৪ মাস হ'ল। লোকজনো বৰা-বৰুকো সেই কাৰ্য্যতে অধিক কৰি গৈছে। আমাৰ ইথানলৈকো স্বৰ্গীৰাজাৰ উকীল আসিআছে, তাকো তুলিব লাগে। বৰৰজাৰ উকীল বৰৰূপে সভা কৰি তুলিলে তেবেসে ভাল হব। এই জানি বৰঠাকুৰ লোকজন সহিতে শীঘ্ৰ কৰি আহক।" পাচে ঘনশ্যাম বৰঠাকুৰে ৰাজাৰ পত্ৰ সম্বাদ শুনি ছদ্মৰূপে ৰাজাৰ ঠাইলৈ পত্ৰ লেখি পঠালে, বোলে,—"মহাৰাজা উত্তমহে আজ্ঞা কৰিছেন, কিন্তু অনেক দিনৰ যত্নে হাতী ধৰা গৈছে, কিছো ধৰিবলৈকো আছে, ইয়াক ছাৰিবাক যোগ্য নাহয়। এখনে দেশৰ লোকজন জড় কৰি ভালৰূপে দৰ্ব্বাৰ কৰি স্বৰ্গীৰাজাৰ উকীলক তোলোক। পাচে বিদায়ৰ কালত আমিএ সহিতে যুক্তি কৰি যেমত যোগ্য হয় তেমত কৰিবেন।" এইৰূপে পত্ৰ লিখি পঠাই দিলে। পাচে ৰাজা পত্ৰ চাই ঘনশ্যাম নাহিবৰ জানি আমাৰ কটকীক তুলিবলৈ মন কৰিলে।

Digitized by Panjab Digital Library | www.panjabdigilib.org

২০শ আধ্যা।

ত্রিপুৰা ৰজাৰ দৰবাৰ।

পাচে যুৱৰাজ, উজীৰ দুইকো ৰাজা আজ্ঞা কৰিলে, বোলে,—"বৰ-ৰাজাৰ উকীল আসিআছে, তাক তুলিবৰ নিমিত্তে দিন-বাৰ চোৱাই, নগৰৰ লোকজন জড় কৰি, আহিলাপাতি নিয়ম কৰি ভালৰূপে দৰ্ব্বাৰৰ ঠিক কৰোক।" পাচে যুৱৰাজ, উজীৰ দুও ৰাজাৰ আজ্ঞা শুনি দিন-বাৰ চোৱাই বহাগৰ ৪ দিন যাওঁতে আমাৰ কটকীক তুলিবলৈ দিন কৰিলে। পাচে সেই দিনে দৰ্ব্বাৰলৈ আহিল বঙ্গালৰ চাকৰ লাগি থকা মানুহ সোৱাৰ ৬০ মান। ইহঁতৰ পহিৰণা জামা, জোড়া; হাতিয়াৰ ঢাল, তৰোৱাল, জামদাৰ, তীৰ, কমায়ন; তাৰে কোনো জনৰ বৰ্ছিও আছে। ইহঁতৰ ঘোঁৰাৰ জীন কতো বানাতৰ কতো ছালৰ। ইহঁতক মাহিলি মহিনা ৰূপ দিএ। ঢালী ১০০০ মান, ইহঁতৰ হাতিয়াৰ ঢাল, তৰোৱাল; তীৰন্দাজ ১৫০০ মান, ইহঁতৰ হাতিয়াৰ ঢাল, তীৰ, কাময়ন; বকছৰিয়া ৫০০ মান, ইহঁতৰ হাতিয়াৰ হিলৈ, ঢাল তৰোৱাল। ইহঁতৰ ভিতৰতে জমাদাৰ, হাজাৰি এই দুয়ো আছে। মহিনাৰ ৰূপ ইহঁতৰ হাতত দিয়ে। ইহঁতে বাঁটি সকলকো দিএ। আমাৰ কটকী সভালৈ নৌযাওঁতে আগে এইসকলে মুলি ত্রিপুৰা ৰাজাৰ সভাত ৩ হাজাৰ মান মানুহ আছিল।

পাচে আমাৰ দুই কটকী আনিবলৈ ৰামেশ্বৰ ন্যায়-অলঙ্কাৰ ভট্টাচাৰ্য্য, উদয়নাৰায়ণ বিশ্বাস, এই দুই উকীলক পঠাই দিলে। সিহঁতো ঘোঁৰাত উঠি গৈছিলে। আমাৰ কটকীলৈকো দুই ঘোঁৰা দি পঠালে। আৰু সিহঁতৰ লগতে কাঁড়ে ধনুএ ৪০ মান মানুহ গৈছিলে। পাচে আমাৰ দুই কটকীক বহাৰ পৰা আনি গড়ৰ বাহিৰে ৰূপাৰ দুৱাৰ-মুখৰ সমীপতে কুঁজি ঘৰ এটি আছে তাতে বহালে। পাচে ৰামেশ্বৰ

Digitized by Panjab Digital Library | www.panjabdigilib.org

ন্যায়-অলঙ্কাৰ আমাৰ কটকীৰ লগত থাকিল, উদয়নাৰায়ণ ৰাজাৰ ঠাইক আসিল।

পাচে যুৱৰাজ দৰ্ব্বাৰলৈ আহিল। তাৰ লগত আহিছিলে ৰঙ্গা নিসান ৮ ডাল, সোৱাৰ ৬টা, বকছৰিয়া, ঢালী, তীৰন্দাজ এনে বিধ মানুহ ১০০ মান। যুৱৰাজ আহোঁতে পালেকীত আহিছিলে। পালেকীৰ ছৈ বানাতৰ, তাৰ ওপৰত দুই মূৰে ৰূপৰ কলাফুল দুটি। পালেকীৰ বাৰিত বানাতৰ গিলিপ দিছে, দুই মূৰে ৰূপেৰে বাঘমুখী কৰি বান্ধিছে। সি পিন্ধি আহিছে কিম্‌খাপৰ জামা, সোণাৱলী পটুকা, গুজৰাটী সোণাৱলী ছিৰা, এলাছাৰ ইজাৰ; কানত পেলাই লৈছে ছালকাপৰ এখনি, কৰ্ণত মুকুতা, ডিঙ্গিত দুগদুগীএ সৈতে মুকুতাৰ মালা, কঙ্কালত বাখ্‌ৰাম মুঠিএৰে খঞ্জৰ। দুই ফালে দুই সেৱকে আনিছে সোণৰ মুঠিএৰে তৰোৱাল দুই, সোণৰ চকুএৰে ঢাল ২। আগত আহিছে হাতী ১০টা, তাৰে দুটা হাতীৰ ওপৰত বানত দিছে। দাঁতত দিছে সোণৰ টাৰ ৬ যোৰ। হাতীৰ কপালত সোণৰ বৰৈ দিছে। আৰু যুৱৰাজ উঠা তুৰুকী ঘোঁৰা ১, আৰে জীন বানাতৰ, সোণাৱলী মুখছাউনি। ছালৰ জিনেৰে টাঙ্গন ঘোঁৰা ১২টা। এই সামানেৰে যুৱৰাজ আহিল। এটাএ চামৰে ঢুলি আহিছে, এটাএ ওপৰত আৰোৱান ধৰিছে।

আৰ পাচত ৰাজবংশী ধৰণীধৰ ঠাকুৰ আহিল। তাৰ লগত সৌজীয়া নিসান ২, হাতী ২, ছালৰ জীনেৰে ঘোঁৰা ৩, বানাতৰ জীনেৰে ১; ঢালীএ বকছৰিয়াএ লগত মানুহ ৪০ মান। সিও বানাতৰ ছৈএৰে পালেকীত চড়ি আহিছে। সি পিন্ধিছে চিকণ মলমলৰ জামা, গুজৰাটী সোণাৱলী ছিৰা, সোণাৱলী পটুকা, আতলঞ্চৰ ইজাৰ, ছালকাপৰ এখান; কাণত মুকুতা, ডিঙ্গিত দুগ্‌দুগীয়ে সৈতে মুকুতাৰ মালা, কঙ্কালত সোণাৱলী জামদাৰ। সোণাৱলী তৰোৱাল ১, ঢাল ১, সেৱকে নিছে। সিহঁতৰ দেশত ৰাজবংশীক ঠাকুৰ বোলে।

Digitized by Panjab Digital Library | www.panjabdigilib.org

আৰ পাচত উজীৰ আহিল। তাৰ লগত হাতী ৬টা, ঘোঁৰা বানাতৰ জীনেৰে ১টা, ছালৰ জীনেৰে ৫, সোৱাৰ ৩; ঢালীএ বকছৰিয়াএ তীৰন্দাজে মানুহ ৮০ মান। বানাতৰ ছৈএৰে পালেকীত উঠি আহিছে; পালেকীৰ নালত মখমলৰ গিলিপ। সি পিন্ধিছিলে খাছাৰ জামা, সোণাৱলী পাটুকা, ছিৰা, গোছপেছ, আতলছৰ ইজাৰ, ছালকাপৰ এখন; কমৰত সোণাৱলী জামদাৰ, কৰ্ণত মুকুতা, ডিঙ্গিত দুগ্‌দুগীয়ে সৈতে মুকুতাৰ মালা পিন্ধিছিলে। পালেকীৰ দুই কোখে সেৱকে নিছিলে ঢাল ২ খন, সোণৰ মুঠিদিয়া বানাতৰ গিলিপ দিয়া তৰোৱাল ২ খন। এইৰূপে উজীৰ দৰ্ব্বাৰলৈ আসিল।

তাৰ পাচত নাজীৰ আহিল। তাৰ লগত হাতী ২টা, সোৱাৰ২, ঢালে তৰোৱালেৰে মানুহ ৬০ মান, বানাতৰ জীনেৰে ঘোঁৰা ১, ছালৰ জীনেৰে ৩। মখমলৰ ছৈএৰে পালেকীত উঠি আহিছে। সি পিন্ধিছিলে ছাহানৰ জামা, গুজৰাটী সোণাৱলী পাটুকা, সোণাৱলী ছিৰা, ৰূপাৱলী গোছপেছ, আতলঞ্চৰ ইজাৰ, ছালকাপৰ; কমৰত সোণাৱলী জামদাৰ, কাণত মুকুতা, ডিঙ্গিত দুগদুগী। সেৱকে লৈ গৈছিলে দুফালে ঢাল ২ খন, তৰোৱাল ২ খন। এইৰূপে নাজীৰ আহিল।

আৰ পাচত কাৰ্কোন আহিল। তাৰ লগত হাতী দুটা, ঘোঁৰা বানাতৰ জীনেৰে ১টা, ছালৰ জীনেৰে ৪টা, সোৱাৰ ২, ঢালে তৰোৱালে হিলৈএৰে মানুহ ৬০ মান। সি পিন্ধিছিলে বন্দৰী চিটৰ জামা, বুটাদাৰ ছিৰা, ৰূপাৱলী গোছপেছ, সোণাৱলী পাটুকা, আতলঞ্চৰ ইজাৰ; কাণত মুকুতা, সোণাৱলী জামদাৰ। ঢাল ১, তৰোৱাল ১, সেৱকে লৈ আহিছিলে।

তাৰ পাচত কোটোৱাল মুছিৰ আহিল। তাৰ লগত জৰদীয়া নিসান ৭ ডাল, হাতী ৮টা, আৰে দুটাৰ বানাতৰ ঢাকনী দিছে, কপালত সোণৰ বৰৈ দিছে। ঘোঁৰা বানাতৰ জীনেৰে ২টা, আৰে মুখছাউনি সোণাৱলী কৰি দিছে, আৰু ছালৰ জীনেৰে ঘোঁৰা ৮টা, সোৱাৰ ৬,

Digitized by Panjab Digital Library | www.panjabdigilib.org

ঢালী ৪০ মান, বৰ্ক্কন্দাজ ৩০ মান, তীৰন্দাজ ৪০ মান। পালেকীৰ ওপৰত বানাতৰ ছৈ তাৰ ওপৰত দুফালে ৰূপৰ কলাফুল ২টা, বাৰিত বানাতৰ গিলিপ, মুখত ৰূপেৰে মগৰমুখী কৰি বান্ধিছে, আতে উঠি আহিল। সি পিন্ধিছে সোণাৱলী বাদামী কাপৰৰ জামা, সোণাৱলী গুজৰাটী ছিৰা, গোছপেছ, সোণাৱলী পাটুকা, গুজৰাটী আতলঞ্চৰ ইজাৰ; সোণাৱলী তাছৰ ডেৰপটা এখনি কানত পেলাই লৈছে, পাগৰ ওপৰত পিন্ধিছে সোণৰ তোৰোলা দুটা, কৰ্ণত মুকুতা, ডিঙ্গিত বাখৰপতা কণ্ঠাভৰণ দুগদুগীএ সৈতে মুকুতাৰ মালা, কমৰত সোণৰ মুঠিত বাখৰপতা খঞ্জৰ এখন লৈছে। দুফালে সেৱকে সোণৰ মুঠিএৰে তৰোৱাল ২, সোণৰ চাকিএৰে বাৰু ২ খান, সোণাৱলী বৰ্ছি ২ ডাল নিছে। এইৰূপে কোটোৱাল মুছিব দৰ্ব্বাৰলৈ আহিল।

তাৰ পাচত দেৱান আহিল। তাৰ লগত হাতী ২, ঘোঁৰা বানাতৰ জীনেৰে ১টা, ছালৰ জীনেৰে ৩, ঢালে তৰোৱালে মানুহ ৪০ মান। সি পিন্ধিছে চিকণ তাৰৰ জামা, সোণাৱলী ছিৰা, ৰূপাৱলী গোছপেছ, ৰূপাৱলী পাটুকা, আতলঞ্চৰ ইজাৰ, ছালকাপৰ এখন; কৰ্ণত মুকুতা, সোণে বন্ধা ৰুদ্ৰাক্ষৰ মালা ২ ধাৰ। মখমৰল ছৈএৰে পালেকীত চড়ি আহিল, সোণাৱলী জামদাৰ। এইৰূপে দেৱান আহিল।

চন্দ্ৰমণি ঠাকুৰ বঙ্গালত ওল আছিল। হৰিধন ঠাকুৰক ওল দি চন্দ্ৰমণি ঠাকুৰক আনিলে। চন্দ্ৰমণি ঠাকুৰ দৰ্ব্বাৰলৈ আহোঁতো বঙ্গা নিসান ৬ ডাল, হাতী ৪, আৰে দুটাৰ ওপৰত বানাতেৰে ঢাকিছে, কপালত সোণৰ বৰৈ দিছে। ঘোঁৰা তুৰ্কী ২ বানাতৰ জীনেৰে ৰূপৰ মুখছাউনি, ছালৰ জীনেৰে টাঙ্গন ঘোঁৰা ৬টা, সোৱাৰ ৬, ঢালী বৰ্ক্কন্দাজ তীৰন্দাজ সকলে মিলি ৮০ মান মানুহ হব। সি পিন্ধিছিল সোণাৱলী বুটাদাৰৰ জামা, গুজৰাটী সোণাৱলী পাটুকা, সোণাৱলী ছিৰা, ৰূপাৱলী গোছপেছ; কৰ্ণত মুকুতা, ডিঙ্গিত পিন্ধিছে কণ্ঠাভৰণ ১খান, মুকুতাৰ মালামণি ২ধাৰ, ছালকাপৰ এখন কানত পেলাই লৈছে।

Digitized by Panjab Digital Library | www.panjabdigilib.org

পালেকীত উঠি আহিল, বানাতৰ ছৈ, মাৰিত বানাতৰ গিলিপ দিয়া, ৰূপৰ কলাফুল ছুটি। মাৰিৰ ছুই মূৰে মগৰমুখী কৰি ৰূপেৰে বন্ধাইছে। পালেকীৰ ছুই কোখৰত সেৱকে নিছিলে সোণৰ মুঠিএৰে তৰোৱাল ২, সোণৰ চাকি দিয়া ঢাল ২ খন। ওপৰত এটাএ আৰোৱান ধৰি গৈছিলে। এইৰূপে চন্দ্ৰমণি ঠাকুৰ আহিল।

তাৰ পাচত নেমুজীৰ আহিল। তাৰ লগত হাতী ২টা, বানাতৰ জীনেৰে ঘোঁৰা ১টা, ছালৰ জীনেৰে ৫টা, সোৱাৰ ৫, ঢালে তৰোৱালে মানুহ ৬০ মান। সি পিন্ধিছিলে কপাহীৰ বুটাদাৰ জামা, বন্দৰী ছিটৰ পাটুকা, আগত সোণৰ জালৰ দিয়া ৰূপাৱলী ছিৰা, আতলঞ্চৰ ইজাৰ, ছালকাপৰ, কমৰত লৈছিলে সোণাৱলী জামদাৰ। সেৱকে লৈ গৈছিল ঢাল ১, তৰোৱাল ১। মখমলৰ ছৈএৰে পালেকীত আহিল।

আৰু বৰুৱা ৩০ মান কতো পালেকীত উঠি কতোএ ঘোঁৰাত উঠি আহিছিলে। ইহঁতৰ হাথিয়াৰ ঢাল, তৰোৱাল, জামদাৰ। আৰু পাইক মানুহ ১৫০০ মান আহিছিলে, ইহঁতৰো ঢাল, তৰোৱাল আছে। আৰু ৰাজাৰ উপাসক ব্ৰাহ্মণ, কায়স্থ, দৈৱজ্ঞ, বৈদ্য আনো যি আছিল সকলো আহিল। আতবাজে সেই দিন নগৰীয়া মানুহকো আনিছিল। পাচে ৰাজাৰ দুৱাৰৰ বাজে বাটৰ ছুয়ো ফালে পাতিছিলে কমায়ন হিলৈ ১০টা মান, গঁঠিয়া-জুমুৰ হিলৈ ২০ মান।

পাচে ৰত্নমাণিক্য ৰাজা আহি সিংহাসনত বহিল আৰু সিংহাসনৰ ঘৰলৈ যিসকল উঠিব লগা সেইসকল গ'ল। যি খলাত থাকিব লাগে সি নিয়মেৰে থাকিল। পাচে বহা ঠাইৰ পৰা আমাৰ কটকীক নিবলৈ উদয়নাৰায়ণ উকীল আহিল। পাচে সিহঁতৰ ছুই কটকীএ সহিতে আমাৰ কটকীএ ৰূপাৰ ছুৱাৰী ঘৰৰ পৰা সোণাৰ ছুৱাৰ ঘৰৰ ভিতৰ হ'ল। পাচে সেই ঘৰৰে উজনী ফালে আছিল ৰজা উঠা হাতী ৪, ওপৰত বানাতৰ ঢাকনী, কপালত সোণৰ বৰৈ দিছে, গাত মেৰোৱা জৰী বানাতৰ, সোণৰ টাৰ দাঁতত দিছে একোটাৰ ৮ যোৰকৈ। সেই

Digitized by Panjab Digital Library | www.panjabdigilib.org

ঘৰৰ নামফালে আছিল ৰাজা উঠা পালেকী ২ খন, তাৰে পাটত সোণৰ পতা মাৰিছে, চাৰি চুকে ৪টি খুঁটি, সোণাৰ কলহী কাটি দিছে। পালেকীৰ খুঁটা ৰূপৰ দিছে, ওপৰত বানাতৰ ছৈ দিছে, তাৰে দুই মূৰে সোণৰ কলাফুল দুটা দিছে, বাৰিত বানাতৰ গিলিপ দিছিলে, দুই মূৰে সোণৰ বাঘমুখী কৰি বান্ধিছে। তাৰ সমীপতে আছিল ৰাজা উঠা তুৰুকী ঘোঁৰা ৪টা, তাৰ সোণাৱলী বানাতৰ জীন, সোণাৱলী মুখছাউনি। সিংহাসনৰ ঘৰৰ আগত থৈছিলে সোণৰ ত্ৰিশূল ১, চন্দ্ৰবাণ ১, আৰু লাল, ছফেদ, জৰ্দ, ছবুজ, এই বৰণীয়া নিচান ৩০ মান। গুৰু-জবৰ্দাৰ ৪টাএ সোণৰ-ৰূপৰ ৪ ডাল লাঠী লৈ আছিল। সেই খলাৰ দুয়োফালে সোণাৱলী, ৰূপাৱলী দণ্ড ৮০ মান থৈছিল।

২১শ আধ্যা।

ত্ৰিপুৰা দৰবাৰত অসমীয়া কটকী।

পাচে আমাৰ কটকীক সোণাৰ দুৱাৰৰ ঘৰৰ পৰা ৩ ঠাইত নিয়মেৰে নিলে। পাচে সিংহাসনৰ ঘৰত উঠি ৰত্নকন্দলীএ আশীৰ্ব্বাদ কৰিলে, অৰ্জ্জুনে মজুৰা কৰিলে। পাচে ৰাজাৰ আজ্ঞাএ দেৱানে আহি পত্ৰ খুজিলে। পাচে ৰত্নকন্দলীএ শিৰৰ পৰা পত্ৰ দিলে। পাচে ৰাজাৰ আজ্ঞা দেৱানে সভাপণ্ডিতৰ শাৰীত আমাৰ কটকীক বহিবলৈ বুলিলে, তাতে বহিল। পাচে দেৱানে পত্ৰ পঢ়িলে। পাচে দেৱানে আমাৰ কটকীত সুধিলে, বোলে,—"ৰত্নকন্দলী, অৰ্জ্জুনদাস, আমাৰ গোসাঁই মহাৰাজে জিজ্ঞাসিছেন, বোলে,—'আপোনাৰা আসিবাৰ কালে তোমাৰ স্বৰ্গীদেৱ ৰাজা কুশলে আছেন'?" পাচে আমাৰ কটকীএ কলে, বোলে,—"আমি আসিবাৰ কালে স্বৰ্গমহাৰাজা কুশলে আছেন।" পুনৰ্ব্বাৰ আমাৰ কটকীত সুধিলে, বোলে,—"ৰত্নকন্দলী, অৰ্জ্জুনদাস, আমাৰ মহাৰাজা বুলিছেন, বোলে,—'স্বৰ্গ-

Digitized by Panjab Digital Library | www.panjabdigilib.org

মহাৰাজাৰ প্ৰেমবৰ্দ্ধক পত্ৰ সম্বাদ শ্ৰুত হয়া পৰম সন্তোষ হৈলাম। তেম্রাও যে কুশলে থাকিবেন আম্রাৰো এইৰূপ বাঞ্ছা'।" পাচে আমাৰ কটকীএ বুলিলে, বালে,—"উভয় পক্ষতে এই ৰূপে মহামায়া সম্পন্ন কৰিবেন।" পাচে আমাৰ কটকীক ফুল-চন্দন সতগুৱা-পাণ দি নাম কাঢ়ি বুলিলে, বোলে,—"আপোনাৰা বাসাতে এখন আৰামে বহ যাই। তোমাৰ দিগেৰ যেখন বিদায় হয় তেখন ইহাৰ সিদ্ধান্ত পাইবা।" পাচে আমাৰ কটকীএ আশীৰ্ব্বাদ মজুৰা কৰি সিংহাসনৰ ঘৰৰ পৰা নামি সোণৰ দুৱাৰী ঘৰলৈ আহিলে। আৰু সিংহাসনৰ ঘৰতে যুৱৰাজ প্ৰমুখ্যে ৰাজবংশীসকল বহে, আৰু কোটোৱাল মুছিবো বহে, আৰু সভাপণ্ডিত পোৰোহিত এইসকলো বহে। আৰু উজীৰ, নাজীৰ, নেমুজীৰ, কাৰ্কোন, দেৱান, আনো ভাল কায়স্থ, বৈদ্য, দৈৱজ্ঞ এইসকল খাড়া হৈ আছিল। আৰু সিংহাসনৰ ঘৰৰ আগৰ খলাত বৰা-বৰুক প্ৰমুখ্যে খাড়া হৈ থাকে। পাচে ৰাজা আজ্ঞা কৰিলত সকলকো ফুল-চন্দন সতগুৱা-পাণ যাক যি নিয়মে দিব লগা সেই নিয়মে দিলে। পাচে ৰাজা উঠি ভিতৰলৈ গ'ল। সভাৰ লোকো ঘৰাঘৰি গ'ল। আমাৰ কটকীও বহালৈ গ'ল। ১৬৩৪ শক, মাস বৈশাগ, তাৰিক্ষ ৪ ত্ৰিপুৰা ৰাজা ৰত্নমাণিক্যে আমাৰ কটকীক তুলিলে। সেই দিন ৰাজা পিন্ধিছিলে চিকণ খাছাৰ জামা, চিকণ উকা পাগ, সোণাৰ আঞ্চলেৰে ঝালৰ দিয়া কপাহী পটুকা, গুজৰাটী আতলঞ্চৰ ইজাৰ; শুক্ল ছালকাপৰ এখনি কানত পেলাই থৈছিলে। বাখৰপতা সোণৰ মুঠিএৰে খঞ্জৰ ১ পাট কমৰত লৈছিলে, সোণৰ নালেৰে ২ টা শুক্ল চামৰেৰে দুই পাশে ঢুলিছিলে। চিত্ৰকৰা তালপাতৰ বিচনীএৰে বিচিছিলে। ৰাজাৰ পাচত বানাতৰ গিলিপ দিয়া সোণৰ মুঠিএৰে তৰোৱাল ৪ খান, সোণৰ চকা দিয়া ঢাল ৪ খন সেৱক ৪ টাএ লৈছিলে। সেই দিন ৰাজা এই ধাৰাণে বহিছিল।

আৰু সিহঁতৰ উকীলে আমাৰ কটকীক নিবলৈ আহিলত আমাৰ

Digitized by Panjab Digital Library | www.panjabdigilib.org

কটকীএ দুটি মানুহ বহাত থৈ গৈল, বোলে,—"আমি গ'লে তহঁতে বেশছন্ন কৰি ৰাজাৰ দৰ্ব্বাৰলৈ গৈ লোকজন, আহিলাপাতি কিমান, কি নিয়মে বা থাকে তহঁতে চাই আহি আমাত কবিহি।" পাচে সিহঁতে বেশছন্ন কৰি দৰ্ব্বাৰলৈ গৈ আমি যিৰূপে কলোঁ, সেইৰূপে কলেহি।

২২শ আধ্যা।

অসম-মোগলৰ যুদ্ধৰ বৰ্ণনা।

পাচে আমাৰ কটকীক তুলিবৰ তিনি দিনৰ পাচত ৰাত্ৰি দুই দণ্ডমান যাওঁতে উদয়নাৰায়ণ উকীলে আমাৰ কটকীক ৰহস্যে ৰাজাৰ ঠাইলৈ নিলে। পাচে ৰাজা সিংহাসনৰ ঘৰতে সুজানি পাৰি বসিছিলে। আন দৰ্ব্বাৰী মানুহ নাই। আমাৰ কটকীকো তালৈকে নিলে। পাচে আমাৰ কটকীতকৈ মহা ৺দেৱতাএ যি ৰহস্য পত্ৰ দিছিলে, সেই পত্ৰ আমাৰ কটকীৰ হাতৰ পৰা দেৱানে নি ৰহস্যে ৰাজাক শুনালে। পাচে ৰাজাৰ আজ্ঞাৰে দেৱানে আমাৰ কটকীত সুধিলে, বোলে,—"ৰত্নকন্দলী, অৰ্জ্জুনদাস, মহাৰাজা জিজ্ঞাসিছেন, বোলে,—'পত্ৰত যিখান লিখি আসিছে তাহাক শ্ৰুত হৈলাম। বাচনিক কোনো কথা আছে নেকি'?" পাচে আমাৰ কটকীএ কলে, বোলে,—"স্বৰ্গদেৱ মহাৰাজাৰ আজ্ঞা-ক্ৰমে বৰবৰুৱা নবাবে কহিছেন, বোলে,—'গো ব্ৰাহ্মণাদি জাতি ধৰ্ম্ম সহিতে প্ৰজা প্ৰতিপালন এইগোট ৰাজাৰ মুক্ষ ধৰ্ম্ম। এই ধৰ্ম্মস্থ ৰাজাসকল বিদ্যমানে থাকিতে যৱনে সকলো ধৰ্ম্মক নষ্ট কৰে। এতেকে সকলো এক বাক্য হৈয়া যৱনক নিগ্ৰহ কৰি এই ধৰ্ম্মক ৰক্ষা কৰিলে যশ ধৰ্ম্ম দুয়ো বৃদ্ধি হয়। আকে জানি যেইখান কৰ্ত্তব্য সেইখান কৰিবেন'।"

Digitized by Panjab Digital Library | www.panjabdigilib.org

এইৰূপে আমাৰ কটকীএ কলে। পাচে দেৱানে বুলিলে, বোলে,—"পত্ৰৰ সম্বাদ নিশেষে কহিলা।"

আৰু দেৱানে সুধিলে, বোলে,—"মাজমখাঁএনো তোমাৰ দেশ কিৰূপে উঠালে আৰু মঞ্চুৰখাঁএ গুৱাহাটাৰ গড় কিৰূপে ললে?" পাচে আমাৰ কটকীএ কলে, বোলে—"সেই কালত আমাৰ মহা ৺ৰ পিতামহ ৰাজা আছিল। পাচে বাদুলি ফুকনক সৰ্দ্দাৰ পাতি যুদ্ধক পঠাই দিলে। পাচে বাদুলি ফুকনে মাজমখাঁএ সহিতে গুৱাহাটাৰ গড়ত ৭ দিন যুদ্ধ কৰিলে। পাচে মহাৰাজাএ বাদুলি ফুকনলৈ বুলি পঠালে, বোলে,—'২২ উমৰাও সহিতে মাজমখাঁৰ ঠেনা নবাবক বাৰম্বাৰ মাৰি অনা গৈছে। এখন লোকজন আহিলাপাতি সহিতে কিৰূপে যুদ্ধ কৰিছে?' এই বুলি ক্ৰোধ কৰি স্ত্ৰীৰ বস্ত্ৰজাত বাদুলি ফুকনলৈ দি পঠালে। পাচে বাদুলি ফুকনে বৰ সংশয়ক পায়া বঙ্গালতে বৰিলে। পাচে লোক-লস্কৰ সকলো ভাগিল। পাচে মাজমখাঁএ আহি ছামধৰা গড় পালেহি। পাচে মহাৰাজাএ এই কথা শুনি লোক-জন পঠাই দিলে। পাচে ছামধৰা গড়ত ২২ দিন যুদ্ধ হ'ল অনেক-ৰূপে। পাচে মাজমখাঁএ অনেক পুৰুষাৰ্থ কৰি গড় লব নোৱাৰি তাতে থানা কৰি ৰহিল। পাচে আমাৰ লোকজনে তাৰ থানাসকল মাৰিলে, পথকো নিৰুদ্ধ কৰিলে। পাচে তাৰ লস্কৰে একো কিনা-বিকা কৰিবলৈ নাপাই খাবৰ বৰৰূপে কষ্ট পালে। পাচে মাজমখাঁএ ছামধৰাৰ গড় এৰি গুৱাহাটালৈ গ'ল। তাতে ছৈত পিৰোজ, ছৈত ছালা এই দুইক চুবা পাতি থৈ গৈল। পাচে আমাৰ লোক-লস্কৰে গৈ যুদ্ধ কৰি, ছৈত পিৰোজ, ছৈত ছালা এই দুইক লোকজন সহিতে ধৰি আনিলে। পাচে পাচ্ছাএ এই কথা শুনি ৰাজা ৰামসিংহক পঠাই দিলে। পাচে ৰামসিংহে আহি অনেক পুৰুষাৰ্থ কৰি অনেক দিন যুদ্ধ কৰি নোৱাৰি ৰঙ্গামাটিলৈ গ'ল। পাচে ৰামসিংহে যুদ্ধে নোৱাৰিবৰ শুনি পাচ্ছাএ ঢকাৰ পৰা নবাব ছাস্তখাঁক নিয়ালে।

Digitized by Panjab Digital Library | www.panjabdigilib.org

পাচে পাচ্ছাৰ বেটা আজমতাৰাক বঙ্গালৰ চুবা পাতি পঠাই দিলে, বোলে,—'তঞি আসামক উঠাবি।' ৰামসিংহক আজমেৰৰ যুদ্ধলৈ পাঁচিলে। পাচে আমজতাৰা আহি যুদ্ধত বিষম দেখি গুৱাহাটাৰ বৰফুকনেৰে প্ৰীতি কৰি খুজিলে, বোলে,—'কতদিনলৈ মোক গুৱাহাটা এৰি দিয়ক, পাচে মঞি এৰি দিম, এখন পাচ্ছাৰ ঠাইত মোৰ নাম ৰহোক।' বস্তুজাতো অনেক দিলে। পাচে বৰফুকনে আপুনি গুৱাহাটা এৰি দিলে। পাচে আজমতাৰাএ মঞ্চুৰখাঁক পাঁচিলে, বোলে,—'তঞি গুৱাহাটাৰ থানাদাৰ হৈ থাকগৈ।' পাচে মঞ্চুৰখাঁএ আহি গুৱাহাটাত থানা দি ৰহিল। পাচে আমাৰ মহা ৺ৰ পিতৃ ৺ হৈ সেই বৰফুকনকো মাৰিলে। মঞ্চুৰখাঁএ সহিতে যুদ্ধ হ'ল। পাচে মঞ্চুৰখাঁ ভাগিল। তাৰ আহিলাপাতি সহিতে বহুত লোক-লস্কৰক ধৰি আনিলে, গুৱাহাটাৰ গড়কো ললে।" এইৰূপে আমাৰ কটকীএ ক'লত পাচে দেৱানে বুলিলে, বোলে,—"ভালেতো বাহুলি ফুকন ঢাকাতে আছিল।" পাচে আমাৰ কটকীক বিদায় দিলে। বাসালৈ আহিল।

২৩শ আধ্যা।

ত্রিপুৰাত মদন পূজাৰ আড়ম্বৰ।

পাচে বৈশাগৰ ১০ দিন যাওঁতে কৃষ্ণাত্ৰয়োদশী তিথিত মদন পূজাৰ অধিবাস কৰিলে। সেই দিনে তাৰ দেশৰ মানুহক যাক যি নিয়মে দিব লাগে কুহুম্বুলীয়া কৰি বঁটাবাহন দিএ। সেইৰূপে সকলকো দিলে। পাচে আমাৰ কটকীকো সিংহাসনৰ ঘৰলৈ আনি কুহুম্বুলীয়া জামা, বোলোৱা পাগ, বোলোৱা পটুকা, বোলোৱা দোপটা এইৰূপে বঁটা দিলে। খেলিবলৈকো ছালৰ মোট ২টা দিলে। লগৰ

Digitized by Panjab Digital Library | www.panjabdigilib.org

মানুহকো বোলোৱা পাগে দোপটাএ দিলে। সিহঁতকো গাএপ্রতি মোট একোটা দিলে। সেই দিনা এইৰূপে আমাৰ কটকীক পঠাই দিলে।

তাৰ পাচদিনা কলাপটুৱাৰ চোচালি কৰি ঘৰ এটি সাজে। তাতে মৃত্তিকাৰ কামদেৱৰ মূৰ্ত্তি সাজি পূজা কৰে। পূজাৰ উপহাৰ অনেকো কৰে আৰু ডাঙ্গৰ লাড়ু কৰিয়ো দিএ। পাচে পূজাৰ অন্তত ৰাজা আহি কামদেৱৰ মূৰ্ত্তিক সেৱা কৰি সোণৰ নাল দিয়া মোটেৰে কামদেৱৰ গালৈ পানী মাৰিলে। পাচে যুৱৰাজ প্রমুক্ষে বৰমানুহ সকলেও সেৱা কৰি ৰূপৰ নাল দিয়া মোটেৰে পানী কামদেৱৰ গাত মাৰিলে। পাচে আমাৰ কটকীও ৰাজা আজ্ঞা কৰিলত কামদেৱক সেৱা কৰি সেই মোটেৰে কামদেৱৰ গাত পানী মাৰিলে আৰু বাহিৰতো সকলেও অন্যোন্যে মোটেৰে পানী মৰামৰি কৰিছিলে। গুণী গায়নেও তালে খোলে ছংকীৰ্ত্তণৰ ধাৰণে গীত গাইছিলে। সেই দিন ৰাজা শুক্ল বস্ত্র পিন্ধিছিলে। যুৱৰাজ প্রমুক্ষে সকলেও ৰাজা দিয়া বঁটা পিন্ধি আহিছিলে। কোনোসকলে আপুনিও বোলাই পিন্ধিছিলে। পাচে ৰাজা ভিতৰলৈ গ'ল। আনো সকল ঘৰাঘৰি গ'ল। আমাৰ কটকীও বহালৈ আহিল।

তাৰ পাচদিনা সেইৰূপে যুৱৰাজ প্রমুক্ষে সকলো বৰা-বৰুক দৰ্ব্বাৰলৈ আহিল। আমাৰ কটকীকো আনিলে। পাচে ৰাজা ওলাই আহিল। সেই দিন ৰাজা পিন্ধিছিলে গুজৰাটী সোণাৱলী তাছৰ জামা, সোণাৱলী ছিৰা, সোণাৱলী গোছপেছ, সোণাৱলী পটুকা, সোণাৱালী বুটাদাৰ ইজাৰ। শুক্ল ছালকাপৰ এখান কানত পেলাই থৈছে, সোণৰ তোৰোলা দুটা, হীৰাএৰে বাখৰপতা কল্লা ১টা, আতে হামাউ চৰাইৰ পাখী আছে, আকে পাগত খুঁছি লৈছিলে। আৰু মুকুতাএ পানাৰ মণিএ গাঁথি দুধৰীয়াকৈ পাগত পিন্ধিছিলে। কৰ্ণত মুকুটা, গলত বাখৰপতা

Digitized by Panjab Digital Library | www.panjabdigilib.org

হীৰাএৰে কণ্ঠাভৰণ তাতে মুকুতাৰ লটকন দিছে। তাৰ মাজতে হীৰাপতা দুগদুগী এখন দিছিলে। আৰু নাভিত পৰাকৈ মুকুতাৰ মালা তিনিধাৰ পিন্ধিছিলে। বাহুত বাখৰাম হীৰাপতা বাজুবন্ধ পিন্ধিছিলে। আৰু হাতত হীৰাৰে বাখৰপতা খাৰু পিন্ধিছিলে। ১০ আঙ্গুলিত বাখৰপতা হীৰা দিয়া আঙ্গঠি পিন্ধিছিলে। কমৰত হীৰাএৰে বাখৰপতা খঞ্জৰ ১ পাট লৈছিলে।

পাচে এইৰূপে আহি হাতীৰ ওপৰত আস্বাৰি কৰিছিলে। তাতে ৰাজা উঠিলহি। আস্বাৰি যেনেৰূপে কৰিছিলে, তাৰ লেখা,— হাতীৰ ওপৰত খাট-জতীয়া কৰি চাৰিখনি পাট দিছিলে। সেই পাটত হাতী দাঁতৰ চিত্ৰ কৰিছিলে, সোণাৰো পতা মাৰিছিলে, মাজত দোৱাল বৈছিলে, চাৰি ফালে সোণাৰ চাৰিটি খুঁটা দিছিলে। তাৰ ওপৰত বানাতৰ চোচালি ঘৰ সাজিছে। তাৰ চাৰি ফালে বানাতৰ পাণ কাটি সোণৰ বৰৈ দিছে। ঘৰৰ ওপৰত সোণৰ কলাফুল এটা দিছে। সেই পাটৰ তলেদি বিন্ধি হাতীৰ পেটেদি দোৱালেৰে বান্ধিছে। তাতে তলচা পাৰি ৰাজা বহিল।

২৪শ আধ্যা।

মোটখেলাৰ কৌতুক।

পাচে যুৱৰাজ প্ৰমুক্ষে সকলো বৰা-বৰুক আহিল আৰু ৰঙ্গচোৱা মানুহো অনেকো আহিছিলে। সেই দিন আমাৰ কটকীকো নিছিলে। পাচে ৰাজা মোট খেলাবলৈ গোমতী নদীলৈ আহিল। ৰাজাৰ আগত হাতীৰ ওপৰত নিচান, ঘোঁৰাৰ ওপৰতো নিচান, মাটিতো নিছিলে নিচান। আৰু হাতীৰ ওপৰত নাগৰা আৰু ঢালে তৰোৱালে হিলৈএৰে মানুহ ১৫০০ মান, সোৱাৰ ৪০ মান, হাতী ১৪টা মান। ৰাজা উঠা

Digitized by Panjab Digital Library | www.panjabdigilib.org

সোণাৰলী ৰূপাৰলী সাজেৰে ঘোঁৰা ৪টা, হাতী ৩টা, পালেকী ২খান। সোণৰ ৰূপৰ লাঠীএৰে গুৰু-জবৰ্দ্দাৰ ৪টা, ৰাজাৰ ওচৰতে এফালে এটা হাতীত উঠি এটাএ আৰোৱান ধৰিছে আৰু এটাএ ঢাল তৰোৱাল লৈছে; আৰু ফালে এটা হাতীত উঠি এটাএ চামৰেৰে ঢুলিছে, এটাএ ঢাল তৰোৱাল লৈছে। ৰাজাৰ আগত শিৱৰ ত্ৰিশূল চন্দ্ৰবাণ নিছিলে। পাচত গৈছে সোৱাৰ ২০ মান, ঢালে তৰোৱালে হিলৈএ মানুহ ২ হাজাৰ মান। আৰু যুৱৰাজ প্ৰমুখ্যে সকলেও বৰা-বৰুকে আপোনাৰ সামানেৰে কতোএ হাতীত কতোএ ঘোঁৰাত উঠি গৈছিলে। আৰু ৰঙ্গচোৱা মানুহ ৰাজাৰ আগে পাচে গৈছিলে। সেই দিন ৰাজাৰ লগত গৈছিলে মানুহ বৰহাজাৰৰ ১০ হাজাৰ মান।

পাচে এইৰূপে ৰাজা গৈ গোমতী নদীৰ পানীত হাতীৰ ওপৰত আছিল। পাচে যুৱৰাজ প্ৰমুখ্যে পানীত নামি দুফৈদ হৈ মোটেৰে পানী মৰামৰি কৰিছিলে। গোমতী নদীৰ ওচৰতে কুঁজি ঘৰ এটি আছে। ৰাজাৰ আজ্ঞাএ আমাৰ কটকী তাতে বহিল। কটকীৰ লগৰ মানুহক মোট খেলিবলৈ নিলে। সিহঁতেও সেইৰূপে খেলিলে। পাচে ৰাজা গোমতী নদীৰ পৰা গৈ অমৰসাগৰ দীৰ্ঘীতো এইৰূপে খেলিলে। পাচে এইৰূপে মোট খেলাৰ কৌতুক চাই ৰাজা গৃহলৈ আহিল, আনোসকল ঘৰাঘৰি গ'ল। আমাৰ কটকীও বাসালৈ গ'ল।

পাচে ৰাজাৰ আজ্ঞাএ কামদেৱ গোসাঞিৰ আগত দিয়া দধি, দুগ্ধ, খিৰিছা লাড়ু, ভাঙ্গৰ লাড়ু এইসকলো বিভাগ কৰি বৰা-বৰুক আৰু ভাল মানুহলৈকো দি পঠালে, আমাৰ কটকীলৈকে দি পঠালে। আৰু কাপাকানিও সকললৈকো দিলে। আমাৰ কটকীলৈকো দিলে। আৰু ৰাজা যাওঁতে ঘৰলৈ আহোঁতে নগৰৰ স্ত্ৰীসকলে দশ পাঁচ একে ঠাই হৈ কলাপুলি ৰুই দীপ ঘট থৈ উৰুলি দিএ। সেইসকললৈ ৰাজাৰ আজ্ঞাএ সেৱকে আধলি, সিকি, দোৱানি, একানি, আদনি মুঠি কৰি পেলাই দিএ।

———

Digitized by Panjab Digital Library | www.panjabdigilib.org

২৫শ আধ্যা।

ৰজাৰ বিৰুদ্ধে ঘনশ্যামৰ সৈন্যসংগ্ৰহ।

পাচে ৰাজাএ দুই-চাৰি দিন থাকি ঘনশ্যাম বৰঠাকুৰলৈ মোট খেলিৰ বঁটা দি মানুহতকৈ কৈ পঠালে, বোলে,—"বৰঠাকুৰ হাতী ধৰিবলৈ যাবৰ ৬ মাস হ'ল, এখনো নাসিল। আমাৰ ই থানত স্বৰ্গী ৰাজাৰ উকীলকো তোলা হ'ল, মোট খেলিও গ'ল, বৰ্ষাকালো উপস্থিত হয়, স্বৰ্গীৰাজাৰ উকীলকো বিদায় দিতে লাগে। ইহাকে জানি বৰঠাকুৰ লোকজন সহিতে শীঘ্ৰে আইস।" এইৰূপে বুলি পঠালত পাচে ঘনশ্যাম বৰঠাকুৰে ৰাজাৰ আজ্ঞা শুনি ৰাজালৈ পত্ৰ লিখিলে, বোলে,—"গোসাঞি মহাৰাজে উত্তমসে আজ্ঞা কৰিছেন। আমাৰো ই থানেৰ কাৰ্য্য সিদ্ধ হইল, আমিও এখন শীঘ্ৰে যাইব।" এইৰূপে পত্ৰ লেখি দি পঠালে। পাচে ৰাজা ঘনশ্যাম ঠাকুৰৰ পত্ৰ পাই শুনি থাকিল।

ঘনশ্যাম ঠাকুৰ হাতী ধৰিবলৈ যাবৰে পৰা ঢকালৈ মুৰাদ্বেগৰ গালৈ সঘনে ৰহস্যে মানুহ পঠাইছিলে, বোলে,—"পূৰ্ব্বে মিৰ্জ্জাএ সহিতে যি কথা হৈছোঁ, সেইৰূপে মঞি হাতী ধৰা ঠাইত থাকোঁতে লোকজন সহিতে মিৰ্জ্জা আহি শীঘ্ৰে মোৰ লগ ল'কহি আৰু এই সমাচাৰখনি মীৰমুৰাদত জনাই তাৰ ভাগিন মামুদছপিকো সঙ্গতে আনিব।" এইৰূপে কৈ পঠালে। পাচে মুৰাদ্বেগে কৈ পঠালে, বোলে,—"মঞি সকলো কথাৰ ঠিক কৰিছোঁ। যাক হয় চাকৰ ধৰিছোঁ আৰু ধৰিবলৈকো কথা হৈ থৈছোঁ। চাহেবৰ যদি আজ্ঞা হয় সেই মানুহক দুই-চাৰিবাৰ দুশ-এশকৈ পঠাই দিব লাগে। একেবাৰে আমিএ সহিতে যাবলৈ ভাল নহয় হেন দেখি। চাহেবৰ যেখান আজ্ঞা হয় সেখান কৰা যাব।" পাচে বৰঠাকুৰে এই কথা শুনি, বোলে,—"মিৰ্জ্জাএ ভালেহে বুলিছে। যিৰূপে ভাল দেখে সেইৰূপে পঠাই

Digitized by Panjab Digital Library | www.panjabdigilib.org

দিব।" পাচে মুৰাদ্বেগে এই কথা শুনি ঢালী বকছৰিয়া মানুহ দুশ-এশকৈ পঠাই দিলে চাকৰ ধৰি।

ঘনশ্যাম ঠাকুৰে লগত যোৱা মানুহেৰে হাতীও ধৰিছিলে, ৰহস্তে বঙ্গালৰ মানুহ অনাই ৰাজা হবলৈকো মন কৰিছে। ই কথাক ৰাজা নাজানে। ঘনশ্যামৰ লগত যোৱা মানুহে তাত ভএ ৰাজাত কব নোৱাৰে। পাচে ঘনশ্যামে জোপে-জোপে বঙ্গালৰ মানুহ অধিক কৰি অনাবৰ শুনি যুৱৰাজে ৰাজাৰ বৈনাএক কোটোৱাল মুছিবে দুএ যুক্তি কৰি ৰহস্তে আন দিনৰ নিয়মত কৰি বঢ়া কৰি তীৰন্দাজ, বকছৰিয়া এনে বিধ মানুহক চাকৰ ৰাখিলে, বোলে,—"ঘনশ্যামে যে বঙ্গালৰ মানুহ চাকৰ ধৰি আনিছে নাজানি কি অনৰ্থ কৰে, আমিও কিছো সাৱধানে থাকোঁ।" এই বুলি চাকৰ ধৰিলে। পাচে ঘনশ্যাম বৰঠাকুৰে হাতী ধৰি সাঙ্গ কৰি মুৰাদ্‌বেগলৈ জনালে, বোলে,—"মিৰ্জ্জাএ যি মানুহ পঠাইছে তাক পাইছোঁ, এখন মিৰ্জ্জাএ মামুদছপিক পৃথকে পঠাই দিয়ক। মামুদছপি আহি লোকত কহিব,—'ব্যাজৰূপে ইৰ্ছালৰ হাতী বাকী আছে তাৰ কাৰণেহে মঞি আহিছোঁ।' এইৰূপে কথা হৈ পঠাই দিব। আৰু মিৰ্জ্জাও সোৱাৰ বকছৰিয়া, তীৰন্দাজ, যি পায় লৈ শীঘ্ৰে আসোক।"

পাচে মুৰাদ্‌বেগে এই কথা শুনি মামুদছপিক মীৰ্মুৰাদত জনাই সোৱাৰ, বকছৰিয়া, তীৰন্দাজ, এইসকলক চাকৰ ধৰি সঙ্গে দি মিৰ্জ্জা-পুৰলৈ পঠাই দিলে। পাচে মামুদছপিএ আহি মিৰ্জ্জাপুৰত লোকত কহিলে, বোলে,—"চম্পকৰাই যুৱৰাজৰ দিনত হাতীৰ বাকী আছে, তাৰ কাৰণে মঞি আহিছোঁ।" এই বুলি ব্যাজৰূপে কহিলে, ঘনশ্যাম ঠাকুৰে ৰাজা হবলৈ মন কৰি অনাইছে বুলি নকহিলে। পাচে মুৰাদ্বেগে সোৱাৰ, বৰকন্দাজ, তীৰন্দাজ এইসকলক চাকৰ ধৰি সঙ্গত লৈ ঢকাৰ পৰা ঘনশ্যাম ঠাকুৰৰ লগলৈ আহিল। পাচে ঘনশ্যাম ঠাকুৰে ধৰা হাতী আনিবলৈ যি মানুহ লাগে নিয়ম কৰি দিলে।

Digitized by Panjab Digital Library | www.panjabdigilib.org

তাৰে হাতী ১০টা আগ কৰি ৰাজাৰ ঠাইলৈ দি পঠালে। তাৰ লগত যি মানুহ লাগে তাকো দিলে আৰু তাৰ দেশৰ ৰাজাৰ ইষ্ট মানুহক হাতীৰ লগতে থলে। ঘনশ্যাম ঠাকুৰৰ ইষ্ট যিসকল, সিহঁতক লগত ললে। পাচে ঘনশ্যাম ঠাকুৰে ৰাজালৈ কৈ পঠালে, বোলে,—"আগে মুৰাদ্বেগ যে অসন্তোষ কৰি ঢকালৈ গেছিলে মঞি মানুহ পঠাই তাক বোধ-ভাৰসা দি অনাইছোঁ, মঞে সৈতে মহাৰাজাত মিলা হব।" এই বুলি ব্যাজৰূপে ৰাজালৈ জনালে। পাচে ঘনশ্যাম বৰঠাকুৰে মুৰাদ্বেগে সহিতে লোক-লস্কৰ লগত লৈ হাতী ধৰা ঠাইৰ পৰা আহি মিৰ্জ্জাপুৰত মামুদছপিৰ লগ ললেহি।

পাচে ঘনশ্যাম বৰঠাকুৰ বঙ্গালৰ লোক-লস্কৰ লৈ আহিবৰ শুনি যুৱৰাজে কোটোৱাল মুছিবে দুয়ো যুক্তি কৰি ৰহস্যে ৰাজাত জনালে, বোলে,—"ঘনশ্যাম বৰঠাকুৰে বঙ্গালৰ বহুত লোক-লস্কৰ চাকৰ ধৰি লগত আনিছে বুলি শুনা গৈছে। আকে মহাৰাজে জিজ্ঞাসা কৰোক, নাজানি কোন অনৰ্থ কৰে। শুনুতে যে ভালৰূপ নুশুনিছি।" পাচে ৰাজা এই কথা শুনি, বোলে,—"তোমা কোনো সংশয় নকৰিবি। ঘনশ্যামে মোলৈ জনাই আহিছে, বোলে,—'মুৰাদ্বেগক অনোৱা গৈছে। তাৰ সঙ্গে মানুষ কিছো আহিছে।' তেও যে তোমা কৈছ, মানুহ পঠাই বাৰ্ত্তা লোৱা যাব।" এই বুলি সেই দুইক ঘৰলৈ পঠালে।

পাচে ৰাজাএ ঘনশ্যাম বৰঠাকুৰৰ তলৈ মানুষ পঠাই দিলে, বোলে,—"পূৰ্ব্বে ঘনশ্যামে মোলৈ কৈছে বোলে,—'মুৰাদ্বেগৰ লগত কিছো মানুহ আহিছে, এখন শুনুতে যেন লোক-লস্কৰ বহুতো আহিছে'।" পাচে এই কথা ঘনশ্যাম বৰঠাকুৰে শুনি ৰাজালৈ কৈ পঠালে, বোলে—"আমি মহাৰাজৰ আজ্ঞাকাৰী সেৱক। মহাৰাজাএ মুৰাদ্বেগক আনিবলৈ বুলিলে এই কাৰণে তাক আনিছোঁ। তাৰ সঙ্গে কিছো মানুহ আহিছে আৰু হাতীৰ ইৰ্চ্ছালৰ কথাএ মামুদছপিও আহিছে, তাৰ সঙ্গতো লোকজন আহিছে। মঞি তাক কি বুলিম?

Digitized by Panjab Digital Library | www.panjabdigilib.org

মহাৰাজাএ মোক বৰৰূপে অনুগ্ৰহ কৰে দেখি অনেকেও অনেকৰূপে কব। তাক মহাৰাজাএ ভালৰূপে বিচাৰ কৰিলেহে উত্তম হয়। আৰু এনে ভেদাভেদৰ পৰা পূৰ্ব্বে যি অনৰ্থ হৈছে তাকো মহাৰাজাএ সকলো জানিছেন।" এইৰূপে জনাই আহিল।

২৬শ আধ্যা।

ঘনশ্যাম, মুৰাদ্‌বেগ আৰু মামুদছপিৰ মন্ত্ৰণা।

পাচে ঘনশ্যাম বৰঠাকুৰ, মুৰাদ্বেগ, মামুদছপি এই তিনিও মন্ত্ৰণা কৰি মামুদছপিৰ দ্বাৰাএ ৰাজালৈ পত্ৰ লেখাই দি পঠালে, বোলে,—"চম্পকৰাইৰ দিনৰ যি হাতীৰ বাকী আছে তাক দেখোঁ মহাৰাজে নেদিএ, আগেও বাৰম্বাৰ জনোৱা গৈছে। এই কথা যদি পাচ্ছাএ শুনে অনৰ্থ হব। মঞি আপুনি মহাৰাজাত সাক্ষাতে কলেহে ভাল হব। ঘনশ্যাম ঠাকুৰতো কোৱা হ'ল। তেম্ৰা বোলে,—'চম্পকৰাইৰ দিনতে কিয় নললা, আমি এখন কিৰূপে দিয়া হব'?" এইৰূপে ৰাজালৈ পত্ৰ দি পঠালে।

পাচে ঘনশ্যামে মুৰাদ্বেগে সহিতে যুক্তি কৰি মামুদছপিক বুলিলে, বোলে,—"দেশৰ লোকজন সকলো ৰাজাৰ ইষ্ট, তুমি উপায় কৰি মোক ৰাজা পতা, তোমাক মঞি ১০ হাজাৰ ৰূপিয়া দিম।" আৰু মুৰাদ্বেগেও বুলিলে, বোলে—"চাহেবে যদি বৰঠাকুৰক ৰাজা পাতে দেশে সহিতে সকলো চাহেবৰে বুজিব।" পাচে মামুদছপিএ বুলিলে, বোলে,—"মীৰ্ম্মুৰাদে মোক কৈ পঠাইছে, বোলে,—'যদি দেশৰ লোকজনে ৰত্নমাণিক্য ৰাজাৰ পৰা কষ্ট পায়, যদি ঘনশ্যামকে ৰাজা লব খোজে, তঞো দেশৰ লোকজনৰ লগতে সহায় হবি।' এইৰূপে মোক বুলিছে। এখন তোমোৰা কৈছ,—'দেশৰ লোকজন সকলো

Digitized by Panjab Digital Library | www.panjabdigilib.org

ৰত্নমাণিক্য ৰজাৰ ইষ্ট।' তবে আমি ই কাৰ্য্যত কিৰূপে অনুমতি দিয়া যাব? তেও যে তোম্ৰা কৈছ যুৱৰাজৰ বিষয়কে তোমাক দিয়া যাব আৰু কোটোৱাল মুছিবৰ পৰা যি অসন্তোষ পাইছে তাৰো বিষয় দূৰ কৰা যাব।" পাচে মুৰাদ্বেগে বুলিলে, বোলে,—"এখন বৰঠাকুৰে একো বুলিব নালাগে, চাহেব নগৰলৈ গলে যেমন যোগ্য হয় তাকে কৰিব।" পাচে বৰঠাকুৰ ঘনশ্যামে বুলিলে, বোলে,—"মঞি মিৰ্জ্জাত সকলো ভাৰসা কৰিছোঁ, মিৰ্জ্জাও মোক এৰিব নাপাই।" পাচে মামুদছপিএ বুলিলে, বোলে,—"বৰঠাকুৰৰ ভোগত যিখান আছে সেইহে হব। তথাপি যে আমাক বুলিছে আমাৰ হন্তে যিখান হয় সেইখান আমি কৰিম।"

পাচে ঘনশ্যাম বৰঠাকুৰে বুলিলে, বোলে,—"আমাৰ তিনিৰ ভিতৰত যেমতে ভেদ নহয় সেইৰূপে কৰাৰ কবুল কৰিব লাগে, তেবেসে চিতৰ সংশয় গুছে।" পাচে মামুদছপিএ বুলিলে, বোলে,—"ভাল, যিখান কৰিলে তোমাৰ দিগেৰ সংশয় গুছে সেইখান কৰ।" পাচে তাম, তুলসী, কোৰাণ আগত থৈ তিনিও শপত কৰিলে, বোলে,—"এই কথা যাৰ পৰা ওলায় সি ধৰ্ম্মত ঘাটিব আৰু ঈশ্বৰে খোদাইএ তাক দণ্ডিব।" এই বুলি তিনিও শপত কৰি মিৰ্জ্জাপুৰৰ পৰা নগৰলৈ আহিবলৈ উদ্যম কৰিলে।

পাচে মামুদছপিৰ পত্ৰ পাই ৰাজাএ যুৱৰাজ, কোটোৱাল মুছিব এই দুইক মতাই অনালে, বোলে,—"মামুদছপিএ চম্পকৰাইৰ দিনৰ বাকী থকা হাতীৰ নিমিতে লিখিছে। ঘনশ্যাম ঠাকুৰকো ধৰিছিলে, সি গাত নললে। তেও তোম্ৰা ঘনশ্যামৰ দোষ দিয়। তাৰ কিছো দোষ নাই। বঙ্গালৰ মানুহ বহুতো ঘনশ্যামে অনাইছে বুলি তোম্ৰা যি সংশয় কৰিছ, সেই মানুহ মামুদছপিৰ লগতেহে আহিছে, ঘনশ্যামে অনোৱা নাই।" এই বুলি মামুদছপিএ দিয়া পত্ৰকো শুনালে আৰু কলে, বোলে,—"মামুদছপি যে আহিব খুজিছে তাক অনোৱা যাব

Digitized by Panjab Digital Library | www.panjabdigilib.org

নাযাব? ননালেও ভাল নেদেখি।" পাচে যুৱৰাজে, কোটোৱাল মুছিবে বুলিলে, বোলে,—"মহাৰাজাক যিৰূপে পত্র লিখিছে ই ব্যাজহে, স্বৰূপত ই কথা নহয়। মামুদছপি, মুৰাদ্বেগ এই দুএ সৈতে যুক্তি কৰি বঙ্গালৰ লোকজন আনি ঘনশ্যাম ঠাকুৰে কোনোখান অনৰ্থ কৰিবলৈহে মন কৰিছে, ইহাক মহাৰাজে নিচয় কৰি বুজিব। এই জানি মহাৰাজা আমাক আজ্ঞা কৰোক, আমাৰ লোকজন সহিতে আমি চণ্ডীগড়ত থাকোগৈ। তাতে থাকি ঘনশ্যাম বৰঠাকুৰকে মুৰাদ্বেগকে দেশৰ লোকজন সহিতে আমাৰ ঠাইলৈ মাতি আনি পাচে আমিএ সহিতে নগৰলৈ আহিম। মামুদছপি আপোনাৰ লোকজন সহিতে মিৰ্জ্জাপুৰতে থাকোক। পাচে মহাৰাজে সমালোচন কৰি যিখান কৰিবলৈ ভাল দেখে সেইখান কৰিব।" পাচে ৰাজা বুলিলে, বোলে,—"ঘনশ্যাম আমাৰ কনিষ্ঠ ভাই হয়, তাৰ আমাত বৰ বিশ্বাস, সি আমাৰ দ্রোহ কিয় আচৰিব? এনে অযুক্ত বাক্য তোমা কিয় বোলা? ঘনশ্যামলৈ সংশয় কিছো নাকৰিবা। মামুদছপিএ সৈতে ঘনশ্যাম আসিলেহে ভাল দেখি। এইৰূপ নাহলে পৰিণামত বিৰুদ্ধ হব।" এইৰূপে ৰাজা বুলিলত পাচে যুৱৰাজে, কোটোৱাল মুছিবে বুলিলে, বোলে—"আমি কায়-বাক্য-মনে মহাৰাজাৰ হিতক চিন্তি যিখান কব লাগে কলোঁ। তথাপি মহাৰাজাৰ চিতত প্রবেশ নাহয়। মহামায়া যাক যিমানলৈ ভোগ্য দিএ সেইহে হয়, আমাৰ পুৰুষাৰ্থে কিছো নাহয়। ইহাতে জানিলোঁ, ভগৱতী আমাৰ সম্বন্ধি ৰুষ্ট হৈল। আৰু যাৰ কৰ্ম্মত যি আছে তাক কোনে খণ্ডাইতে পাৰে।" এই বুলি অসন্তোষ কৰি দুয়ো ঘৰলৈ আহিল।

Digitized by Panjab Digital Library | www.panjabdigilib.org

২৭শ আধ্যা।

ৰাজধানীৰ সমীপত সসৈন্যে ঘনশ্যাম বৰঠাকুৰ।

পাচে ৰাজা 'মামুদছপিয়ে সহিতে ঘনশ্যাম ঠাকুৰ আহোক' এই বুলি কৈ পঠালে। পাচে ঘনশ্যাম ঠাকুৰে ৰাজাৰ আজ্ঞা শুনি মামুদছপিক লগত লৈ লোক-লস্কৰ সহিতে নগৰলৈ আহিল। ৰাজাৰ ঘৰৰ পৰা কিছোমান অন্তৰতে গোমতী নদীৰ সিপাৰত তাম্বু কানাত তৰি ৰহিল। সেই দিন ৰাজাৰ তলৈ নাহিল। পাচে ঘনশ্যাম ঠাকুৰে ৰাজালৈ জনাই পঠালে, বোলে,—"আমি মামুদছপিএ সহিতে আহি ইহাতে ৰহিছোঁ। দিন-বাৰ চোৱাই মহাৰাজাক মিলা যাব।" পাচে ৰাজাএ মামুদছপিলৈ সিধা দিলে, ঘনশ্যাম ঠাকুৰলৈকো ফুল-চন্দন কটা গুৱা-পাণ ৰূপৰ বটাত কৰি দি পঠালে।

তাৰ পাচদিনা ঘনশ্যাম ঠাকুৰে, মামুদছপিএ মুৰাদ্বেগে তিনিও আলচ কৰিলে, বোলে,—"যুৱৰাজে কোটোৱাল মুছিবে এই দুই দেশতো প্ৰধান, ৰাজাৰো বৰ ইষ্ট। এই দুইক আমাৰ ঠাইক অনাই বন্দী কৰি নাৰাখিলে কিৰূপে কাৰ্য্য সিদ্ধি হব?" পাচে ঘনশ্যাম বৰঠাকুৰে মামুদছপিক বুলিলে, বোলে,—"মিৰ্জ্জাএ উপায় কৰি অনালেহে সিহঁত আহিব। মোৰ কথাএ কিয় আহিব?" পাচে মামুদছপিএ ঘনশ্যাম ঠাকুৰক বুলিলে, বোলে,—"তুমি প্ৰীতি ভাবে সিহঁতক মাতি পঠোৱা। মুৰাদ্বেগক অনা গৈছে। সি মহাৰাজাত মিলিবলৈ সংশয় কৰে, মোৰ বচনতো ভাৰসা নকৰে। এই কাৰণে তেম্ৰা দুয়োজন আমাৰ ঠাইক আইসোক। আমিএ সহিতে মুৰাদ্বেগক মহাৰাজাত মিলৱা হব আৰু আমাৰো মানুষ সেই সঙ্গতে গৈ মঞো মাতিছোঁ বুলি কব। এইৰূপে তুমি সিহঁতক মাতি পঠোৱা, আৰু এই কাৰণে মাতিছোঁ বুলি ৰাজালৈকো জনাই পঠাবা।" পাচে

Digitized by Panjab Digital Library | www.panjabdigilib.org

মুৰাদ্বেগে বুলিলে, বোলে,—"মির্জ্জা চাহেবে ভালেহে বুলিছে। বৰঠাকুৰে এইৰূপ উপায় কৰিলেহে ভাল হব।"

পাচে ঘনশ্যাম ঠাকুৰে মামুদছপিএ দুয়ো যুৱৰাজকে কোটোৱাল মুছিবকে সেইৰূপে মাতি পঠালে, বোলে—"আমাৰ ঠাইলৈ তেম্ৰা আইসোক, আমিএ সহিতে মুৰাদ্বেগক ৰাজাত মিলাব লাগে।" এইৰূপে কৈ পঠালে, আৰু সিহঁতক এই কাৰণে মাতিছোঁ বুলি ৰাজালৈকো জনাই পাঠালে। পাচে সেই মানুহে গৈ মাতিলত যুৱৰাজে বুলিলে, বোলে,—"আজি একাদশী ব্ৰত কৰিছোঁ, আমি কিৰূপে যাব?" কোটোৱাল মুছিবে বুলিলে, বোলে,—"মোৰ শৰীৰ ভাল নকৰিছে, আজি যাব নোৱাৰোঁ।" এই বুলি দুয়ো নগ'ল। পাচে মানুষে আহি দুইতো এইৰূপে কলে। পাচে সিহঁত নাযাবৰ দেখি মামুদছপিএ ঘনশ্যাম ঠাকুৰক বুলিলে, বোলে,—"সিহঁত দুইক মাতি পঠোৱা হ'ল নাহিল, দেশৰ লোকজনকো বশ কৰি লোৱা নহ'ল, আমি একলে তোমাক কিৰূপে ৰাজা পতা যাব? আৰু মীৰমুৰাদৰো আমাত এইৰূপ আজ্ঞা নাই। আমি তোমাৰ ই কাৰ্য্য কৰিতে নাপাৰি।" পাচে ঘনশ্যাম ঠাকুৰে মামুদছপিক বুলিলে, বোলে,—"মঞি সকলো ভাৰসা তোমাতে কৰিছোঁ, এখন যদি তুমি আমাক ছাড়িবা আমাৰ বধে তোমাক পাইব আৰু তুমি ধৰ্ম্মতো ঘাটিবা। মঞি মীৰমুৰাদলৈকো ৰূপ ৫ হাজাৰ দিম। তুমি মীৰমুৰাদলৈ একো সংশয় নকৰিবা।" পাচে মামুদছপিএ বুলিলে, বোলে,—"এনে হলে তোমাৰ দেশৰ দুই-চাৰি মানুহ সঙ্গত প্ৰধান চাই লোৱা।" পাচে ঘনশ্যাম ঠাকুৰে বুলিলে, বোলে,—"ভাল, আমাৰ ভাই চন্দ্ৰমণি ঠাকুৰ, জয়সিংহনাৰাণ কাৰ্ক্কোন এই দুইকো মোৰ সঙ্গত লম।" পাচে মামুদছপিএ বুলিলে, বোলে,—"এইৰূপে দুই-চাৰিজনক সঙ্গত ললে মীৰমুৰাদত কবলৈ ভাল।" এইৰূপে যুক্তি কৰি ৰহিল।

Digitized by Panjab Digital Library | www.panjabdigilib.org

২৮শ আধ্যা।

যুৱৰাজ আৰু কোটোৱাল মুছিবৰ সজ পৰামৰ্শ।

পাচে যুৱৰাজে, কোটোৱাল মুছিবে সেই দিন ঘনশ্যাম ঠাকুৰে মাতিলত নগৈ ৰাজাৰ ঠাইক গৈ কলে, বোলে,—"আমি আগে মহাৰাজাত যি কথা কলোঁ। তাক মহাৰাজে নললে। পূৰ্ব্বাপৰৰ নিয়ম হাতী ধৰা ঠাইৰ পৰা আহি সেই দিনে মহাৰাজাক মিলিব লাগে। এখন ঘনশ্যাম ঠাকুৰে নাহি মগলে সহিতে যুক্তি কৰি সিপাৰতে ৰহিছে। তাৰ তলৈকে আমাকো মাতি পঠাইছে। কোনো দিনৰ এনে নিয়ম নহয়। আমি তাৰ ঠাইক গলে আমাক কয়দ কৰি ৰাখিব। যদি মাহাৰাজা আজ্ঞা কৰে এখনো উপায় চিন্তিব পাৰি।" পাচে ৰাজা বুলিলে, বোলে,—"তোমা এমত অনুচিত বাক্য কেনে বোল? এখনে ঘনশ্যামে আমালৈ কৈ আহিছে, বোলে,—"মুৰাদ্বেগে মহাৰাজাত অপৰাধ কৰি গৈছে, আকে চাই সি দণ্ডৰ যোগ্য হৈছে। তাক দণ্ড কৰিবলৈকো ভাল নহয়। এনে ভাল মানুহ দুই-চাৰি দেশত থাকিবকো লাগে। তাৰো মনত বৰ সংশয় আছে। এই জানি যুৱৰাজ, কোটোৱাল মুছিব আমিএ সহিতে একত্ৰ হৈয়া সকলো তাৰ অপৰাধ মহাৰাজাত প্ৰাৰ্থনা কৰি মুৰাদ্বেগক মহাৰাজাত মজুৰা কৰাম। এইখান মনেৰে ভাবিয়া তেমা দুইজনক মাতি পঠাইলোঁ, নাসিল।" এইৰূপে মোলৈ জনাই আহিছে। তোমা কোনো সংশয় নাকৰিবা, তাৰ ঠাইক যাইবা।" পাচে যুৱৰাজে, কোটোৱাল মুছিবে বুলিলে, বোলে,—"আমি যিসকল কথা মহাৰাজাত বাৰম্বাৰ কহিছোঁ, তাক মহাৰাজে ভাল নাশুনে। ঘনশ্যাম ঠাকুৰে মগলে সহিতে মগলী ফন্দ কৰিছে, তাক মহাৰাজা দৈৱদোষত থাকি নাবুজিছেন। আমি অৰণ্যৰোদন কৰিলে কি হব।"

Digitized by Panjab Digital Library | www.panjabdigilib.org

এই বুলি অসন্তোষ কৰি যুৱৰাজ কোটোৱাল মুছিবৰ ঘৰলৈকে গ'ল। পাচে কোটোৱাল মুছিবৰ ঘৰিণী ৰাজাৰ ভনীয়েকক শিখাই ৰাজাৰ তলৈ পঠাই দিলে, বোলে,—"আমি অনেকৰূপে কলোঁ, ৰাজা আমাৰ বচন নালয়। তুমি ৰাজাত বুজাই কহিবা,—'ঘনশ্যাম বৰঠাকুৰে ৰাজাকো ভাঙ্গি ৰাজা হব, আমাকো মাৰিব,' ইহাক নিশ্চয় কৰি জানিব।" পাচে ৰাজা-ভগিনী আহি সেইৰূপে ৰাজাত অনেকো কলে।

পাচে ৰাজা বুলিলে, বোলে,—"তুমি স্ত্ৰীলোক, কিছু নাজানা, যেইৰূপে বুজাইছে সেইৰূপে বুজিছা। তুমি আমাৰ যেমত বহিনী·· ···

২৯শ আধ্যা।

"যুৱৰাজে কোটোৱাল মুছিবে ঘনশ্যামৰ তলৈ গ'ল।"

[এইখিনিতে মূল পুথিত এখিলা পাত নাই। সেই পাত নথকা স্বত্বেও ঘটনাৰ ধাৰাবাহিকতা এইদৰে নিৰ্ণয় কৰিব পাৰি।—ৰত্নমাণিক্য ৰজাই ভায়েক ঘনশ্যাম বৰঠাকুৰৰ কোনো দুৰভিসন্ধি আছে বুলি পতিয়াব নুখুজিলে। ৰজাই ভনীয়েকৰ কথা নামানিলে, আৰু পৰম হিতাকাঙ্ক্ষী দুৰ্জ্জয়সিংহ যুৱৰাজ আৰু ৰাজদুৰ্ল্লভনাৰায়ণ কোটোৱাল-মুছিবৰ সজ পৰামৰ্শও দলিয়াই পেলালে। ৰজাৰ আজ্ঞামতে যুৱৰাজ আৰু কোটোৱাল-মুছিব ঘনশ্যাম বৰঠাকুৰৰ বাহৰলৈ গৈ পূৰ্ব্বে ত্ৰিপুৰাৰ পৰা পলাই যোৱা মুৰাদ-বেগক ক্ষমাপ্ৰাৰ্থী হৈ ৰজাৰ সমুখত হাজিৰ হবলৈ অনুৰোধ কৰিলে, আৰু তেওঁক ক্ষমা কৰিবৰ কাৰণে ৰজাক খাটিবলৈকো গাত ললে। মূল পুথিৰ নিৰ্ঘণ্টত উক্ত হেৰোৱা পাতত এই কথা আছিল বুলি উল্লেখ আছে,—"যুৱৰাজে কোটোৱাল-মুছিবে ঘনশ্যামৰ তলৈ গ'ল"।—শ্ৰীসূৰ্য্যকুমাৰ ভূঞা, ইং ১৪।৫।১৯৩৬]

Digitized by Panjab Digital Library | www.panjabdigilib.org

"……মিত্র সহিতে মহাৰাজাত অপৰাধ মাগিলেহে ভাল হব হেন দেখি।" পাচে মুৰাদ্বেগে বুলিলে, বোলে,—"যুৱৰাজৰে কোটোৱাল মুছিবৰে সকলো দিনে মঞি পালনীয়া আজ্ঞাকাৰী। মোৰ প্রাণ যিৰূপে ৰক্ষা পৰিব সেইখান কৰিব। মঞি বাঢ়া কি নিবেদন কৰিম।" পাচে যুৱৰাজে কোটোৱাল মুছিবে বুলিলে, বোলে,—"তঞি মনৰ বেগত থাকি অযোগ্য কথা কৰিলি। এনে বিৰুদ্ধ কথাৰ নিমিতে আমি ৰাজাত মাতিবলৈ সংশয়, তেও তোৰ অৰ্থে বৰঠাকুৰে সহিতে আমি ৰাজাৰ ঠাইত মাতিম।" পাচে মামুদছপিএ বুলিলে, বোলে,—"ভালেহে বুলিছে।" পাচে ঘনশ্যাম ঠাকুৰে বুলিলে, বোলে,—"কালি সকলো একত্র হৈয়া ৰাজাক মিলা যাব।" এইৰূপে ছল কৰি ৰাত্রি কৰিলে।

৩০শ আধ্যা।

ঘনশ্যামৰ হাতত কোটোৱাল মুছিব বন্দী।

পাচে ঘনশ্যাম ঠাকুৰে কোটোৱাল মুছিবক বুলিলে, বোলে,—"তুমি আজি আমিএ সৈতে ভোজন কাৰ্য্য কৰি থাকা।" এই বুলি হাতত ধৰি ভিতৰলৈ নি কোটোৱাল মুছিবক লোৱা লগালে।

মামুদছপিএ যুৱৰাজে সেই বহা ঠাইতে থাকিল। পাচে যুৱৰাজে বিধাৰণ দেখি মামুদছপিত ভাৰসা দি সুধিলে। মামুদছপিএ ৰহস্যে ইঙ্গিতে কিছো কলে। পাচে ঘনশ্যাম ঠাকুৰে ভিতৰৰ পৰা বুলি পঠালে, বোলে,—"যুৱৰাজো আজি আমাৰ ঠাইতে ৰহোক।" পাচে যুৱৰাজে আপোনাৰ অনৰ্থ জানি মামুদছপিত ভাৰসা দি পৰিল, বোলে,—"মঞি তোমাত সকলো ভাৰসা দি পৰিলোঁ, মোৰ প্রাণ ৰক্ষা কৰা।

Digitized by Panjab Digital Library | www.panjabdigilib.org

আৰু যুৱৰাজ বিষয়তো ৰাখিবা। তোমাক মঞি কপ ১০ হাজাৰ দিম।" পাচে মামুদছপিএ বুলিলে, বোলে,—"মঞি তোমাক উপায় কৰি ৰক্ষা কৰিম, তুমি একো সংশয় নকৰিবা।" পাচে যুৱৰাজে অনেক-ৰূপে মামুদছপিক বোলে,—"আজি মোক ঘৰলৈ পঠাই দিয়া, তেবেসে মোৰ মনৰ সংশয় গুচে।" পাচে মামুদছপিএ বুলিলে, বোলে,—"ভাল, মঞি কোনখান কৰিব পাৰোঁ চাওঁ।" পাচে ঘনশ্যাম ঠাকুৰলৈ মামুদছপিএ বুলি পঠালে, বোলে,—"যুৱৰাজ ইথানে থাকিবলৈ ভাল নহয়, গৃহলৈকে যাওক। দুইকো ৰাখিলে ৰাজা শুনি সংশয় কৰিব।" পাচে ঘনশ্যামে বুলিলে, বোলে,—"মিৰ্জ্জাএ যদি ভাল দেখে সোৱাৰ সঙ্গে দি পঠাই দিয়ক। সেই সোৱাৰে সহিতে কালি আসিব।" পাচে মামুদছপিএ ১০টা সোৱাৰ সঙ্গত দি যুৱৰাজক ঘৰলৈ পঠাই দিলে। মামুদছপিএ সোৱাৰবোৰক বুলিলে, বোলে,—"তহঁতো যুৱৰাজৰ সঙ্গতে যা। আজি তহঁতো ততে থাকিবি, কালি বিহানে যুৱৰাজে সহিতে আহিবি।" পাচে সেই সোৱাৰে সহিতে যুৱৰাজ ঘৰলৈ আহিল। পাচে ঘনশ্যাম ঠাকুৰে ৰাজালৈ কৈ পঠালে, বোলে,—"কোটোৱাল মুছিবক আমাৰ এই থানে ৰাখিছোঁ, বোলো, আজি কৌতুকে থাকি কালি মহাৰাজাত মিলা যাব।" আৰু এইৰূপে ভনীএকলৈকো জনাই পঠালে।

Digitized by Panjab Digital Library | www.panjabdigilib.org

৩১শ আধ্যা।

মহাৰাজ ৰত্নমাণিক্যৰ সৰলতা আৰু ভাতৃত বিশ্বাস।

পাচে যুৱৰাজে ঘনশ্যাম ঠাকুৰৰ ঠাইৰ পৰা ঘৰলৈ আহি লগত অহা সোৱাৰক সিধা-পত্ৰ দি ৰাত্ৰি বেশছন্ন কৰি এটি নফৰ সঙ্গত লৈ ৰাজাৰ ঠাইক গ'ল। পাচে জনাই পঠালত ৰাজা ভিতৰলৈ নিয়ালে। পাচে যুৱৰাজক দেখি ৰাজা সুধিলে, বোলে,—"তুমি এনে বেশ ধৰি কিয় আহিছ?" পাচে যুৱৰাজে কহিলে, বোলে,—"মহাৰাজে কি সুধিব লাগে? আমাৰ সমাপ্তিৰ কাল হৈল। কোটোৱাল মুছিবে সহিতে আমি ঘনশ্যাম ঠাকুৰৰ ঠাইক গলোঁ। পাচে ঘনশ্যাম ঠাকুৰে মুৰাদ্বেগক মিলাবৰ কথা কৈ ছলৰূপে ৰাত্ৰি কৰিলে। পাচে কোটোৱাল মুছিবক ভিতৰলৈ নি লোৱা লগালে, মোকো বন্দী কৰিলে। পাচে মঞি মামুদছপিত ১০ হাজাৰ ৰূপীয়া সই ঘৰলৈ আহিলোঁ। তেও লগত সোৱাৰ দিহে পঠাই দিছে। সিহঁত ৰখীয়া হৈ আছে। কালি বিহানে নিব দিছে। মঞি বেশছন্ন কৰি পাচ-দুৱাৰে পলাই মহাৰাজাত জনাবলৈ আসিছোঁ, সিহঁতে নাজানে। কালি ঘনশ্যাম ঠাকুৰ মহাৰাজাক ভাঙ্গি ৰাজা হব, কোটোৱাল মুছিবকো আমাকো মাৰিব, এইখান নিচয় কৰিছে। এখনো মহাৰাজাএ আজ্ঞা কৰিলে উপাই কৰিব পাৰি। আমাৰ দেশৰ লোকজনৰ মহাৰাজাত অনুৰাগ আছে। আমি হাদিৰি বাদ্য বজাওঁ, আকে শুনি দেশৰ লোকজন আহি আমাৰ লগ লবহি, পাচে আমি মহাৰাজাৰ কোঁঠত থাকি সাৱধানে ৰহিলে সিহঁতে কিছো কৰিব নোৱাৰিব। পাচে কোটোৱাল মুছিবকো পোৱা যাব,

Digitized by Panjab Digital Library | www.panjabdigilib.org

ঘনশ্যামকো ধৰা যাব। ইহাত কিছো সংশয় নাই। এইৰূপে মহাৰাজাএ আজ্ঞা কৰোক।"

পাচে ৰত্নমাণিক্য ৰাজাএ বুলিলে, বোলো—"তোম্রা কিছো নাবুজ, ৰজ্জুতে সর্পবোধ কৰ। এখনে ঘনশ্যামে মোলৈ জনাই আহিছে, বোলে,—'কোটোৱাল মুছিবক মোৰ থানে ৰাখিছোঁ। আজি কৌতুকে থাকি মহাৰাজাক কালি মিলা যাব।' এখন তোম্রা মৰা-কটা কৰিতে চাৱ। ঘনশ্যাম আমাৰ ভাই হয়, সর্ব্বৰূপে যোগ্য মানুহ। তাক নিৰপৰাধত মাৰিলে আমাৰ কি সুখ হব? ভাতৃবধ দোষো হব, লোকতো দুর্য্যশস্যা ৰহিব। পূর্ব্বেও এনে কুযুক্তি কৰি চম্পকৰাইক মৰালে। তাৰে পৰা মগলে অনেক অনর্থ কৰিবলৈ মন কৰে। এনে কুযুক্তিক আমি কৰিব নোৱাৰোঁ। তোম্রাও ই কথা আমাত নাকহিবা।" পাচে যুবৰাজে বুলিলে, বোলে,—"তুমি ৰামমাণিক্য ৰাজাৰ পুত্র, আপুনিও ২৭ বছৰ ৰাজাই কৰিলা, তথাপি শত্রুৰ কুচক্রক নাবুজিলা। এখনে তোমাৰ আমাৰ ই জন্মলৈ দেখা-দেখি যি হলোঁ এইসে।" এই বুলি যুৱৰাজ অসন্তোষ কৰি গৃহলৈ আসিল।

৩২শ আধ্যা।

ঘনশ্যাম ঠাকুৰৰ সিংহাসন অধিকাৰ।

পাচে পৰদিন ঘনশ্যাম ঠাকুৰে চন্দ্রমণি ঠাকুৰক মাতি আনি বোলে,—"তুমি মোৰ লগত সহায় হবা, মঞি ৰাজা হলে তোমাক যুৱৰাজ পাতিম।" পাচে চন্দ্রমণি ঠাকুৰে বুলিলে, বোলে,—"ভাল, তুমি যিখান আজ্ঞা কৰ মঞি সেখান কৰিম।" আৰু জয়সিংহ-নাৰাণ কার্ক্কোনক মাতি আনি বুলিলে, বোলে,—"তোমাৰ কন্যাখানিক

Digitized by Panjab Digital Library | www.panjabdigilib.org

মোক দিবা, মঞি বিবাহ কৰি মহাদেবী পাতিম। তুমি মোৰ লগত সহায় হবা।" পাচে কাৰ্কোনে বুলিলে, বোলে,—"ঠাকুৰ চাহেবে যিখান আজ্ঞা কৰে আমি নাকৰিলে পাৰি নেকি?" পাচে ঘনশ্যামে মামুদছপিত কলে, বোলে,—"এই দুই মোৰ সঙ্গত হৈছে।" পাচে যুৱৰাজে সেই সোৱাৰে সহিতে ঘনশ্যামৰ ঠাইক আসিল।

পাচে ঘনশ্যাম ঠাকুৰে ব্ৰাহ্মণ দৈৱজ্ঞক মাতি অনালে। সিসকলেও মঙ্গল ঘট কৰি যাত্ৰা দিলে। ঘনশ্যাম ঠাকুৰে ৰাজাক মিলোঁ বুলি আহিল। তাৰ লগত দেশৰো লোকজন আহিছিলে। বঙ্গালৰো চাকৰ ধৰা মানুহ সোৱাৰ ২০০ মান, বকছৰীয়া তীৰন্দাজ ৭ হাজাৰ মান, এইখানি আহিছিলে। পাচে ঘনশ্যাম আহোঁতে যুৱৰাজকে কোটোৱাল মুছিবকে ৰখা দি ২০ মান সোৱাৰে সহিতে মামুদছপিক বহাতে থৈ আহিল। ঘনশ্যাম ৰাজা হবলৈ আহোঁতে কমৰত দুয়ো ফালে তৰোৱাল বান্ধিছিলে, জামদাৰ লৈছিলে, পিঠিত ঢাল, কমায়ন, কাঁড়, ছোকৰ, হাতত বছি, এইৰূপে তুৰুকী ঘোঁৰা এটাত উঠি গোমতী নদীৰ পাৰ হই লোক-লস্কৰে সহিতে আহিল। পাচে ঘনশ্যাম মিলিবলৈ আহিবৰ শুনি ৰাজা ওলাই আহি সিংহাসনত বসিল। পাচে ঘনশ্যাম ঠাকুৰে গৈ সোণাৰ দুৱাৰী ঘৰ পালে। পাচে ঘনশ্যামৰ নিচান নি ৰাজাৰ সিংহাসনৰ ঘৰৰ আগত পুতিলে। পাচে ৰাজাৰ সেৱক দুৰ্ল্লভনাৰাণে বুলিলে, বোলে,—"দেখোঁ বৰঠাকুৰৰ নিচান আনি মহাৰাজাৰ সিংহাসনৰ ঘৰৰ আগত পুতিলে? কোনো দিনৰ এনে নিয়ম নাহয়।" পাচে ৰাজা বোলে,—"এইখানি বিধাৰণ দেখোঁতো, এখন কি কৰা যাব? আৰু যুৱৰাজে কোটোৱাল মুছিবে এই লগত অহা আছে নাই?" পাচে দুৰ্ল্লভনাৰাণে বুলিলে, বোলে,—"তেম্ৰা দুইজন দেখোঁ নাই।" এনেতে ঘনশ্যাম ঠাকুৰে পঠাই দিলে, বঙ্গালৰ চাকৰ ধৰা পীতাম্বৰ হাজাৰিএ ২০মান বকছৰীয়া মানুহ লগত লৈ সিংহাসনৰ ঘৰত উঠি আহি ৰাজাক বুলিলে, বোলে,—"তুমি

Digitized by Panjab Digital Library | www.panjabdigilib.org

সিংহাসনৰ নামা। ঘনশ্যাম বৰঠাকুৰ ৰাজা হ'ল।" পাচে ৰাজা বুলিলে, বোলে,—"ঘনশ্যাম মোৰ ভাই হয়, সি এইৰূপ অধৰ্ম্ম কিয় কৰিব? তোমা এমত অযোগ্য বচন কেনে বোল?" পাচে পীতাম্বৰ হাজাৰিএ ৰাজাৰ হাতত ধৰি সিংহাসনৰ পৰা নমাই আনিলে। পাচে ৰাজা বুলিলে, বোলে,—"আমি ৰাজা, মাটিত ভৰি দিলে দেশ উছন্ন হব।" পাচে ঘনশ্যামে উঠা পালেকী এখান আনি তাতে ৰাজাক তুলি ঘনশ্যামৰ ঘৰলৈ নিলে। পাচে ৰত্নমাণিক্য ৰাজাৰ স্ত্ৰীসকলে অভ্যন্তৰত ৰাজাক নিবৰ শুনি ক্ৰন্দন কৰিলে। ৰাজাৰ সেৱক সকলো ৰাজাৰ লগৰ পৰা পলাল।

৩৩শ আধ্যা।

ত্ৰিপুৰাৰ সিংহাসনত ঘনশ্যাম বা মহেন্দ্ৰমাণিক্য ৰজা।

পাচে ঘনশ্যাম আহি সেই সিংহাসনত বসি ৰাজা হ'ল। এইৰূপে শক ১৬৩৪, মাস বৈশাখ, তাৰিক্ষ ২৯, সোমবাৰে ত্ৰয়োদশী তিথিত এক দণ্ড বেলা আছোঁতে ঘনশ্যাম ৰাজা হ'ল। ছোমতায়া দৈৱজ্ঞক আনি মহেন্দ্ৰমাণিক্য নাম ললে। ব্ৰাহ্মণসকলে দূৰ্ব্বাক্ষত সিঞ্চি সুমঙ্গল পঢ়িলে, ৩ বাৰ হিলৈ মাৰিলে, আনো বাদ্যসকল বজালে। পাচে ৰত্নমাণিক্য ৰাজাৰ স্ত্ৰী-পৰিজনক ৰত্নমাণিক্যৰ লগলৈ নিলে, ঘনশ্যামৰ স্ত্ৰী-পৰিজনক ৰাজাৰ ঘৰলৈ আনিলে। পাচে ৰত্নমাণিক্যলৈ মহেন্দ্ৰমাণিক্য ৰাজাএ শোৱা-খোৱা ৰোজ-বাজ সকলো সামগ্ৰী পূৰ্ব্বৱতে দিলে। ৰত্নমাণিক্যৰ স্ত্ৰীসকললৈকো পূৰ্ব্বৱতে সকলো দিলে।

Digitized by Panjab Digital Library | www.panjabdigilib.org

পাচে মহেন্দ্ৰমাণিক্য ৰাজাএ নগৰত চকী দিয়াই সাৱধান হয়া ৰহিল। পাচে কোটোৱালে ঢোল বজাই নগৰত কৈ ফুৰিলে, বোলে,—"ৰত্নমাণিক্যক ৰাজা ভাঙ্গি মহেন্দ্ৰমাণিক্য ৰাজা হ'ল। লোকজনে কিছো সংশয় নাকৰিবা।"

পাচে পৰদিনে মহেন্দ্ৰমাণিক্য ৰাজাএ মামুদছপিক মতাই অনাই কলে, বোলে,—"চন্দ্ৰমণি ঠাকুৰক যুৱৰাজ পতা হ'ক, কোটোৱাল মুছিবকে যুৱৰাজকে মৰা হ'ক।" পাচে মামুদছপিএ বুলিলে, বোলে,—"যুৱৰাজক মাৰিলে মীৰ্ম্মুৰাদে ক্ৰোধ কৰিব। তোমাৰো বৰভাই হয়, তাহাক মাৰিলে লোকত দুৰ্যশস্যা ৰহিব। যুৱৰাজ মানুষো ভাল। যিৰূপে ৰত্নমাণিক্যক উপাসা কৰিছিলে, সেইৰূপে তোমাকো উপাসা কৰিব। পূৰ্ব্বৰতে যুৱৰাজ পদতে ৰহোক। তালৈ কিছো সংশয় নাকৰিবা। আৰু কোটোৱাল মুছিবকো প্ৰাণে মাৰিলে কি হব? তালৈ তোমাৰ ভনীকো দিছা। তাৰ বিষয় গুচাই থলে ভাল দেখি। তথাপি তোমাৰ মনেৰে যেইখান ভাল দেখা সেইখান কৰিবা।" পাচে মহেন্দ্ৰমাণিক্য ৰাজাএ বুলিলে, বোলে,—"কোটোৱাল মুছিবৰ পৰা অনেক অপৰিতোষ পোৱা হৈছে, তাক মৰা যাব। মিৰ্জ্জাৰ কথাত থাকি যুৱৰাজক ৰখা যাব।" পাচে মামুদছপিএ বুলিলে, বোলে,—"যিখান তোমাৰ মনেৰে ভাল দেখা তাকে কৰিবা।" পাচে ৰাজা বুলিলে, বোলে,—"তুমি গৈ যুৱৰাজক ১০টা সোৱাৰ ৰখীয়াৰূপে লগত দি ঘৰলৈ পঠাই দিবা, আৰু কোটোৱাল মুছিবকো লোৱাএ সহিতে আমাৰ ঠাইক দি পঠাইবা।"

পাচে মামুদছপিএ আহি কোটোৱাল মুছিবক সেইৰূপে ৰাজাৰ ঠাইলৈ দি পঠালে। যুৱৰাজকো ১০টা সোৱাৰ ৰখীয়াৰূপে লগত দি অনেকৰূপে ভাৰসা দি ঘৰলৈ পঠাই দিলে। পাচে ৰত্নমাণিক্যক মহেন্দ্ৰমাণিক্য আগে থকা ঘৰত থলত নি ৰখীয়া দি থৈছিলে। পাচে ৰত্নমাণিক্যে নিৰামিষে এক সন্ধ্যা ভোজন কৰি ইষ্টদেৱতাক সেৱা কৰি

Digitized by Panjab Digital Library | www.panjabdigilib.org

তাতে আছিল। পাচে পীতাম্বৰ হাজাৰিএ ৰাজাৰ হাতত ধৰি যি হাতেৰে নিলে ৰাত্রিএ তাৰ সেই হাত উসহি জ্বৰ ধৰি তিনি দিনৰ মূৰত মৰিল। পাচে মহেন্দ্ৰমাণিক্য ৰাজা হৈ ৪ দিন থাকি আপোনাৰ নামেৰে মোহৰ মাৰিলে। সেই দিনে কোটোৱাল মুছিবকো কাটিলে।

৩৪শ আধ্যা।

সহমৃতা ৰাজভইনী।

পাচে তাৰ ভাৰ্য্যা ৰত্নমাণিক্যৰ ভগিনীএ স্বামীক কাটিবৰ শুনি সহগামী যাবলৈ ওলাই মহেন্দ্ৰমাণিক্যৰ ঠাইক আহি বুলিলে, বোলে,—"মহাৰাজে আজ্ঞা কৰোক আমি স্বামীৰ সঙ্গে যাওঁ।" পাচে মহেন্দ্ৰ-মাণিক্যে বুলিলে, বোলে,—"তাৰ সঙ্গে কি নিমিতে যাব লাগে? তুমি ৰত্নমাণিক্যৰো ভগনী আমাৰো ভগনী।" পাচে ৰাজাৰ ভগিনীএ বুলিলে, বোলে,—"স্বামীৰ অভাএ আমি থাকিবাৰ যোগ্য নাহয়, আমাক বাধা নাকৰিব।" পাচে ৰাজাএ এশ ৰূপৰ আধলি, সিকি, দোৱানি, আনি, আদানি দিলে, আৰু কাপৰ এক যোৰ দি বিদায় দিলে, বোলে,—"ভাল, যদি তোমাৰ যাইতে ইছা হৈছে, তেবে যাও।" পাচে ৰাজাৰ ভগিনীএ বুলিলে, বোলে,—"ইজন্মলৈ ৰত্নমাণিক্য দাদাক দেখি যাব খোজোঁ, যদি মহাৰাজে আজ্ঞা কৰে।" পাচে মহেন্দ্ৰমাণিক্যে বুলিলে, বোলে,—"ভাল, দেখি যাও।" পাচে ৰাজাৰ ভগিনী ৰত্নমাণিক্যৰ ঠাইক গৈ চৰণত পৰি ক্ৰন্দন কৰি বুলিলে, বোলে,—"গোসাঁই মহাৰাজ, আমাৰ স্বামীক মহেন্দ্ৰমাণিক্যে কাটিলে, আমি সহগামী যাইতে আপোনাৰ ঠাইত বিদায় কৰিতে আসিছি।" পাচে ৰত্নমাণিক্যে বুলিলে, বোলে,—"মাতৃ, তুমি ৰামমাণিক্য ৰাজাৰ দুহিতৃ,

Digitized by Panjab Digital Library | www.panjabdigilib.org

আমাৰো ভগিনী, তোমাৰ এইৰূপ ধৰ্ম্মত যে মতিগোট হৈল আমাৰো আনন্দৰ বিষয়। তুমি যদি স্বামীৰ সঙ্গত যাইতে পাৰা তেবে স্বামীকুল, পিতৃকুল উদ্ধাৰ হব। ইহাকে জানি সকলৰো মায়া-মোহক ছাড়ি, ধৰ্ম্মক চিন্তি যাও। তোমাৰ পাচতে আমাকো মহামায়াএ চলাব।" এই বুলি ভনীএকক বিদাই দিলে। পাচে ৰত্নমাণিক্যৰ ভনীএকে স্বামীৰ শৱক পাৰেঙ্গনিত তুলি আপুনিও তাতে উঠি গোমতী নদীৰ তীৰলৈ গ'ল। পাচে ৰাজাএ চিতা কৰাই দিলে। ব্ৰাহ্মণকো পঠাই দিলে। পাচে ৰত্নমাণিক্যৰ ভনীএকে স্নান কৰি ৰাজা দিয়া আধলি, সিকি, দোৱাদি, একানি, আদানি, এইসকলকো বিলালে, আৰু আপোনাৰ গাত যি অলঙ্কাৰ আছিল তাকো বিলালে। পাচে ব্ৰাহ্মণে বিধিপূৰ্ব্বকে দাহ কৰালে। পাচে ৰাজাএ কোটোৱাল মুছিবৰ সকলো বস্তু-দ্ৰব্য কাকত কৰি ললে।

৩৫শ আধ্যা।

ভগা ৰজা ৰত্নমাণিক্য বধ।

পাচে সেই দিনে মহেন্দ্ৰমাণিক্য ৰাজাএ আমাৰ কটকীক তুলিবলৈ ঘোঁৰা দুইটাএৰে নিয়ালে। পাচে আমাৰ কটকীক দৌল-মণ্ডপতে বহালে। সেই দিনা বঙ্গালৰ চাকৰ ধৰা মানুহে সৈতে দেশৰ মানুহেৰে ১৮ হাজাৰ মান লোক হৈছিল। পাচে ৰাজা আহি সিংহাসনত বহিল। সেই সময়তে সোণাৰ দুৱাৰী ঘৰৰ মূধত আকস্মিতে অগ্নি লাগিল। পাচে ৰাজাএ অগ্নি নুমাবলৈ মানুহ পঠালে। পাচে নুমাব নোৱাৰিলে।

পাচে ৰাজাএ সিংহাসনৰ পৰা আহি বিষ্ণুৰ দৌলৰ আগত চৌচালি ঘৰত বহিলহি। সেই দিন মহেন্দ্ৰমাণিক্য ৰাজাএ পিন্ধিছিলে,—

Digitized by Panjab Digital Library | www.panjabdigilib.org

সোণাৱলী গুজৰাটী তাছৰ জামা, সোণাৱলী ছিৰা, ৰূপাৱলী গোছপেছ, সোণাৱলী পাটুকা, কিমখাপৰ ইজাৰ। শুক্ল শালকাপৰ এখানি কানত পেলাই লৈছিলে; পাগৰ ওপৰত পিন্ধিছিলে সোণৰ তোৰোলা দুটা, বাখৰাম হীৰা দিয়া কল্লা পাগৰ ওপৰত খুঁচি লৈছিলে, দুমেৰীয়া মুকুটাৰ মালা পাগৰ ওপৰত পিন্ধিছিলে; কৰ্ণত মুকুতা, ডিঙিত বাখৰাম হীৰা পতা কণ্ঠাভৰণ, আৰু দুমেৰীয়া মুকুতাৰ মালা দুগদুগীএ সৈতে নাভিত পৰে হেন কৰি লৈছিলে; বাহুত বাখৰাম বাজুবন্ধ, কমৰত সোণৰ মুঠিত বাখৰাম খঞ্জৰ ১ পাট, আৰু সোণৰ চকা দিয়া ঢাল ১ খন পিঠিত লৈছিলে। সোণৰ মুঠিএৰে তৰোৱাল ১ খন খাপৰ পৰা উলিয়াই হাতত লৈ সেই সময়ত সাৱধানে আছিল।

পাচে সেই জুএ গৈ ৰাজা থকা ঘৰত লাগিল। পাচে ৰাজাৰ ঘৰত জুই লাগিবৰ শুনি মামুদছপিএ ৩টা সোৱাৰ সহিতে তুৰুকী ঘোঁৰাত উঠি অতি শীঘ্ৰে সেই জুইৰ কাখৰেদি আহি ৰত্নমাণিক্য থকা ঘৰলৈ গৈ বুলিলে, বোলে—"মহাৰাজা, তুমি অভ্যন্তৰত থাকি কি কৰা? ৰাজাৰ ঘৰত জুই লাগিছে সেই জুএ তুমি থকা ঘৰকো পুৰিব। তুমি শীঘ্ৰে নিকলি আইস। তোমাৰ কাৰণেহে আমি আসিছি।" পাচে ৰত্নমাণিক্যে বুলিলে, বোলে,—"মিৰ্জ্জা, আমি সেই থানখান ছাড়ি আসিছি, সেই কাৰণেহে তাত জুই লাগিছে। আমি থকা ঘৰলৈ জুই নাহে, ইহাত তুমি কিছো সংশয় নাকৰিবা।" পাচে মামুদছপিএ বুলিলে, বোলে,—"অগ্নিত কোনে ভাৰসা কৰে? তুমি নিকলি আইস।" পাচে পালেকী এখনত তুলি বটৰ তললৈ নিলে। পাচে মামুদছপিএ ৰত্নমাণিক্যক বুলিলে, বোলে,—"তোমাৰ স্ত্ৰী-পৰিজনকো এই থানলৈকে অনোৱা হ'ক।" পাচে ৰত্নমাণিক্যে বুলিলে, বোলে,—"সিসকলক অনাব নালাগে, সেই ঘৰ নাপোৰে, ইহাৰ প্ৰমাণ পাইবা।" আৰু ৰত্নমাণিকে মামুদছপিক বুলিলে, বোলে,—"আমাৰ ৰাজ্যভোগ যিদিনলৈ আছিল তাক ভোগ কৰা গ'ল। এখন মঞ্চি সি পদক ইছা

Digitized by Panjab Digital Library | www.panjabdigilib.org

নকৰোঁ। গুটি দুই ব্ৰাহ্মণ দিব, ভাগৱত, তাৰত, পুৰাণ শুনি ইষ্টদেৱতা সেৱা কৰি থাকিম। মঞি আকেহে বাঞ্ছা কৰোঁ। যদি পাৰে মিৰ্জ্জাএ ধৰ্ম্মক চাই এইখনি কৰিব।" পাচে মামুদছপিএ বুলিলে, বোলে,—"ভাল, মঞি এইৰূপে ৰাজাত জনাম, মহাৰাজে কিছো সংশয় নাকৰিবা।"

পাচে ৰাজাৰ ঘৰ সকলো পুৰিল, আৰু ভণ্ডাৰসকল যি আছিলে তাকো পুৰিলে। সেই সময়ত প্ৰচণ্ড বতাস হৈছিলে। দ্ৰব্যজাত একো একৰাব নোৱাৰিলে। পাচে আমাৰ কটকীক বাসালৈ বিদায় দিলে। সেই দিন মিলা নহ'ল। পাচে ৰত্নমাণিক্যক যি ঘৰত থৈছিলে সেই ঘৰ নুপুৰিলে। পাচে মামুদছপিএ ৰত্নমাণিক্যক সেই ঘৰতে থৈ আপোনাৰ বাসাক আহিল। পাচে মহেন্দ্ৰমাণিক্যে সেই ৰাত্ৰি তাম্বুকানাতৰ ঘৰ কৰি ৰহিল। পাচে যুৱৰাজে ৰাজাৰ সকলো পুৰিবৰ শুনি খাব-শুবলৈ যি লাগে সকলো দি পঠালে। স্ত্ৰী-পৰিজনলৈকো যি লাগে তাকো দি পঠাই দিলে। আৰু চন্দ্ৰমণি ঠাকুৰেও ৰাজালৈ যি হয় দি পঠালে। পাচে মহেন্দ্ৰমাণিক্যে সকলো পুৰিবৰ দেখি অনেকৰূপে অসন্তোষ কৰি আছিল।

পাচে চন্দ্ৰমণি ঠাকুৰৰ ধাই গঙ্গানাৰাণী নামে এক স্ত্ৰী আছে। তাইকে বৰঠাকুৰ আছোঁতে সঙ্গতে ৰাখি প্ৰতিপ্ৰাল কৰিছিলে। ৰাজা হলতো সঙ্গলৈকে আনিলে। পাচে সেই ৰাত্ৰি তাই মহেন্দ্ৰমাণিক্য ৰাজাক বুলিলে, বোলে,—"মহাৰাজ, তুমি যি অসন্তোষ কৰিছা কৰিব পোৱা। দিনৰ দুই প্ৰহৰ বেলিত সোণাৰ দুৱাৰী ঘৰ বৰ উস্থত তাৰ মূধত তোমাৰ সাক্ষাতে অগ্নি লাগি তোমাৰ অনেক পুৰুষ ৰাজাসকলে সঞ্চিত বস্তু-দ্ৰব্য সি নষ্ট হৈল। এই জানি এই অগ্নি মনুষ্যৰ সাধ্য নহয়, অদ্ভুত হেনেহে দেখি। আৰু ৰত্নমাণিক্যক ভাঙ্গিবৰ পৰা দেশৰ লোকজনৰো ডাঙ্গৰ অসন্তোষ হেন শুনিছি। ৰত্নমাণিক্য থাকিলে অনৰ্থ হবলৈ আছে, এই জানি ৰত্নমাণিক্যক ৰাখিবলৈ ভাল নাহয়।"

Digitized by Panjab Digital Library | www.panjabdigilib.org

পাচে ৰাজাএ বুলিলে, বোলে—"ভালেসে কহিছ, মামুদছপিএ বা শুনি কোনখান বোলে?" পাচে গঙ্গানাৰাণী ধাইএ বুলিলে, বোলে,—"এখন তুমি ৰাজা হৈলা। আপোনাৰ বুদ্ধি থিৰ কৰি কাৰ্য্য কৰিতে লাগে। লোকে যদি তোমাৰ অহিত বাক্য বোলে, তাহাক কেনে কৰিবা?" আৰু বুলিলে, বোলে,—"চন্দ্ৰমণি ঠাকুৰক আনি বৰঠাকুৰ পাতা, মামুদছপিৰ কথাত থাকি যুবৰাজকো ক্ৰোধ এৰি প্ৰীতিবাক্য বুলি হিত কৰি লোৱা, আৰু পাত্ৰ-মন্ত্ৰী সকলোকো বশ কৰি লোৱা, মুৰাদ্বেগতো এই যুক্তি লোৱা।" পাচে মহেন্দ্ৰমাণিক্যে বুলিলে, বোলে,—"ভালেসে বুলিছ।"

পাচে পৰদিনে ৰাজাএ মুৰাদ্বেগক আনি এইৰূপে যুক্তি কৰিলে। পাচে মুৰাদ্বেগে বুলিলে, বোলে,—"মহাৰাজে ভালেহে যুক্তি কৰিছে। মামুদছপিতো এই কথা সোধালে ভাল।" পাচে ৰাজাএ মুৰাদ্বেগক বুলিলে, বোলে—"মোৰ সকলো কাৰ্য্য তোৰে পৰা হৈছে, তোত কৰি মোৰ স্নেহৰ মানুষ আন নাই। তঞি আপুনি গৈ মামুদছপিত এই কথা কবি।" এই বুলি বিদায় দিলে। পাচে মুৰাদ্বেগে গৈ মামুদ-ছপিত কলে। পাচে মামুদছপিএ এই কথা শুনি বুলিলে, বোলে,—"মঞি পূৰ্ব্ব অঙ্গীকাৰত থাকি তেঞোক ৰাজা পাতিলোঁ। এখন ৰত্নমাণিক্যক মাৰিবৰ কথা যি সুধি আহিছে মঞি ইহাৰ যুক্তি দিব নোৱাৰোঁ। মোৰ আগত ৰত্নমাণিক্যে কহিছে, বোলে,—'এখন মঞি ৰাজপদক ইছা নকৰোঁ। গুটি দুই ব্ৰাহ্মণ দিব, ভাগৱত পুৰাণ শুনি থাকিম।' এখন তাহাক মাৰিলে ৰাজবদ্ধো হব, লোকতো দুৰ্য্যশস্যা ৰহিব। মঞি কিৰূপে মাৰিবলৈ বুলিম? আৰু আনখনি যি সুধি আহিছে তাক কৰিলেসে ভাল।" এই বুলি মুৰাদ্বেগক পঠাই দিলে। পাচে মুৰাদ্বেগে আহি মহেন্দ্ৰমাণিক্যত এইৰূপে কলে। পাচে ৰাজা শুনি মুৰাদ্বেগক বুলিলে, বোলে,—"এখন কোনখান কৰা যাব? ৰত্নমাণিক্যক মাৰিবলৈ মামুদছপিয়ো নোবোলে, নামাৰিলেয়ো ভাল

Digitized by Panjab Digital Library | www.panjabdigilib.org

নহয়। পূৰ্ব্বে গোবিন্দমাণিক্যক ভাঙ্গি ছত্ৰমাণিক্য ৰাজা হ'ল। গোবিন্দমাণিক্য ভাগি আছিল। পাচে গোবিন্দমাণিক্যে ছত্ৰ-মাণিক্যক মাৰি ৰাজা হ'ল। এখনো ৰত্নমাণিক্য থাকিলে আমাৰো তেনে হবলৈ আছে।" পাচে মুৰাদ্বেগে বুলিলে, বোলে,—"মহাৰাজা ভালেসে মন কৰিছেন। ৰত্নমাণিক্যত দেশৰ সকল লোকজনৰ বৰ অনুৰাগ আছে। মামুদছপি ঢাকালৈ গলে এই তোমাৰ দেশৰ লোক-জনে ৰত্নমাণিক্যক ৰাজা পাতি তোমাক মাৰিব। এই জানি ৰত্ন-মাণিক্যক মাৰিলেহে ভাল হব।" পাচে ৰাজা ইয়াকে নিশ্চয় কৰি ৰহিল, মুৰাদ্বেগো বহালৈ আহিল।

পাচে ৰাজা পৰদিনে যুৱৰাজক অনালে, আৰু দেশৰ বৰা-বৰুক, ভাল মানুহ সকলো দৰ্ব্বাৰলৈ আহিল। ৰাজা ওলাই বিষ্ণুমণ্ডপৰ আগৰ চৌচালি ঘৰত বিছনা কৰি ৰহিল। পাচে যুৱৰাজে আহি ৰাজাক সেৱা কৰিলে। পাচে ৰাজা যুৱৰাজক বুলিলে, বোলে,—"ৰত্নমাণিক্যৰো বৰভাই আমৰো বৰভাই। আগে যিৰূপে ৰত্নমাণিক্যৰ হিতক চিন্তি আছিলা এখনো আমাৰ হিতক চিন্তি সেইৰূপে সেই বিষয়তে থাকিবা।" পাচে যুৱৰাজে বুলিলে, বোলে,—"আমি মহাৰাজাৰ আজ্ঞাকাৰী, যেইখান আজ্ঞা কৰে সেইখান কৰিম।" আৰু আনো বৰা-বৰুক সকলকো ৰাজা বুলিলে, বোলে,—"ঈশ্বৰে যাক যিৰূপে ভোগ্য দিয়ে সেইসে হয়। তোমোৰাও পূৰ্ব্বে যিৰূপে আছিলা এখনো আমাৰ হিতক চিন্তি সেইৰূপে থাকিবা।" পাচে বৰা-বৰুকে বুলিলে বোলে,—"ভাল, মহাৰাজা যেইখান আজ্ঞা কৰে সেইখান কৰিম।" পাচে ৰাজা সেই সময়তে চন্দ্ৰমণি ঠাকুৰক বৰঠাকুৰ পাতিলে, যুৱৰাজৰ লগৰ ৰখীয়া গুচালে। পাচে ৰাজাও উঠিল, সকলো ঘৰাঘৰি আহিল। পাচে ৰাজা ভিতৰলৈ গৈ মামুদছপিলৈ কৈ পঠালে, বোলে,—"ৰত্নমাণিক্যক নামাৰিলে কথা ভাল নাহই, মিৰ্জ্জাএ কিছো নাবুলিব।" পাচে মামুদ-ছপিএ বুলিলে, বোলে,—"যিখান কৰ লগা মঞি আগে কৈছোঁ।

Digitized by Panjab Digital Library | www.panjabdigilib.org

ধৰ্ম্মাধৰ্ম্মক আপুনি জানে। আমাত সুধিলে কি হব?" পাচে সেই দিন ৰাত্রি এক প্রহৰ মান আছোঁতে ৰাজাএ ৰত্নমাণিক্যক মাৰিবলৈ বঙ্গালৰ চাকৰ ধৰা ৰাজপুত কীৰ্ত্তিসিংহ হাজাৰিক চাৰিটা বকছৰীয়াক লগত দি পাঁচিলে, বোলে,—"তঞি ৰত্নমাণিক্যক মাৰগৈ। তোক মঞি আগত কৰি মৰ্য্যাদা দি লগতে সকলো দিনে ৰাখিম।" পাচে কীৰ্ত্তিসিংহে বোলে,—"মঞি মহাৰাজাৰ লোণ খাইছোঁ, যিখান আজ্ঞা কৰে সেইখান কেনে নাকৰিম?" এইবুলি ৪ বকছৰীয়া লগত লৈ ৰত্নমাণিক্যৰ ঠাইলৈ গ'ল। ৰত্নমাণিক্য নিদ্রা কৰি আছিল। ৰখীয়া মানুহত কৰি কীৰ্ত্তিসিংহে জনালে। পাচে ৰখীয়া মানুহে গৈ ৰত্নমাণিক্যক জগালে, বোলে,—"মহাৰাজা উঠ, ৰাজাৰ ঠাইৰ মানুহ আসিছে।" পাচে ৰত্নমাণিক্যে নিদ্রাৰ পৰা উঠি ভাৰ্য্যাসকলত কহিলে, বোলে,—"তোমা কি চাইছ, আমাৰ মৃত্যুকাল উপস্থিত হৈল।" পাচে ৰত্নমাণিক্যৰ ভাৰ্য্যাসকলে উৰ্ম্মি কৰি কান্দিব ধৰিলে। পাচে ৰত্নমাণিক্যে ভাৰ্য্যাসকলক বুলিলে, বোলে,—"তোমা কিয় ব্যাকুল হৱ? এখন সাৱধান হৈ পৰলোকৰ উপায়ক চিন্তিব লাগে।"

পাচে কীৰ্ত্তিসিংহ হাজাৰিএ ৰত্নমাণিক্যৰ ওচৰলৈ গৈ বুলিলে, বোলে,—"মহাৰাজ, তুমি সাৱধান হোৱা, তোমাক মাৰিবলৈ আমাক ৰাজাএ পঠাই দিছে।" পাচে ৰত্নমাণিক্যে বুলিলে, বোলে,—"আমাক ভাঙ্গি ভাই ঘনশ্যাম ৰাজা হ'ল। এখন আমাক এক সেৰ চাউল দিব, তাকে খাই ধৰ্ম্মচৰ্চ্চা কৰি ইষ্টদেৱতা সেৱা কৰি থাকিম। আমাক নিৰপৰাধত মাৰি ৰাজবদ্ধ কৰিলে কি হব? আৰু তঞি ৰজপুত, হিন্দুধৰ্ম্মকো জান। আমাক যদি অন্যায় কৰি মাৰ তোক ধৰ্ম্মে নষ্ট কৰিব।" পাচে কীৰ্ত্তিসিংহ হাজাৰিএ মনত সংশয় কৰি ৰত্নমাণিক্যক নামাৰি মহেন্দ্ৰমাণিক্যত কলেগৈ, বোলে,—"মহাৰাজ, মঞি ৰত্নমাণিক্যক মাৰিব নোৱাৰোঁ। যদি মোক চাকৰ ৰাখিবলৈ

Digitized by Panjab Digital Library | www.panjabdigilib.org

ভাল দেখা ৰাখা, যদি ভাল নেদেখা বিদায় দিয়া, তেও মঞি ৰত্নমাণিক্যক মাৰিব নোৱাৰোঁ।

পাচে মহেন্দ্ৰমাণিক্যে কীৰ্ত্তিসিংহ হাজাৰিক বহালৈ বিদায় দি আগৰ পৰা লগত থকা বিশ্বাসী ৪টা মানুহ ৰত্নমাণিক্যক মাৰিবলৈ পঠাই দিলে। পাচে সেই মানুহে গৈ ৰত্নমাণিক্যক বুলিলে, বোলে,—"মহাৰাজ, তোমাক মাৰিবলৈ আমাক ৰাজাএ পাঁচিছে, তুমি সাৱধান হোৱা।" পাচে ৰত্নমাণিক্যে বুলিলে, বোলে,—"কীৰ্ত্তিসিংহে অন্যায় দেখি মোক নামাৰি গ'ল, তেও যে তহঁতে মোক মাৰিবলৈ আহিছ, ভাল, মঞি সাৱধান হোঁ।" এই বুলি স্নান কৰি বস্ত্ৰ পৰিধান কৰিলে। পাচে ৰত্নমাণিক্যে স্ত্ৰীসকলক বুলিলে, বোলে,—"তোমা ব্যাকুল নহবা, পৰলোকৰ উপায়ক চিন্তি সাৱধান হৈ থাকা।" এই বুলি ইষ্ট-দেৱতাৰ মন্ত্ৰ জপিছিলে। পাচে সেই চাৰি মানুহে ৰত্নমাণিক্যক ধৰি চেপি মাৰিলে।

৩৬শ আধ্যা।

ৰত্নমাণিক্যৰ শৱসংকাৰ।

পাচে ৰত্নমাণিক্যৰ স্ত্ৰীসকলে স্বামীৰ শৱক আগত লৈ নাম গাই আছিল। পাচে সেই চাৰি মানুহে গৈ মহেন্দ্ৰমাণিক্যত কলে, বোলে,—"মহাৰাজ, ৰত্নমাণিক্যক মৰা গ'ল।" পাচে বিহানে ৰাজা, যুৱৰাজ, চন্দ্ৰমণি বৰঠাকুৰ, আনো বৰা-বৰুক সকলকো মতাই অনালে, আৰু ব্ৰাহ্মণকো মতাই অনালে। পাচে ৰাজা সকলকো বুলিলে, বোলে,—"ৰত্নমাণিক্যৰ মৃত্যু হ'ল, দাহ কৰিবৰ নিমিত্তে চিতা যত্ন কৰিব লাগে।" পাচে গোমতী নদীৰ তীৰত মুক্তিঘাটত চিতা কৰিলে।

Digitized by Panjab Digital Library | www.panjabdigilib.org

পাচে ৰাজাএ ৰত্নমাণিক্যৰ শৱক আনিবলৈ যুৱৰাজ, চন্দ্ৰমণি বৰঠাকুৰ এই দুইকো পাঁচিলে, আনো বৰা-বৰুককো পাঁচিলে, ব্ৰাহ্মণ পণ্ডিতকো পাঁচিলে। পাচে এইসকলে গৈ ৰত্নমাণিক্যৰ শৱক দেখি অনেকৰূপে কান্দিলে। যুৱৰাজে ৰত্নমাণিক্যৰ শৱক সাৱটি ধৰি অনেকৰূপে কান্দিলে। চন্দ্ৰমণি ঠাকুৰেও চৰণত পৰি অনেক কান্দিলে, বোলে,—"আজিসে আমাৰ পিতৃ মৃত্যু হ'ল বুলি জানিলোঁ।" এইৰূপে দুয়োজনে অনেক বিলাপ কৰিলে।

পাচে ৰত্নমাণিক্যৰ ভাৰ্য্যাএ বুলিলে, বোলে,—"এখন তোম্ৰা ব্যাকুল হলে কি হব? তেম্ৰাৰ দৈৱত যেখান আছিল সেখান হৈল। এখনে আমাৰ সগদতি যিৰূপে হৈব তাহাক চিন্তা।" পাচে সকলে স্বস্ত হুই ৰত্নমাণিক্যৰ শৱক খাটত তুলি ললে। সেই খাটতে ৰাজাৰ মুখ্য ভাৰ্য্যা বসি চামৰেৰে ঢুলি গৈছিলে। আনো ভাৰ্য্যাসকলক ৰাজাৰ দুয়ো ফালে ভিনে পাৰেঙ্গনিত তুলি নিছিলে। সেই ৰাজাৰ ভাৰ্য্যা-সকলেও পাৰেঙ্গনিতে উঠি নাম গাই গৈছিলে। আৰু আধলি, সিকি, দোৱানি, আনি, আদানি, আকো বিলাই গৈছিলে। আৰু আখৈ, ফুল আকো সিঞ্চি গৈছিলে। আগত ব্ৰাহ্মণে শংখ ঘণ্টা বাদ্য কৰি গৈছিলে। বজনীয়াসকলেও বাদ্যসকল বজাই গৈছিলে। হাতী ঘোঁৰাও গৈছিলে। যুৱৰাজ প্ৰমুখ্যে সকলো বৰা-বৰুক ৰত্নমাণিক্যৰ শৱৰ সঙ্গত ভূমিপাৰে ক্ৰন্দন কৰি গৈছিলে। ৰত্নমাণিক্যক মাৰিবৰ শুনি নগৰৰ স্ত্ৰী-পুৰুষ সকলো অস্তব্যস্ত কৰি অৰ্ত্তৰাৰে ক্ৰন্দন কৰি ৰত্নমাণিক্যৰ শৱৰ লগতে দাহ কৰা ঠাইলৈকে গ'ল। ৰত্নমাণিক্যৰ শৱৰ সঙ্গত যোৱা যুৱৰাজ প্ৰমুখ্যে বৰা-বৰুক সকলো নগৰীয়া লোকজনো সকলেও অৰ্ত্তৰাৰে ক্ৰন্দন কৰি গৈছিলে। ঘৰত থকা লোকসকলেও ক্ৰন্দন কৰিছিলে। মহীন্দ্ৰমাণিক্য ৰাজাও ৰত্নমাণিক্যৰ শৱক দাহ কৰিবলৈ নিলত ক্ৰন্দন কৰি ভিতৰলৈ উঠি গ'ল। সেই দিন নগৰত ক্ৰন্দনৰ উৰ্ম্মিএ বৰ কোলাহাল শব্দ হ'ল।

Digitized by Panjab Digital Library | www.panjabdigilib.org

পাচে চন্দ্ৰমণি ঠাকুৰৰ মাক ৰত্নমাণিক্যৰ সপত্নী মাতৃএ ৰত্নমাণিক্যক দাহ কৰিবলৈ নিলত ক্ৰন্দন কৰি গ'ল, বোলে,—"ইজন্মলৈ ৰত্নমাণিক্য পুত্ৰৰ মুখ দেখি আহোঁগৈ।" পাচে ৰত্নমাণিক্যৰ চিতাৰ ওচৰ পালেগৈ। পাচে ৰত্নমাণিক্যৰ শৱক সাবটি ধৰি বুলিলে, বোলে,—"ৰাজা ৰামমাণিক্য স্বামীএ যিৰূপে প্ৰতিপাল কৰিছিলে, তুমিও সেইৰূপে প্ৰতিপাল কৰিছিলা। চন্দ্ৰমণি পুত্ৰে যিৰূপে সেৱা কৰিছিলে সেইৰূপে তুমিও সেৱা কৰিছিলা।" এই বুলি বিলাপ কৰি ক্ৰন্দন ক ৰলে। পাচে ৰত্নমাণিক্যৰ ভাৰ্য্যাসকলে শাহুএকক সেৱা কৰিলে। পাচে শাহুএকেও বোৱাৰীএকবোৰক সাবটি ধৰি ক্ৰন্দন কৰি বুলিলে, বোলে,—"তোমা ভাগ্যৱতী, স্বামীৰ সঙ্গে যাও।" পাচে যুৱৰাজে চন্দ্ৰমণি ঠাকুৰে মাকক প্ৰবোধ কৰি গৃহলৈ পঠাই দিলে।

পাচে মহেন্দ্ৰমাণিক্য ৰাজাএ এক হাজাৰ ৰূপৰ আধলি, সিকি, দোৱানি, আনি, আদানি দি পঠালে। পাচে ৰত্নমাণিক্যৰ শৱক স্নান কৰালে, ৰাজাৰ ভাৰ্য্যাসকলেও স্নান কৰিলে। পাচে ৰাজা দিয়া ৰূপকো গাৰ অলঙ্কাৰকো ব্ৰাহ্মণসকলক বিলালে। পাচে ব্ৰাহ্মণসকলে বিধিপূৰ্ব্বকে দাহ কৰালে। চন্দ্ৰমণি বৰঠাকুৰে ক্ৰিয়া ললে। পাচে যুৱৰাজে চন্দ্ৰমণি বৰঠাকুৰে অস্থি লৈ গৃহলৈ ক্ৰন্দন কৰি আহিল। আৰু বৰা-বৰুক, নগৰৰো লোকজন সকলো আৰ্ত্তৰাৱে ক্ৰন্দন কৰি ঘৰাঘৰি গ'ল। পাচে ৰাজাএ ৰত্নমাণিক্যৰ দাহ কৰা ঠাইত ইটাৰ দৌল বন্ধালে। পূৰ্ব্বৰো ৰাজাসকলক সেই মুক্তিঘাটতে দাহ কৰে, তাতে সিসকলৰো ইটাৰ দৌল আছে। পাচে চন্দ্ৰমণি ঠাকুৰে ১০ দিনলৈ পিণ্ড দিলে।

Digitized by Panjab Digital Library | www.panjabdigilib.org

৩৭শ আধ্যা।

মহেন্দ্ৰমাণিক্যৰ ভাতৃহত্যাৰ প্ৰায়শ্চিত্ত।

পাচে ৰাজা ঘৰপোৰাৰ সোণ, ৰূপ, আনো দ্ৰব্য যি হয় বিচাৰ কৰি ললে। বিচাৰ কৰি পালে সোণে ৰূপে দুএ মুলি ২৫ লাখ ৰূপৰ বাব পালে। পাচে ৰাজা মামুদছপিক দিলে ৰূপ ১০ হাজাৰ, হাতী ২টা। তাৰ পুতেকক দিলে ৰূপ ১ হাজাৰ, হাতী ১টা। মীৰমুৰাদলৈ দিলে ৰূপ ৫ হাজাৰ। এইৰূপে দি মামুদছপিক বিদায় দিলে। যুৱৰাজেও মামুদছপিক দিলে ৰূপ ১০ হাজাৰ। পাচে ৰাজাএ চাকৰ ধৰি অনা বঙ্গালৰ মানুহ কিছোমান লগত ৰাখি আনক মাহিনা ৰূপ দি বিদায় দিলে।

পাচে এক মাস হ'লত ৰাজাএ বৃষোৎসৰ্গ কৰাই ৰত্নমাণিক্যৰ কৰ্ম্ম কৰালে, দান-দখিণাও বিস্তৰ দিলে। পাচে ৰাজবংশী হৰিধন ঠাকুৰৰ পুতেকক পঠাই ১ হাজাৰ ৰূপ দি গঙ্গাত অস্থি লগালে। এক বছৰৰ অন্তৰত ১ হাজাৰ ৰূপ দি গয়াত পিণ্ড দিয়ালে। পাচে মহেন্দ্ৰমাণিক্যে ৰত্নমাণিক্যক বন্ধ কৰি ডম্বৰু তীৰ্থত স্নান কৰিলে, ব্ৰাহ্মণকো অনেকৰূপে দান-দখিণা কৰিলে, জগন্নাথলৈকো এক হাজাৰ ৰূপ দি ভোগ লগালে।

Digitized by Panjab Digital Library | www.panjabdigilib.org

৩৮শ আধ্যা।

ৰংপুৰত মহেন্দ্ৰমাণিক্যৰ কটকী।

পাচে শাওণৰ ১০ দিন যাওঁতে পূৰ্ব্বৰতে দৰ্ব্বাৰ কৰি আমাৰ কটকীক তুলিলে। আগৰ ধাৰাণে সম্ভাষা কৰি ফুল-চন্দন দি বাসালৈ বিদায় দিলে। ৰোজবাজকো পূৰ্ব্বৰতে দিছিলে। পাচে মাঘৰ ৭ দিন যাওঁতে পূৰ্ব্বৰতে দৰ্ব্বাৰ কৰি আমাৰ কটকীক বিদায় দিলে। আমাৰ দুই কটকীক দিলে,—আতলঞ্চৰ জামা, সোণাৱলী ছিৰা, ৰূপৰ জালৰ দিয়া পটুকা। দুই কটকীকে পাইককে দিলে ৰূপ ১০০ টকা।

এইৰূপে দি পাচে আমাৰ কটকীৰ লগত পত্ৰ-সন্দেশ সহিতে অৰিভীমনাৰাণ উকীলক পঠাই দিলে। পাচে অৰিভীমনাৰাণ উকিলে সহিতে আমাৰ কটকী আহি ১৬৩৫ শকৰ ভাদ্ৰৰ ১৩ দিন যাওঁতে ৰঙ্গপুৰ নগৰ পালেহি। পাচে মহা৺ আজ্ঞাএ বৰবৰুৱাএ দিখৌৰ সিপাৰে জানখনাত বহা কৰাই দিলে। তাতে সেই উকিল থাকিল। ৰোজবাজো পূৰ্ব্বৰ ধাৰণে দিছিলে।

পাচে কাৰ্ত্তিকৰ ১২ দিন যাওঁতে সপ্তমী তিথিত পাচবেলা সেই উকীলক পূৰ্ব্বৰতে বৰবৰুৱাএ তুলিবলৈ অনালে। উকিলেও পূৰ্ব্বৰ ধাৰণে আসি বৰবৰুৱাৰ চ'ৰাত বহিল। পাচে বৰবৰুৱাএ সুধিলে, বোলে,—"অৰিভীমনাৰাণ, তঞি যেখন আহ তেখন ৰাজা মহেন্দ্ৰমাণিক্য কুশলে আছে?" উকীলে বুলিলে, বোলে,—"স্বৰ্গদেৱ, আমি আসিবাৰ কালে কুশলে আছে।" পাচে বৰবৰুৱা বুলিলে, বোলে,—"ৰাজা যে কুশলে থাকিব আমাৰো এহিসে ইছা।" পাচে পত্ৰ দিলে, মজুন্দাৰে সেই পত্ৰ লৈ মাতিলে।

পত্ৰৰ লেখা,—

স্বস্তি বিবিধ-গুণচয়-সমুদ্যোতিত-কলেবৰ-নানাদানপ্ৰমোদীকৃতমাৰ্গা-গণন--প্ৰতাপ--তপন--বিগলিত--ৰিপু--নিকৰান্ধকাৰ-শ্ৰীযুত-সুৰতসিংহ-

Digitized by Panjab Digital Library | www.panjabdigilib.org

বৰুৱা-বিমলশীলেষু। প্ৰেমসম্পাদকো লেখঃ, বৃত্তান্ত এষঃ, শ্ৰীৰত্ন-কন্দলী শ্ৰীঅৰ্জ্জুনবৈৰাগি-প্ৰমুখাৎ ত্বদীয়াং সৰ্ব্বাং বৃত্তিং বিজ্ঞায় পৰমানন্দযুতোঽহম্। শ্ৰীযুতোৰিভীমনাৰায়ণপ্ৰণিধিৰপি সৰ্ব্বমা-বেদয়িষ্যতীতি। পত্ৰসন্দেশাৰ্থমীষদ্বস্তু প্ৰহীয়তে, তদ্গ্ৰাহ্যম্। কিম্বহুনা, বাচনিকং তাবেব কথয়িষ্যতঃ। বেদৰামৰ্ত্তু-শীতাংশুগণিতে শকবৎসৰে। মাৰ্গশুক্লদ্বিতীয়ায়াং পত্ৰী চৈষা প্ৰহীয়তে॥

পাচে বৰবৰুৱাএ বুলিলে, বোলে,—"অৰিভীমনাৰাণ, ৰাজা মহেন্দ্ৰমাণিক্যে পত্ৰ যিখান লেখি আহিছে তাক শুনা গ'ল, বচনে কোনখান কৈ আহিছে?" উকীলে বুলিলে, বোলে,—"স্বৰ্গদেৱ, পত্ৰত যেই বচনেও সেইসে।" পাচে পূৰ্ব্বধাৰণে ফুল-চন্দন, পাণ-গুৱা দিলে। পাচে বৰবৰুৱাএ বুলিলে, বোলে,—"অৰিভীমনাৰাণ, এখন বাসাত জিৰাই থাকগৈ, যদি তোৰ ভাগ্য আছে কিবা স্বৰ্গমহাৰাজাৰো দৰ্শণ পা।" পাচে উকীল পূৰ্ব্বৱতে বহালৈ আহিল। পাচে বৰুৱাএ মাহিলা ৰোজত কৰি দুণা কৰি ৰোজ দিলে। পাচে পুষৰ ২৪ দিন যাওঁতে পূৰ্ব্বৱতে সভা কৰি মহাৰাজা উকিলক তুলিবলৈ অনালে। পাচে দুৱাৰমুখৰ পৰা ৰত্নকন্দলীক অনাই মহাৰাজা সুধিলে, বোলে,—"উকীলৰ কি নাম, কুল কি? ৰাজাৰ কি নাম?" পাচে ৰত্নকন্দলীএ কলে, বোলে,—"উকীলৰ নাম অৰিভীমনাৰাণ, জাতিত ত্ৰিপুৰা। ৰাজা ৰত্নমাণিক্যৰ কনিষ্ঠ ভাই, মহেন্দ্ৰমাণিক্য নাম।"

পাচে উকীলক পূৰ্ব্বৰ ধাৰণে আনি বৰচ'ৰাৰ টুপত বহালে, সন্দেশ আনি শৰাইত থলে। পাচে বৰবৰুৱাএ ভেঁটালে, বোলে,—"স্বৰ্গদেৱ, ৰত্নমাণিক্যৰ অভাৱে মহেন্দ্ৰমাণিক্য ৰাজাএ স্বৰ্গদেৱৰ প্ৰীতিক বাঞ্ছা কৰি পত্ৰ-সন্দেশ সমেত অৰিভীমনাৰাণক পঠাইছে। উকিলেও স্বৰ্গদেৱৰ চৰণত সেৱা কৰে।" পাচে উকীলে সেৱা কৰিলে। পাচে ৰত্নকন্দলীএ নি মজুন্দাৰৰ হাতত পত্ৰ দিলে। মজুন্দাৰে পত্ৰ পঢ়িলে। পাচে বৰপাতৰ গোহাঞে সুধিলে, বোলে,—"অৰিভীমনাৰাণ, স্বৰ্গ-

Digitized by Panjab Digital Library | www.panjabdigilib.org

মহাৰাজা সুধিছে, বোলে,—'তঞি যেখন আহ তেখন মহীন্দ্ৰমাণিক্য ৰাজা কুশলে আছে' ?" উকীলে বুলিলে, বোলে,—"স্বৰ্গদেৱ, আসিবাৰ কালে কুশলে আছে।" পাচে বৰপাতৰে বুলিলে, বোলে,—"অৰি-ভীমনাৰাণ, স্বৰ্গমহাৰাজা বুলিছে, বোলে,—"ৰাজা ৰাজ্যে সমন্বিতে কুশলে থাকিব এইগোট বিশেষ'।"

পত্ৰৰ লেখা,—

স্বস্তি প্ৰবল-বলাহকনিকায়-প্ৰতিকাশ-গণ্ডস্থলাবিৰল-বিগলন্মেৰেয়-ধাৰা-পূৰিতাখণ্ড-ভূমণ্ডল-দন্তাৱল-পটল-সমুদয়-প্ৰলয়প্ৰভঞ্জন-প্ৰতিম-জবাখৰ্ব্ব-গন্ধৰ্ব্বগণ-খুৰক্ষুন্নক্ষৌণীতলোচ্চালিত-ধূলিপটল-মহোন্নতিপটিম-সমুচ্ছ্ৰিত-মাৰ্ত্তণ্ডমণ্ডল-তিৰস্কাৰ-গৰিম সমুচ্ছ্ৰায়িত-বিবিধ-বৈজয়ন্তীচয়-চাৰুচেলাবলীচিত্ৰিত-বিহায়ঃস্থল-পদাতি-সংঘাত-সমুদ্ভ্ৰামিত-চামীকৰ-শতচন্দ্ৰচৰ্ম্মনিচয়-চমৎকাৰ-সম্ভাবিত ত্ৰিলোকীতল সম্বৰ্ত্ত-সময়ভ্ৰমভৰ-নিজধ্বজিনীনায়কগণ-সমৰবিজয়-সমুদ্যম-সমীহ-গোপুৰ-নিঃসৰণ-বৃত্তান্তাকলন-ভয়-বিকলতোজ্জিতালয়-পাৰাবাৰ-শত-বিপ্ৰতীপ-ভূপালকুল-বামলোচনা-লোচনাৱলী-বিগলিতাশ্ৰুধাৰা-সমুৎপাদিতাপাৰ-পাৰাবাৰ, পৰিস্ফুৰ্জৎপ্ৰতাপৌৰ্ব্ব-বৈশ্বানৰজ্বালা-জালাবলীঢ়-ত্ৰিভুবন-বিবৰ-বিসৰেষু। কণক-কৰি-তুৰঙ্গমাদ্যনেকবিধ-বিবিধ-বিধিবোধিত-বিতৰণ-কৃতাৰ্থী-কৃতাৰ্থীসাৰ্থ-গীয়মান-যশঃপ্ৰকাশী-কৃতাশামণ্ডলেষু শ্ৰীশ্ৰীমৎ-স্বৰ্গদেৱ-ৰুদ্ৰসিংহমহাৰাজ-পৰম-পবিত্ৰ-চৰিত্ৰেষু। শ্ৰীশ্ৰীযুত-মহেন্দ্ৰমাণিক্যদেৱস্য সবিনয়-নতিততি-সম্পাদয়িত্ৰী পত্ৰী বিজৃম্ভতে। শ্ৰীমদ্ভবদনুদিনোপচীয়মান-ভব্যমব্যাহত-মভীপ্সুঃ সময়োচিত-নিজভাবুক-ভাবিতোঽহম্। আবয়োঃ শ্ৰীপৰমেশ্বৰেণ কিং ন দত্তম্, তথাপি পত্ৰসন্দেশাৰ্থমীষদ্বস্তু প্ৰেষ্যতে। শ্ৰীমদ্ভবৎ-প্ৰণিধিদ্বাৰা ত্বদীয়মঙ্গলপ্ৰকাশাৎ সুহৃদভিনন্দকৈঃ ভবাদৃশৈৰ্ব্বয়মা-নন্দপাত্ৰী কৰিষ্যামহে। অলমতিবিস্তৰেণ গিৰাম্। শ্ৰীযুত-ৰত্নকন্দলী শ্ৰীযুতাৰ্জ্জুনবৈৰাগি-প্ৰমুখাৎ সৰ্ব্বং বিজ্ঞাতব্যমিতি। বেদাগ্নি-

Digitized by Panjab Digital Library | www.panjabdigilib.org

ৰস-শুভ্ৰাংশু-গণিতে শকহায়নে। মাৰ্গশুক্লদ্বিতীয়ায়াং পত্ৰী চৈৰা প্ৰহীয়তে। যুধিষ্ঠিৰস্য সম্ৰাজো বিৰাট-দ্ৰুপদাবপি। দূৰস্থৌ সময়ে তৌচ সৌহাৰ্দাৰ্দ্ধিতকাৰিণৌ॥ অপৰঞ্চ—কৈলাসেশ্বৰ-কুন্দ-কম্বু-কৰকা-কৰ্পূৰ-হাৰস্মিতা॥ জোৎস্নাধাৰণ-ৰাজহংস-কুমুদ-ক্ষীৰোদনীৰদ্যুতিঃ॥ কীৰ্ত্তিস্তে সুৰসুন্দৰীমুখবিধু-জোৎস্নাবলীবাভিতো। মুদ্ৰামাতনুতে সুৰেন্দ্ৰ-নয়ন-স্তোমাম্বুজানামিয়ম্॥

পাচে বৰপাতৰে বুলিলে, বোলে,—"অৰিভীমনাৰাণ, স্বৰ্গমহাৰাজা বুলিছে, বোলে,—"মহেন্দ্ৰমাণিক্য ৰাজা পত্ৰত যিখান লেখি আহিছে তাক শুনা হ'ল, বচনে কোনখান বুলি আহিছে'?" পাচে উকিলে বুলিলে, বোলে,—"স্বৰ্গদেৱ, পত্ৰত যেই বচনে সেইসে।" পাচে বৰপাত্ৰ-গোহাঞিএ বুলিলে, বোলে,—"অৰিভীমনাৰাণ, স্বৰ্গমহাৰাজা বুলিছে, বোলে—'আজি তঞি বাসাত জিৰাই থাকগৈ। মহেন্দ্ৰমাণিক্যে পত্ৰত যিখান লিখি আসিছে তাৰ সিদ্ধান্ত তোৰ বিদায়ৰ কালে পাবি'।" পাচে উকীল পূৰ্ব্বৱতে বাসালৈ আহিল।

পাচে ১৬৩৫ শকৰ চৈত্ৰৰ ২১ দিন যাওঁতে উকিলক পূৰ্ব্বৱতে আনি বিদাই দিলে। বৰপাত্ৰ-গোহাঞিএ বুলিলে, বোলে,—"অৰিভীমনাৰাণ, স্বৰ্গমহাৰাজা বুলিছে, বোলে,—'তাক আজি মঞি বিদাই দিলোঁ। ৰাজা পত্ৰত যিখান লিখি আসিছে তাহাৰ সিদ্ধান্ত পত্ৰতে পাব।' বচনেও এইখান কব দিছে, বোলে,—'তাঞিৰ আমাৰ যি প্ৰীতিগোট হৈইছে ই সৰ্ব্বলোকত প্ৰকাশ হৈইছে। সেই প্ৰীতিগোট যেমনে হ্ৰাস নহয় তাক কৰিব।' আৰু মহাৰাজা বুলিছে, বোলে,—'যুধিষ্ঠিৰাদি নৃপতিসকলৰ সাহৰ্য্য দিয়া ৰাজা যি পত্ৰত লিখিছে, সেই প্ৰীতি বচনক ৰক্ষা কৰি কাৰ্য্য সময়ত আমাৰ অনুকূল পক্ষত ৰহিব'।" পুনৰ্ব্বাৰ বুলিলে, বোলে,—"অৰিভীমনাৰাণ, তঞি আজি বহাত জিৰাই থাকগৈ, আন দিন আপোন দেশে যাবি।" পাচে উকীল পূৰ্ব্বৱতে বাসালৈ গ'ল।

Digitized by Panjab Digital Library | www.panjabdigilib.org

৩৯শ আধ্যা।

মহেন্দ্ৰমাণিক্যলৈ স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ উকীল-পত্ৰ।

পাচে চৈত্ৰৰ ২৭ দিন যাওঁতে বৰবৰুৱাএ উকীলক বিদাই দিলে, বোলে,—"অৰিভীমনাৰাণ, তোক স্বৰ্গমহাৰাজা বিদায় দিলে। আজি তোক মঞো বিদায় দিলোঁ। স্বৰ্গমহাৰাজা সহিত মহেন্দ্ৰমাণিক্যৰ যি প্ৰীতিগোট হৈছে, সেই প্ৰীতিগোট যেমনে হ্ৰাস নহয় তাক কৰিব।" পাচে ফুল-চন্দন দি বুলিলে, বোলে,—"অৰিভীমনাৰাণ, তঞি আজি বাসাত জিৰাই থাকগৈ, অন্য দিন আপোন দেশে যাবি।" পাচে উকীল পূৰ্ব্বৰতে বাসালৈ গ'ল। পাচে ৺দেৱতাএ উকীলক বঁটা দিয়াৰ লেখা,—সোণৰ লঠা কৰ্ণফুলা ১যোৰ, চিকণ আতলঞ্চৰ জামা ১, ৰূপাৱলী পাটুকা ১, বোলোৱা পাগ ১, ফুলাম বৰকাপোৰ ১, আতলঞ্চৰ ইজাৰ ১, ৰূপ ৬০। ৪ দৈত্যসিংহক দিলে,—মজা জামা ৪, বোলোৱা পাগ ৪, এফলীয়া বৰকাপৰ ৪, গন্ধীয়াঘৰীয়া পাটুকা ৪, ঢেঁকেৰী ঢৰাৰ ইজাৰ ৪। ইহঁতক একোটাক ৩০কৈ ৰূপ দিলে। নফৰ এটিক দিলে ৰূপ ৬।

মহেন্দ্ৰমাণিক্যলৈ দিয়া পত্ৰৰ লেখা,—

স্বস্তি শ্ৰীমদ্‌গৌৰীনাথ—চৰণাৰবিন্দ-স্যন্দ-মকৰন্দ-সন্দোহ-পানানন্দিত-স্বস্তি-মধুব্ৰত, বিবিধ-গুণোপাৰ্জ্জিতকীৰ্ত্তি-শুভ্ৰাংশু-কিৰণ-ধোৰণী-ধবলীকৃতাশেষ-ধৰামণ্ডল, নিজতেজস্তোম-খৰ্ব্বীকৃতাৰিত। প্ৰচয়োত্তুঙ্গ—তুৰঙ্গ-বাৰণ-চমুনিচয়—বিস্ফাৰিত-ৰণগৰিমাগ্ৰগণ্য—গণনীয়বৰ, নিখিল—শাস্ত্ৰস্যাশোদ্দীপ্ত—বাগ্‌জাল-পণ্ডিত-ব্যাপ্ত-গোষ্ঠ্যবচিত-মহেন্দ্ৰধাম, অশেষদানোদ্ধত-ৰব-ন্যবহৃত-কৰ্ণাবদাত-যশঃপটলেষু শ্ৰীশ্ৰীমহেন্দ্ৰমাণিক্য-মহাৰাজ-মহোগ্ৰ-প্ৰতাপেষু। সম্মোদ-সম্পাদয়িত্ৰী পত্ৰী বিৰাজতে। সমিহ শ্ৰীমতাং প্ৰীতি-পাত্ৰীভূতানাং

Digitized by Panjab Digital Library | www.panjabdigilib.org

ভবাদৃশামনিশং কুশলমীহে। ভবতাং শ্রীযুতাৰিভীমনাৰায়ণদ্বাৰা ত্বদীয়ানন্দপ্রকাশাৎ ভবদ্বিজ্ঞাপ্তিমবগম্য সাহ্লাদিতঃ। প্রমোদাৰ্হৈর্ভবাদৃশৈঃ সৌহার্দয়াহ্লাদজনকং মাদৃশাম্মনঃ প্রোল্লসতি। হৰগৌৰীপদাম্ভোজ-মধুব্রতয়োৰাবয়োঃ কিমলভ্যং তথাপি কালানুসাৰতো মদনুষ্ঠেয়ে ভবিতব্যে ভবদ্ভির্বিভাবনীয়ম্। শ্রীযুত-ৰত্নকন্দলী শ্রীযুতার্জ্জুনদাস-মুখাদবশেষিতং বোদ্ধব্যম্। কিম্বহুনা বাচাং পল্লবিতেন। বাণাগ্নি-স্কন্দবক্ত্রেন্দু-সম্মিতে শক-বৎসৰে। নবম্যাং চৈত্রিকে কৃষ্ণে লিখিতা পত্রিকা শুভা॥ লক্ষযোজনতঃ সূর্য্যো ভূমৌ তিষ্ঠতি পঙ্কজম্। দ্বয়োঃ সৌহার্দ্দসম্বন্ধাৎ সময়ে হিতকাৰিণৌ॥ ১৬৩৫ শক, মাস চৈত্র। সন্দেশৰ লেখা,—নৰা কাপৰ ১, বুটাদাৰ ৰঘুনাৰাণী ১, কতিপা ১, খর্গ ২ যোৰ সত ২ পকৰা কটাৰী ৪ খন।

বৰবৰুৱাএ পত্র দিয়াৰ লেখা,—

স্বস্তি শ্রীমৎ স্বেষ্টদেৱ-চৰণ-সৰোৰুহ- সেবনার্জ্জন-জনিত-নিজ-যশোৰাশি-হংসী-বিকাশিতাশামণ্ডল, সাৰাসাৰ-বিচাৰ-চাতুৰী-বিৰাজমান—ৰাজপদবী-সমাশ্রিতোদাৰ—চৰিত—মহাৰাজাধিৰাজ-শ্রীশ্রীমহেন্দ্রমাণিক্যেষু। অৰি-কৰি-সম্মর্দ্দন-পঞ্চানন-প্রতিম-শ্রীযুত-সুৰতসিংহ-বৃহদ্বৰুৱা-নামধেয়স্য সপ্রেম—বিজ্ঞাপন—পত্রী উদন্তস্থেয়ম্। শ্রীমদৰিভীমনাৰায়ণ—বৈবধিক—বদনাদ্ভবদ্বিষয়কমখিল-প্রবর্ত্তন-মাকলয্যাহমাপ্যায়িতঃ। পত্রসন্দেশার্থমনাগর্থঃ প্রস্থাপ্যতে, তদা দাতব্যম্। কিমধিকং বচসাং পল্লবিতেন স এব নিখিলং নিগদিষ্যতি। বাণ-বহ্ন্যর্ত্তু-শুভ্রাংশু-গণিতে শক-হায়ণে। চৈত্রস্য শ্যাম-পঞ্চম্যাং পত্রমেতৎ প্রহীয়তে॥ শ্রীৰত্নকন্দলী শ্রীযুতার্জ্জুনদাস-বার্ত্তাবহাবপি সমস্তমাবেদয়িষ্যত, ইতি। সন্দেশ,—নৰা কাপৰ ১, শুক্ল চামৰ ১। বৰবৰুৱাএ উকিলক বঁটা দিয়াৰ লেখা,—অৰিভীমনাৰাণক কপাহী জামা ১ খান, আগফুলাম বৰকাপৰ ১যোৰ, কপাহী পটুকা ১, বোলোৱা পাগ ১, আতলঞ্চৰ ইজাৰ, এইৰূপে দিলে।

Digitized by Panjab Digital Library | www.panjabdigilib.org

পাচে ৺দেৱৰ লগতে সোণাৰী নৈ বাহৰলৈকে উকীলো গ'ল। পাচে ততে ৺দেৱে তৰ্ক্কবাগীশক পাঁচি আকও উকীলক ৰূপ ২০০ টকাএ, সোণৰ টাৰ ১ যোৰে দি ১৬৩৬ শকৰ বৈশাখৰ ২ দিন যাওঁতে আমাৰ কটকীএ সহিতে উকীলক দেশলৈ পঠাই দিলে। পাচে আমাৰ কটকীএ ত্ৰিপুৰা দেশ নৌপাওঁতে মহেন্দ্ৰমাণিক্য ৰাজা হৈ এক বৎসৰ দুই মাস থাকি গ্ৰহণী ধৰি মৰিল। দুৰ্জ্জয়সিংহ যুৱৰাজে ৰাজা হই ধৰ্ম্মমাণিক্য নাম ললে। পাচে উকিলে সহিতে আমাৰ কটকী পৌষৰ ২৪ দিন যাওঁতে ত্ৰিপুৰা ৰাজাৰ নগৰ পালেগৈ। পাচে ধৰ্ম্মমাণিক্য ৰাজাএ পূৰ্ব্বৱতে বাসা দিলে, ৰোজবাজো দিলে।

৪০শ আধ্যা।

ধৰ্ম্মমাণিক্য ৰজাই স্বৰ্গদেৱলৈ দিয়া পত্ৰ-সন্দেশ।

পাচে ১৬৩৭ শকৰ জৈষ্ঠৰ ২ দিন যাওঁতে আমাৰ কটকীক তুলি পূৰ্ব্বৱতে সম্ভাষা কৰি বহালৈ পঠাই দিলে। পাচে জৈষ্ঠৰ ২০ দিন যাওঁতে আমাৰ কটকীক বিদায় দিলে। সিহঁতৰ উকীল নিদিলে, আমাৰ কটকীৰ হাতত পত্ৰ সন্দেশ দিলে।

পত্ৰৰ লেখা,—

স্বস্তি শ্ৰীমদ্ভভবানী-পদ-পঙ্কজ-ধূলিপটল-ৰঞ্জিত-মনো-মত্ত—মধুব্ৰ-তানবৰত-বিস্ৰাবণ-দূৰীকৃত-দুৰ্গত-দাৰিদ্ৰ, কৰ-কলিত-নিস্ত্ৰিংশধাৰা-জৰ্জ্জৰীকৃতাশেষ-ৰিপুকুল, নয়বিনয়-নৈপুণ্য-বশীকৃতাশেষ-দ্বিজ—সজ্জন, কৰ্পূৰ-পাণ্ডুৰ-যশঃপুৰ-পৰিপূৰিত—সমস্তাশামণ্ডল, বিবিধ-গুণসম্পন্ন-জন-মণ্ডিত-নিজাবাসস্থল, সকল-শাস্ত্ৰ-বিশাৰদ-বুধমণ্ডলী-পৰিমণ্ডিত-

Digitized by Panjab Digital Library | www.panjabdigilib.org

গোষ্ঠিকেষু শ্রীশ্রীযুত-ৰুদ্রসিংহ-মহাৰাজাধিৰাজ-মহামহোগ্র-প্রতাপেষু। প্রবৃত্তি-নিবেদয়িত্রী পত্রীয়মুজ্জৃম্ভতে। শ্রীমতাং প্রেমধানী—ভৃতানাং ভবিকমিহামহেতৰাম্। ভবাদৃশাং পত্রীমবগম্য শ্রীযুত-ৰত্নকন্দলী শ্রীযুত-অর্জ্জুনদাস-মুখাদ্ ভবদীয়-সন্তোষঞ্চ শ্রুত্বা বয়মাপ্যয়িতাঃ। শ্রীদুর্গাচৰণ-পঙ্কজ-ভৃঙ্গয়োৰাবয়োঃ কিমপি দুর্ল্লভ-ন্নাস্তি। তথাপি সময়বশান্মদনুষ্ঠেয়ে ভবিতব্যে ভবদ্ভির্যদুচিতং বিধেয়ম্। অবশেষ-বৃত্তান্তঃ শ্রীযুত-ৰত্নকন্দলী শ্রীযুতার্জ্জুনদাস দ্বাৰা বোদ্ধব্যঃ। কিম্বহূনাং বচসাং পল্লবিতেন। তৎ প্রেম যৎ পৰাভেদ্যমনির্ব্বাচ্যমিয়ত্তয়া। অদূৰদূৰয়োস্তুল্যং বর্দ্ধমানমভঙ্গুৰম্॥ সপ্ত-ৰামর্ত্তু-শীতাংশু প্রমিতে শক-বৎসৰে। জৈষ্ঠস্য কৃষ্ণপঞ্চম্যাং লিখিতেয়ঞ্চ পত্রিকা॥ পত্রসন্দেশার্থং কিমপি প্রেষ্যতে, যথাবিহিতং কার্য্যমিতি। সন্দেশ,—বাপ্তা ২ থান, আতলঞ্চ ১ থান, চিট ২ থান। এই পত্র সন্দেশ ৺দেৱলৈ দিছিলে।

বৰবৰুৱালৈ দিয়া পত্রৰ লেখা,—

স্বস্তি শ্রীমন্নন্দ-নন্দন-পাথোৰুহ-ৰেণু-পিশঙ্গিতান্তঃকৰণ-মধুব্রত, নয়-বিনয়-সদ্বিদ্যালোল্য-বশীকৃতাশেষ-ৰাষ্ট্রমণ্ডল-শ্রীযুত-সুৰথসিংহ-বৃহদ্বৰুৱা-নামধেয়-মহাশয়-পবিত্র-চৰিতেষু। সৌহার্দ্দ-বিজ্ঞাপন-পত্রীয়ং বিৰাজতে। ভবতাং ভাবুক-বার্ত্তামবগম্য পত্রীং প্রাপ্য চ বয়মাপ্যায়িতাঃ। অস্মদীয়-বৃত্তান্তং শ্রীযুত-ৰত্নকন্দলী শ্রীযুতার্জ্জুনদাসৌ নিগদিষ্যতঃ। কিং বহুনা বচসা পল্লবিতেন। অব্ধি-বহ্নি-ৰসক্ষাভি-র্গুণিতে শক-বৎসৰে। জৈষ্ঠস্য কৃষ্ণপঞ্চম্যাং লিখিতা পত্রিকা শুভা॥ পত্রসন্দেশার্থং কিমপি প্রেষ্যতে, তদা দাতব্যমিতি। সন্দেশ,—অৰংজেবী ১ থান।

এই পত্র সন্দেশ আমাৰ কটকীৰ হাতত দি কহিলে, বোলে,—"তোমা মহাৰাজাৰ ঠাইত কহিবা, পূর্ব্বে তায়ঁৰ সহিত আমাৰ প্রীতি অপ্রীতি কিছু নাছিল। ৰত্নমাণিক্য ৰাজা সহিতে প্রীতিগোট হবৰ

Digitized by Panjab Digital Library | www.panjabdigilib.org

পৰা প্ৰীতিগোট চলি আছে। সেই প্ৰীতিগোট যেমনে হ্ৰাস নোহয় সেইখান কৰিব। উকীলৰ গতায়াত হলে প্ৰীতি হব, নগলে নাহব, এমত নাহয়। আমি সৰ্ব্বথা প্ৰীতি পথতে আছোঁ। তায়ঁৰ আমাৰ বিশিষ্ট কাৰ্য্য হৈলে উভয় পক্ষতে জ্ঞাত হই তদনুৰূপে আচৰা যাব।" এই বুলি পূৰ্ব্বৱতে আমাৰ কটকীক ৰূপ-কাপৰ দি বিদাই দিলে। পাচে আমাৰ কটকীএ আহি ভাদ্ৰত গড়্‌গাওঁ পালেহি। পাচে সেই সন্দেশ-পত্ৰ দি মহা ৺দেৱতাৰ চৰণলৈ জনালে। ইতি সমাপ্ত।

Digitized by Panjab Digital Library | www.panjabdigilib.org

Digitized by Panjab Digital Library | www.panjabdigilib.org

অথ নির্ঘণ্টনং।

	পত্র	পৃষ্ঠা
আনন্দিৰাম মেধি আহিছে।	৩	২
আনন্দিৰামৰ লগত আমাৰ মানুহ যোৱা। ...	৪	৩
ত্রিপুৰা ৰাজা আমাৰ দেশক উকীল পঠালে। ...	৮	৬
কছাৰী ৰাজা সেই উকীলক তুলিলে। ...	১০	৭
গজপুৰত উকীল আহি ৺ লগ পালে, বৰবৰুৱা তুলিলে।	১১	৮
সেই উকীলক তুলিবলৈ ৺ উদ্যম কৰিলে। ...	১৩	৯
সন্দেশ-পত্র সহিতে উকীলক বিদাই দিলে। ...	১৯	১৩
উকিলক দৌলত সেৱা কৰালে দুর্গোৎসৱৰ সময়ত।	২৭	১৮
আমাৰ কটকীএ সহিতে উকিলক পঠাই দিলে। ...	৩০	২১
ত্রিপুৰালৈ যোৱা বাটৰ ঠিকনা যি ঠাইত যি আছে।	৩১	২১
সিহঁতৰ উকিলে সহিতে আমাৰ কটকী ত্রিপুৰা পালে।	৩৫	২৪
ত্রিপুৰা ৰজাৰ ৰাজৰে নগৰৰে লেখা। ...	৩৬	২৫
ত্রিপুৰা ৰাজাৰ মাণিক্য নাম যিৰূপে হ'ল। ...	৫১	৩৪
ৰাজাৰ উৰ্দ্ধপুৰুষৰ লেখা। ...	৫৩	৩৫
চম্পকৰাই সহিতে ভেদ লগালে, পাচে মাৰিলে। ...	৫৭	৩৮
নিতে ৰাজাৰ আচৰণ। ...	৬১	৪১
কবিসেখৰৰ ভনীএকক ৰাজা ভাৰ্য্যা কৰি আনিলে।	৬৩	৪২
ৰাজাৰ ভনীএকক ৰাজদুৰ্ল্লভনাৰাণত বিবাহ দিলে, আকে নিসান আৰোৱান দিলে। ...	৬৫	৪৪
মুৰাদ্বেগৰ ভনীএকক ৰহস্যে ৰাজা আনিবলৈ সেৱক এটা পঠালে, তাক কাটিলে। ...	৬৬	৪৪
ঘনশ্যাম ঠাকুৰে ৰাজা হবৰ নিমিত্তে মুৰাদ্বেগৰ ৰাজা সহিতে বিৰোধ লগালে, ৰাজা নাজানে। ...	৬৭	৪৫
ঘনশ্যাম বৰঠাকুৰ হাতী ধৰিবলৈ গ'ল। ...	৭১	৪৮

Digitized by Panjab Digital Library | www.panjabdigilib.org

		পত্র	পৃষ্ঠা
আমাৰ কটকীক তুলিবলৈ উদ্যম কৰিলে।	...	৭৪	৫০
কটকীত আমাৰ দেশৰ পূৰ্ব্বকথা সুধিলত কলে।	...	৮৬	৫৭
মোট খেলি। ...	...	৮৯	৬০
ঘনশ্যামে ৰাজা হবলৈ মুৰাদ্বেগৰ তলৈ মানুহ পঠাই বঙ্গালৰ চাকৰ ধৰি আনাইছে। ...	...	৯৯	৬৬
মামুদছপিএ ঘনশ্যামে শপত কৰিলে। ...	...	১০১	৬৭
যুৱৰাজে কোটোৱাল মুছিবে ৰাজাত কলে,— "ঘনশ্যামে বঙ্গালৰ মানুহ চাকৰ ধৰি ৰাজা হব খুজিছে।"		১০২	৬৮
ঘনশ্যামে মামুদছপিএ মুৰাদ্বেগে মন্ত্ৰণা কৰিছে।	...	১০৩	৬৯
ঘনশ্যামে যুৱৰাজকে কোটোৱাল মুছিবকে তাৰ ঘৰলৈ মাতি পঠালে।	...	১০৪	৭০
যুৱৰাজে কোটোৱাল মুছিবে ঘনশ্যামৰ তলৈ গ'ল।		১০৮	৭২
কোটোৱাল মুছিবক ঘনশ্যামে লোৱা লগালে।	...	১০৯	৭৩
যুৱৰাজে ১০ হাজাৰ ৰূপ মামুদছপিক দিম বুলি আহি ৰহস্যে ৰাজাত জনালে। ...	...	১১১	৭৫
ঘনশ্যাম ৰাজাক মিলোঁ বুলি আহিল।	...	১১৪	৭৭
পীতাম্বৰ হাজাৰিএ ৰত্নমাণিক্য ৰাজাৰ হাতত ধৰি সিংহাসনৰ পৰা নমাই আনিলে।	...	১১৫	৭৮
ঘনশ্যাম ৰাজা হ'ল।	...	১১৬	৭৮
কোটোৱাল মুছিবক কাটিলে, ঘনশ্যামৰ নামে মোহৰ মাৰিলে।		১১৮	৮০
আমাৰ কটকীক তুলিবলৈ নিলে, সেই দিনে ৰাজাৰ আকস্মিকে ঘৰত জুই লাগিল। ...	...	১২০	৮১
গঙ্গানাৰাণী ধাএ ৰত্নমাণিক্যক মাৰিবলৈ যুক্তি দিলে।		১২৩	৮৩
ৰত্নমাণিক্যক মাৰিবলৈ মামুদছপিলৈ সুধি পঠালে।	...	১২৫	৮৪
ৰত্নমাণিক্য ৰাজাক মাৰিলে, দেশৰ লোকে কান্দিলে।	...	১৩০	৮৭
মামুদছপিক কবুলৰ দ্ৰব্য দি ঢকাক পঠাই দিলে।	...	১৩৩	৯০

Digitized by Panjab Digital Library | www.panjabdigilib.org

		পত্র	পৃষ্ঠা
ৰত্নমাণিক্যৰ কৰ্ম্ম কৰালে, পত্র-সন্দেশ সহিতে অৰিভীম উকীলক সঙ্গত দি আমাৰ কটকীক বিদাই দিলে।	...	১৩৪	৯০
উকীলে সহিতে কটকীএ ৰঙ্গপুৰ পালেহি।	...	১৩৫	৯১
ত্রিপুৰাৰ উকীলক বৰবৰুৱাএ তুলিলে।	...	১৩৫	৯১
৺দেৱে উকীলক তুলিলে।	...	১৩৬	৯২
৺দেৱে উকীলক বিদায় দিলে।	...	১৩৯	৯৪
বৰবৰুৱা উকীলক বিদায় দিলে।	...	১৪০	৯৫
অৰিভীম উকীলে সহিতে আমাৰ কটকী ত্রিপুৰা নগৰ পালেগৈ, মহেন্দ্রমাণিক্য মৰিল, ধর্ম্মমাণিক্য ৰাজা হ'ল।		১৪৩	৯৭
আমাৰ কটকীক তুলি বিদায় দিলে।	...	১৪৪	৯৭
আমাৰ কটকী গর্গাঞ পালেহি।	...	১৪৬	৯৯

সমাপ্ত।

Digitized by Panjab Digital Library | www.panjabdigilib.org

Digitized by Panjab Digital Library | www.panjabdigilib.org

GOVERNMENT OF ASSAM

DEPARTMENT OF HISTORICAL AND ANTIQUARIAN STUDIES, ASSAM.

PUBLICATIONS FOR SALE.

The Department has published several old historical masterpieces in English and in Assamese, edited on most up-to-date lines by Rai Bahadur Professor S. K. Bhuyan. Each Assamese chronicle is furnished with Preface and Introduction in English and Assamese, and Marginalia against each paragraph. The *Asamar Padya-Buranji*, the *Kachari Buranji* and the *Jayantia Buranji* have elaborate Synopses in English. Publication No. 6, *Tungkhungia Buranji*, is the first systematic English translation of an Assamese chronicle. In the paucity of written and authentic record about Jayantia and Cachar, our publications *Jayantia Buranji* and *Kachari Buranji* will serve as valuable sources of information to all interested in the history of the two kingdoms. The Persian chronicle *Baharistan-i-Ghaybi*, the only extant manuscript of which is in the Bibliotheque Nationale of Paris, is already well-known to scholars in India. The complete English translation of this chronicle, published for the first time, will be a valuable mine of information to students of Mogul history.

Digitized by Panjab Digital Library | www.panjabdigilib.org

LIST OF PUBLICATIONS.

1. ASSAM BURANJI.—A history of Ahom rule in Assam, 1228-1826 A.D. An enlarged version of Kasinath Tamuli-Phukan's chronicle by Harakanta Barua. Pp. xii + 152. Cloth, Rs. 2-8 ; Paper cover, Re. 1.
2. KAMRUPAR BURANJI.—A detailed history of the Assam-Mogul conflicts. Pp. xvii + 152. Cloth, Rs. 2-8 ; Paper cover, Re. 1.
3. DEODHAI ASAM BURANJI.—A collection of old chronicles dealing with the earlier Ahom history, neighbouring tribes, Ahom customs, etc. Pp. lxx + 222. Cloth, Rs. 3.
4. ASAMAR PADYA-BURANJI.—Two metrical chronicles of Assam, 1679-1819 A.D., by Dutiram Hazarika and Bisweswar Vaidyadhipa respectively, pp. lv + 278 ; Synopsis in English, pp. 279-308. Cloth, Rs. 3.
5. TUNGKHUNGIA BURANJI.—A history of Assam from 1681 to 1806 A,D., by Srinath Barbarua of the Duara family. Pp. xlvii + 186. Cloth, Rs. 2-8.
6. TUNGKHUNGIA BURANJI.—A history of Assam from 1681 to 1826 A.D., in English. With Genealogical Tables, Bibliography, Glossary and Index. Published by the Oxford University Press.* Pp. xxxii + 262. Cloth, Rs. 10.

---

* This book can be had of the publishers,—Oxford University Press, Mercantile Buildings, Lal Bazar Street, Post Box No. 530, CALCUTTA ; and Amen House, LONDON, E. C. 4.

Digitized by Panjab Digital Library | www.panjabdigilib.org

7. BULLETIN No. 1.—With an Introduction by His Excellency Sir Laurie Hammond, Governor of Assam, 1927-1932. Pp. viii + 48. Re. 1.

8. BULLETIN No. 2.—With an Introduction by His Excellency Sir Michael Keane, Governor of Assam, 1932-1937. Pp. xii + 76. Re. 1.

9. KACHARI BURANJI.—A history of Cachar from the earliest time to the reign of the Kachari Raja Tamradhwaja Narayan and the Ahom King Swargadeo Rudra Singha. With a frontispiece of King Rudra Singha receiving the homage of the Rajas of Cachar and Jayantia. Pp. xxxiv + 124; Synopsis in English, pp. 125-143; and An Episode in the History of Kacharis, pp 144-149. Re. 1-8.

10. JAYANTIA BURANJI.—A history of Jayantia from the earliest time to the reign of Jayantia Raja Lakshmi Singha and the Ahom King Swargadeo Siva Singha; Jayantia matriarchal system; History of Khyrim. With an Introduction by Mr. S. K. Dutta, B.A. (Cal.), B. Sc. (Lond.), Barrister-at-law, Honorary Assistant Director of the Department of Historical and Antiquarian Studies for the Brahmaputra Valley Division; and a frontispiece of King Rudra Singha receiving the homage of the Rajas of Cachar and Jayantia. Pp xxiv + 177; Synopsis in English, pp. 179-190. Re. 1-8.

11. BAHARISTAN-I-GHAYBI.—A history of the conflicts of the Moguls with Assam, Bengal, Bihar and Orissa during the first three

Digitized by Panjab Digital Library | www.panjabdigilib.org

decades of the seventeenth century, by Mirza Nathan, Mogul Fouzadar at Gauhati. Translated from the original Persian by Dr. M. I. Borah, M.A., B.L. (Dac.), Ph. D. (Lond.), Head of the Department of Persian and Urdu in the University of Dacca. In two Volumes, pp. xxix + 933. Cloth, Rs. 10 per set.

12. BULLETIN No. 3.—Containing (1) the Speech of His Excellency Sir Michael Keane, Governor of Assam, at the Opening Ceremony of the Narayani Handiqui Historical Institute; (2) Honorary Provincial Director's Speech; (3) Account of the Opening Ceremony; (4) Introductions to Bulletins I and II; (5) Extracts fron the D.H.A.S. Publications. With portraits of His Excellency Sir Michael Keane, Rai Bahadur Radhakanta Handiqui, Mrs. Narayani Handiqui, Sir Edward Gait, Narayani Handiqui Historical Institute, etc. Published in August 1936. Pp. iv + 52. Re. 1-8.

13. TRIPURA BURANJI, or *Tripura Desar Katha*—A historical and descriptive account of Tripura, with special reference to the events of 1710-1715 A.D., by two Assamese ambassadors of King Rudra Singha, 1696-1714 A.D. From the original manuscript in the British Museum, London. With a frontispiece of King Rudra Singha receiving the homage of the Rajas of Cachar and Jayantia. Pp. xx + 103. Re. 1-8.

14. ASSAM BURANJI.—A history of Assam from 1648 to 1681 A.D. *In the Press.*

Digitized by Panjab Digital Library | www.panjabdigilib.org

In addition to the above the following Government publications have been stocked for sale,—

1. AHOM-BURANJI (With parallel English translation).—From the earliest time to the end of Ahom rule. Translated and edited by the late Rai Sahib Golap Chandra Barooah. Price Rs. 6.
2. DESCRIPTIVE CATALOGUE OF ASSAMESE MANUSCRIPTS.—Contains description of several representative ancient Assamese and Sanskrit manuscripts. Compiled by Pandit Hem Chandra Goswami Price Rs. 5.
3. GHORA NIDAN.—A treatise on the ailments of horses and their remedies. Edited by the late Srijut Tarinicharan Bhattacharjee. Price Re. 1-6.
4. ASSAM BURANJI.—A history of Assam from 1228 to 1833 A.D., by Kasinath Tamuli-Phukan. Price Rs. 2-8.
5. KAMARATNA TANTRA (With parallel English translation).—A book on Tantrika-shat-Karma, etc with diagrams. Translated and edited by Pandit Hemchandra Goswami. Price Re. 1-8. (Sale restricted)

To be had of :

Office of the Department of Historical and Antiquarian Studies,
Narayani Handiqui Historical Institute,
GAUHATI, ASSAM, India.

Digitized by Panjab Digital Library | www.panjabdigilib.org

TRIPURA BURANJI

or

A Chronicle of Tipperah, written in 1724 A. D.
by Ratna Kandali Sarma and Arjun Das Bairagi,
Swargadeo Rudra Singha's envoys to Raja
Ratna Manikya of Tipperah.

Digitized by Panjab Digital Library | www.panjabdigilib.org

Digitized by Panjab Digital Library | www.panjabdigilib.org